## ভিতৰৰ পৃষ্ঠাত

| | |
|---|---|
| আঞ্চলিক | পৃষ্ঠা ৩ |
| ব'হাগ | পৃষ্ঠা ৫ |
| দ্য ইনফ্ৰাষ্ট্ৰাকচাৰ মেন | পৃষ্ঠা ৬ |
| নিয়ৰৰ ফুল | পৃষ্ঠা ৮ |
| কিতাপ অধ্যয়নৰ গুৰুত্ব | পৃষ্ঠা ৯ |



RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.com ত উপলব্ধ


# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ



■Vol :10 ■Issue :50 ■Guwahati ■Wednesday ■ 2 August, 2023 ■ Rs. 5 ■বছৰ - ১০ ■সংখ্যা -৫০ ■গুৱাহাটী ■ বুধবাৰ ■ ১৬ শাওণ, ১৯৪৫ শক ■মূল্য ঃ ৫ টকা


### ৰাজ্যিক সভাপতিৰ বিৰুদ্ধে সক্ৰিয় দলৰে একাংশ ঃ পদ হেৰুৱালে দিলীপে

# বিজেপিত ক্ষমতা দখলৰ ৰাজনীতি

**ষ্টাৰ্ফ ৰিপ'ৰ্টাৰ ঃ** লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ব্যাপক সাংগঠনিক সালসলনিৰে গেৰুৱা দলে পুনৰ ক্ষমতা দখলৰ বাবে উঠি-পৰি লগাৰ সময়তে দলটোৰ ভিতৰ চ'ৰাত ক্ষমতা দখলক লৈ একাংশই আৰম্ভ কৰিছে নিকৃষ্ট ৰাজনীতি। অসম বিজেপিত আনকি দলটোৰ ৰাজ্যিক সভাপতি গৰাকীকে পদবীৰ পৰা আঁতৰাবলৈ সক্ৰিয় হৈ পৰিছে এটা চক্ৰ। এই চক্ৰটোৱে বিজেপিৰ ৰাজ্যিক সভাপতি তথা ৰঙিয়া সমষ্টিৰ বিধায়ক ভৱেশ কলিতাৰ বিৰুদ্ধে উঠি-পৰি লাগিছে। ভৱেশ কলিতা ছিণ্ডিকেটত জড়িত বুলি সম্প্ৰতি ব্যাপকভাৱে প্ৰচাৰ চলিছে। এই অভিযোগ সঁচা নে মিছা ইয়াক প্ৰমাণ কৰি বিহীত ব্যৱস্থা গ্ৰহণৰ দায়িত্ব অসম আৰক্ষীৰ যদিও ভৱেশ কলিতাক কেন্দ্ৰ কৰি এটা চক্ৰ যে সক্ৰিয় হৈ পৰিছে সেইকথা ৰাজ্যৰ শেহতীয়া ৰাজনীতিয়ে পৰিস্ফুট কৰিছে। এই চক্ৰটোত আনকি বন বিভাগৰ বিষয়াও জড়িত হৈ পৰাৰ অভিযোগ উঠিছে। উল্লেখ্য যে বিজেপিৰ ৰাজ্যিক সভাপতি গৰাকীক পদবীৰ পৰা আঁতৰাবলৈ এই চক্ৰটোৱে দীৰ্ঘদিনৰ পৰা প্ৰচেষ্টা অব্যাহত ৰাখিছে। এসময়ত উজনিৰ বিজেপি নেতাক ৰাজ্যিক বিজেপিৰ সভাপতি হিচাপে নিযুক্তি দিবলৈ খোদ মুখ্যমন্ত্ৰীয়ে তৎপৰ হৈ পৰা বুলি চৰ্চা চলিছিল। এই বিষয়টোক লৈ ৰাজ্যিক বিজেপিত এক অস্বস্তিকৰ পৰিৱেশৰো সৃষ্টি হৈছিল। পৰৱৰ্তী সময়ত ৰাজ্যিক বিজেপিৰ সভাপতি সলনি নহয় বুলি *১৫ পৃষ্ঠাত*





## চেৰাপুঞ্জীৰ অনুভৱ

**লীলাধৰ হাজৰিকা**

যোৱা ২৯ জুলাইত মেঘালয়ৰ চেৰাপুঞ্জীলৈ গৈ দিনটোৰ সৰহভাগ সময় মেঘৰ মাজে মাজে ঘূৰি ফুৰি বিমল আনন্দ অনুভৱ কৰিলো। ইয়াৰ পূৰ্বেও চেৰাপুঞ্জী, শ্বিলং, ডাউকী, মাওলিনং আদি ঠাইলৈ বহুবাৰ গৈছো যদিও ২৯ জুলাইৰ দিনটো সঁচা অৰ্থত মেঘৰ মাজত থকা যেনেই আমাৰ অনুভৱ হৈছিল। মই যি ফালেই যাওঁ কেৱল মেঘ মেঘ আৰু উৰণীয়া ডাৱৰ। চেৰাপুঞ্জীখন জনঅৰণ্য যেনেই লাগিছিল। মানুহ মানুহ কেৱল মানুহ। পৰ্যটন উদ্যোগটোৰ প্ৰকৃত অৰ্থ যেন *২ পৃষ্ঠাত*

### লোকসভাৰ অধ্যক্ষ ওম বিৰলাই উদ্বোধন কৰিলে নৱনিৰ্মিত ভৱন

# অসম বিধান সভা হৈছে সৰ্বোচ্চ গণতান্ত্ৰিক মঞ্চ ঃ মুখ্যমন্ত্ৰী




**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই যোৱা ৩০ জুলাইত অসম বিধান সভাৰ নৱনিৰ্মিত ভৱনৰ উদ্বোধন কৰে। এই উপলক্ষে সভাত লোকসভাৰ অধ্যক্ষ ওম বিৰলাক কৃতজ্ঞতা জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতীয় সংসদীয় গণতন্ত্ৰৰ এটি উজ্জ্বল ব্যক্তিসত্ত্বা হৈছে ওম বিৰলা। লোকসভাৰ অধ্যক্ষ হিচাপে তেওঁ গ্ৰহণ কৰা কেতবোৰ উল্লেখনীয় পদক্ষেপে সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাটোক উজ্জীৱিত কৰাৰ উপৰি ইয়াৰ সৌষ্ঠৱ বৃদ্ধিত অৰিহণা যোগাইছে বুলি ব্যক্ত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অধ্যক্ষ হিচাপে এই সময়ছোৱাৰ ভিতৰতে জনমুখী আইন *২ পৃষ্ঠাত*

## ধুবুৰী-নগাঁও বৰপেটা অগপলৈ !

**ষ্টাফ ৰিপ'ৰ্টাৰঃ** আগত লোকসভা নিৰ্বাচনত বিজেপি মিত্ৰজোঁটৰ অংশীদাৰ কোনটো ৰাজনৈতিক দলে কোন সমষ্টিত প্ৰতিদ্বন্দিতা কৰিব ইয়াকে লৈ মিত্ৰজোঁটৰ অংশীদাৰ দলকেইটাৰ মাজত আৰম্ভ হৈছে তৎপৰতা। বিজেপিয়ে নিজে ১১ টা লোকসভা সমষ্টিত প্ৰতিদ্বন্দিতা কৰি বাকী মাত্ৰ ৩ টা সমষ্টিত অগপ আৰু ইউপিপিএলক দিবলৈ চিন্তা-চৰ্চা কৰিছে। ইয়াৰ বিপৰীতে দলীয় সাংগঠনিক তৎপৰতা বৃদ্ধিৰে অসম গণ পৰিষদ দলে কমেও তিনিটা সমষ্টিত প্ৰতিদ্বন্দিতা কৰিবলৈ প্ৰস্তুতি চলাইছে। বিশাল সাংগঠনিক সমাৱেশ *১৫ পৃষ্ঠাত*

## সোলা মুখৰ হাঁহি

**নুৰুল ইছলাম**



সিদিনা আবেলি সময়ত মানুহজনীয়ে মোনাখন হাতত তুলি দি ক'লেহি বোলে হেৰি নহয় বজাৰৰ পৰা এপাক আহকগৈ। *২ পৃষ্ঠাত*

### সুৰক্ষিত, শক্তিশালী অসমৰ স্বাৰ্থত অগপ অংগীকাৰবদ্ধ ঃ অতুল বৰা

# কোকৰাঝাৰত অগপৰ বিশাল কৰ্মকৰ্তা সন্মিলন

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** কলিয়াবৰ লোকসভা সমষ্টিৰ পৰা আৰম্ভ হৈছে অসম গণ পৰিষদৰ লোকসভা সমষ্টিভিত্তিক বিশেষ কৰ্মকৰ্তা সন্মিলন। ইয়াৰ অংশ হিচাপে দলটো ১৪সংখ্যক সন্মিলনখন যোৱা ৩১ জুলাইত দলৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাৰ সভাপতিত্বত কোকৰাঝাৰ চহৰৰ বডোফা সাংস্কৃতিক প্ৰকল্পত অনুষ্ঠিত হয়। এই *২ পৃষ্ঠাত*



১ পৃষ্ঠাৰ পৰা

# চেৰাপুঞ্জীৰ অনুভৱ

মেঘালয় চৰকাৰেই সাৰ্থক প্ৰয়োগ কৰিছে। পুৰণি ঐতিহ্যক সংৰক্ষণ কৰিবলৈ গৈ চৰকাৰখনে পুৰণিকলীয়া ঐতিহ্যমণ্ডিত বাট-পথবোৰৰো ঐতিহ্য জীয়াই ৰাখিবলৈ পাহৰি যোৱা নাই। উদাহৰণস্বৰূপে এসময়ত পৃথিৱীৰ ভিতৰতে সৰ্বাধিক বৰষুণ হোৱা ঠাইখন চোহৰা অথবা চেৰাপুঞ্জীৰ সেই ঠাইখিনি তেনেকৈয়ে ৰাখিবলৈ পাহৰি যোৱা নাই। ঐতিহ্য ভাঙি পেলোৱা অথবা ধ্বংস কৰি পেলোৱাটো উচিত নহয়। নতুন নতুন সম্পদৰ সংৰক্ষণ আৰু যাতায়াতৰ উন্নত ব্যৱস্থা সুচল কৰাটো আদৰণীয় কাম। জলপ্ৰপাতৰ বাবে বিখ্যাত উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত মেঘালয়েই শ্ৰেষ্ঠ বুলি ক'ব পাৰি। kynrem জলপ্ৰপাতটো দেখি বৰ ভাল পালো। চোহৰাৰ পৰা ১৩ কিলোমিটাৰ দূৰৈত অৱস্থিত umwai sirdarship গাঁৱৰ পূব খাছি পাহাৰ জিলাৰ আটাইতকৈ দীঘল জলপ্ৰপাতটো যিটো জলপ্ৰপাত ভাৰতৰ সপ্তম দীৰ্ঘ জলপ্ৰপাত চাবলৈ পাই বিৰাট ভাল লাগিছে। এই জলপ্ৰপাতটো ১০০১ ফুট দীঘল জলপ্ৰপাত। মেঘালয়ৰ অন্যান্য ঠাই কিছুমান চাই এনেহেন লাগিল সেইখন ৰাজ্যও দেখোন এসময়ত অসমেই আছিল। আমি যদি এক হৈ থাকিলোহেঁতেন কিমান গৌৰৱৰ অধিকাৰী হ'লোহেঁতেন।

# সোলা মুখৰ হাঁহি

কলিমনৰ জীয়েক - জোঁৱায়েকহঁত যে আহি আছেহি। সিহঁতক ৰাতি ভাত খোৱাকৈ মাতিছোঁ। ভালেই হৈছে দিয়া। পিছে কলিমন আৰু ঘৈণীয়েককো লগতে আহিবলৈ নক'লা কিয় ? জীয়েকহঁত আহিলে দেখোন সিহঁত বুঢ়া-বুঢ়ীহালহে থাকিব। গতিকে একেলগে সিহঁতেও এসাঁজ খাই যাওকহি। এনেও আমাৰ জী-জোঁৱাইহতঁৰ লগতে আমাকো দেখোন খুৱাই- বুৱাই পঠিয়াই। কথাখিনি শেষ কৰিবলৈ নেপাওঁতেই মানুহজনীয়ে কৈ উঠিল। মাতিছো মাতিছো। সিহঁত দুয়োকো আহিবলৈ কৈ আহিছো। কেৱল বজাৰখিনি কৰি আনকগৈচোন। কলিমনকো মাতি অহা বুলি শুনি ভিতৰি ভিতৰি খুবেই আনন্দ পালোঁ। কাৰণ নিজৰ কেইজনীৰ বাবে বহুদিন হ'ল দুয়ো একেলগে বহি এনজয় কৰাৰ সুবিধাকণ মিলাব পৰা নাই। পিছে আমাৰ জনীক লৈহে অলপ চিন্তা। লেখাপঢ়া নথকাৰ হেতু বাহিৰা কথা বৰ বেছি নাজানিব পাৰে। মুখ হ'লে লাওপাত কচুপাত। কেতিয়াবা হেৰফেৰ হয় হৈছেই আৰু। ঘমঘণ্ট লগায়েই দিয়ে। মুঠতে মানুহ গৰু চাবলৈ নাই আৰু। দস্তুৰমত অমুকা যে মুনিহ সেইলৈ ভ্ৰূক্ষেপ নাই। চিধাচিধি পিঠিত ফলাখৰি ব্যৱহাৰ নকৰাকৈ নেৰে। সেয়ে কিছুমান কামত বুধি কৰি চলিব লগা হয়। মুঠতে সন্ধিৰ বাঁহ বুদ্ধিৰে কাটো আৰু। অৱশেষত যেনিবা চাৰিআলিৰ পৰা বজাৰ সমাৰখিনি লৈ ঘৰ পালোহি। পাৰ চৰাই এযোৰৰ লগতে বজাৰৰ মোনাখন মানুহজনীৰ হাতত দিলোঁ। মোনাখন খুলিয়েই চিঞৰি উঠিল। হেৰি আজি আকৌ এইটো কি জাতৰ খোৱা তেল আনিলা হয়নে। বুধি পাঙি অহা মতেই ক'লো। বোলে হেৰি অ' মাক। এইটো আচলতে অইন জাতৰ খোৱাতেল। পানীত মিহলাই খাব লাগে। বেলেগ আলহী হ'লে নানিলোহেঁতেন। পিছে কলিমনটো ইমান দিনৰ মূৰত আহিব যেতিয়া অলপ ভালকৈ শুশ্ৰূষা কৰিব নালাগিব জানো ? মিছা ক'লেনো কি হ'ব এইটোক আচলতে লিখিত ভাষাত আনন্দ ৰস বুলিয়েই কয়। কৈছোঁ নহয়, খালেই গা- মন একেবাৰে কিবা ৰঞ্জিত ৰঞ্জিত লাগে বুজিছা। গতিকে ভাত খোৱাৰ আগতে মাংস ভাজিৰে সৈতে এইটো আমাক উলিয়াই দিবা । বৰ ভাল পাব বুজিছা। বৰ ভাল পাব। কেৱল জোঁৱাইৰ আগত হ'লে ভুলতেও নিদিবা দেই। কলিমন আৰু মই বাৰাণ্ডাতে দিহা কৰিম । এইবোৰ জোঁৱাইৰ আগত ধৰিলে গুৰু নিন্দা কৰা বুজাই হেনো। ইতিমধ্যে সন্ধিয়া জীয়েক জোঁৱায়েক সহিতে কলিমনহঁত আহি ওলালাহি। চ'ৰাঘৰলৈ মাতি আনি বহুৱালো সিহঁতক। মানুহজনীয়ে চাহপানী দি ৰন্ধা বঢ়াত লাগিল। আমি ঘৰুৱা কথাবতৰা পাতি থাকিলোঁ। কিছুপৰ পিছত পাগঘৰত ৰন্ধা সামৰিলে মানুহজনীয়ে। তাৰপাছত আমাৰ ওচৰলৈ আহি এতিয়াই ভাত খাবহি নেকি বুলি সুধিলেহি । নিশাও ভালেখিনি হ'ল যেতিয়া খোৱাই ভাল হ'ব বুলি ক'লোঁ। হেৰৌ এনেতে বাঘে খোৱা জনীয়ে মাংস তিনি বাটিৰ সহিতে বটলটো আগত আনি দিব লাগেনে। খা বাপ্পেকে। বেচেৰা কলিমনটোৱে বহুদিনৰ মূৰত ৰঙা জিনিচটো সন্মুখত দেখি সৰগখন হাততে ঢুকি পোৱা যেন অনুভৱ কৰিলে হয়। কিন্তু জোঁৱায়েকটোৰ সন্মুখতে এনেকুৱা ভয়ংকৰ দূৰ্ঘটনা সংঘটিত হোৱাত মৰি যোৱা যেন হ'ল। ইফালে বেচেৰা জোঁৱায়েকেও চকু মুদি দিলে। ছেঃ। সৰ্বনাশ হ'ল। কেনেকৈনো চম্ভালো এতিয়া। অৱশেষত আকাশ পাতল চিন্তা কৰি বুধি এটা পাঙি লাহেকৈ আৰম্ভ কৰিলোঁ। তাকেই বুজিছে অসহনীয় হৈ পৰিছে চাৰিওপিনে হত্যা , হিংসাৰ জুয়ে ছানি ধৰিছে। শান্তি নাই। এইবোৰকে ভাৱি থাকোতে সিদিনা ৰাতি সপোনত স্বয়ং বাবাই সাক্ষাৎ দিলেহি বুজিছেনে। আৰু কি ক'লে জানানে। বোলে অতিথিক শান্তিৰ প্ৰতীক পাৰৰ মাংসৰে পানীয়কণ এদিন পান কৰোৱা। দেখিবা অপায় অমংগল আঁতৰি শান্তিৰে উপচি পৰিব। গতিকে বাবাৰ বিধান মতেহে এইভাগৰ দিহা কৰা হ'ল। অমুকাই তেনেকৈ ক'বহে পালোঁ কলিমনৰ জোঁৱায়েকৰ চকুকেইটা ডাঙৰকৈ মেলখোৱাৰ উপৰি ওঁঠৰ ওপৰেদি তৃপ্তিৰ হাঁহি এটি বাগৰি গ'ল। ইফালে আকৌ কলিমন বুঢ়াইও সোলা মুখখন চেঁপামাৰি ধৰি অমুকাই আনন্দ ৰস ঢালিবলৈ আৰম্ভ কৰা গিলাচ কেইটালৈ লোভনীয় দৃষ্টিৰে চাই ৰ'ল।

# অসম বিধান সভা হৈছে সৰ্বোচ্চ

প্ৰণয়ন কৰাৰ দিশত তেওঁ নতুন ইতিহাসৰ সূচনা কৰিছে। অসমৰ প্ৰতিগৰাকী সাংসদক লোকসভাত বিভিন্ন বিষয় উত্থাপন কৰিবলৈ লোকসভাৰ অধ্যক্ষ গৰাকীয়ে প্ৰেৰণা যোগাই আহিছে বুলিও তেওঁ কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উক্তি ভাষণ প্ৰসংগত উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে 'আমাৰ পৱিত্ৰ আৰু অংশীদাৰী মূল্যবোধৰ অন্যতম প্ৰতিভু হৈছে গণতন্ত্ৰ।' জি-২০ সন্মিলনৰ গৌৰৱোজ্জ্বল সময়ছোৱাত সদস্য দেশসমূহে ভাৰতক গণতন্ত্ৰৰ জননী হিচাপে স্বীকৃতি আৰু সন্মান প্ৰদৰ্শন কৰিছে। আমেৰিকা ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰীক দেখুৱা সন্মানে ভাৰতবৰ্ষক মহিমামণ্ডিত কৰি তুলিছে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰাচীন কালৰ পৰা ভাৰতবৰ্ষ হৈছে গণতন্ত্ৰৰ পীঠস্থান। পৃথিৱীৰ প্ৰাচীনতম আৰু বৃহত্তম গণতান্ত্ৰিক দেশ ভাৰতবৰ্ষত সংসদকে গণতন্ত্ৰৰ সৰ্বোচ্চ মন্দিৰ ৰূপে আখ্যা দিয়া হয়। তেওঁ কয় যে অসম বিধান সভা হৈছে সৰ্বোচ্চ গণতান্ত্ৰিক মঞ্চ। অসম বিধান সভাৰ এক গৰিমামণ্ডিত ইতিহাস আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতবৰ্ষৰ বিধান সভাসমূহৰ ভিতৰত অসম বিধান সভা হৈছে অনত্যম পুৰণি বিধান সভা। পৱিত্ৰ অসম বিধান সভাই ৰাজ্যখনৰ সামাজিক, সাংস্কৃতিক, শৈক্ষিক, অৰ্থনৈতিক ভেটি শক্তিশালী কৰণৰ দিশত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সকলো স্তৰৰ জনসাধাৰণক লগত লৈ সমান্তৰালভাৱে অসমৰ উন্নয়নৰ প্ৰক্ৰিয়াটোত এই বিধান সভাই এটা ডাঙৰ ভূমিকা পালন কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজধানী গুৱাহাটী মাজমজিয়াত অৱস্থিত এই নতুন বিধান সভা প্ৰকল্পৰ আৰ্হি এটা কীৰ্তিচিহ্নৰ দৰে। ই অসমৰ ধ্ৰুপদী তথা থলুৱা স্থাপত্যৰ পৰম্পৰা আৰু আধুনিকতাৰ সংগমক প্ৰতিফলিত কৰিছে। বিধান সভাৰ কক্ষসমূহ চহকী আৰু বৈচিত্ৰময় অসমীয়া শিল্প পৰম্পৰাৰে সজাই তোলা হৈছে। অসমৰ জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতি প্ৰতিফলিত হোৱা এই ভৱন ভাৰতৰ মহান গণতন্ত্ৰৰ মূল্যবোধৰ প্ৰতীক স্বৰূপ বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে অসম বিধান সভাৰ এক চহকী ইতিহাস আছে। বিগত সময়ছোৱাত কেইবাজনো মহান ব্যক্তিয়ে বিধান সভাৰ মজিয়া সুশোভিত কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰাজ্ঞ ব্যক্তিসকলৰ মাজত অসমৰ প্ৰথম প্ৰধানমন্ত্ৰী ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ আছিল এক সুকীয়া স্থান। ভাৰতৰত্ন গোপীনাথ বৰদলৈৰ স্মৃতি বিজড়িত অসম বিধান সভা ইতিহাসৰ বহু উল্লেখযোগ্য ঘটনাৰ সাক্ষী হৈ আছে বুলি তেওঁ কয়। তেওঁ লগতে কয় যে এই বিধান সভাৰ মজিয়াৰ পৰাই বিধানসভাৰ সদস্যসকলে খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষিত কৰা লাইন প্ৰথা বিলুপ্তিৰ বিৰুদ্ধে, অথবা কেবিনেট মিশ্যনৰ গ্ৰুপিং প্ৰস্তাৱৰ ভিত্তিত অসমখন পূব পাকিস্তানত যাতে অন্তৰ্ভুক্ত নহয় তাৰ বাবে বিৰামবিহীন যুঁজ দিছিল। গণতন্ত্ৰৰ এই মন্দিৰৰ পৰাই তেখেতসকলে খিলঞ্জীয়া ভূমিপুত্ৰসকলৰ অধিকাৰৰ বাবেও নিৰৱচ্ছিন্নভাৱে কাম কৰি গৈছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে অসম বিধানসভাৰ মজিয়াতে অসমত বিশ্ববিদ্যালয় স্থাপনৰ প্ৰথম চৰকাৰী প্ৰয়াস আৰম্ভ হৈছিল। অসম বিধান সভাত গোপীনাথ বৰদলৈয়ে উত্থাপন কৰা প্ৰস্তাৱৰ ভিত্তিত গুৱাহাটীত উচ্চ ন্যায়ালয় স্থাপনৰ সিদ্ধান্ত হৈছিল বুলিও তেওঁ কয়। বিধানসভাত শাসক-বিৰোধীৰ পূৰ্ণ সমৰ্থনত অসমত তেল শোধানাগাৰ স্থাপনৰ প্ৰস্তাৱ গৃহীত হৈছিল বুলি উল্লেখ কৰি তেওঁ কয় যে ক্ষমতা বিকেন্দ্ৰীকৰণেৰে গাঁও পঞ্চায়তসমূহক অধিক শক্তিশালী কৰা, গো-সুৰক্ষা নিশ্চিত কৰা, অসমৰ ভূমি ৰাহজ ব্যৱস্থাৰ পৰা জমিদাৰী প্ৰথা বিলুপ্ত কৰা, ৰাজ্যত বিভিন্ন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান গঢ়ি তোলা, শিক্ষানুষ্ঠানসমূহত ৰেগিঙৰ দৰে ভয়ানক ব্যাধি বন্ধ কৰা, সু-প্ৰশাসনৰ বাবে লোকসেৱা অধিকাৰ আইন প্ৰণয়ন কৰা, ব্যৱসায়-বাণিজ্য আৰু উদ্যোগীকৰণৰ অনুকুল পৰিৱেশ নিৰ্মাণৰ বাবে তথা ৰাজ্যৰ আৰ্থ-সামাজিক দিশ চুই যোৱা বহু গুৰুত্বপূৰ্ণ আইন অসম বিধান সভাৰ পৱিত্ৰ মজিয়াত বিগত বছৰবোৰত প্ৰণয়ন হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে অসম বিধান সভাক বহু উজ্জ্বল জ্যোতিষ্কই মহিমামণ্ডিত কৰি গৈছে। গৌৰীশংকৰ ভট্টাচাৰ্য সেইসকলৰ অন্যতম বুলি উল্লেখ কৰি তেওঁ কয় যে বিধান সভাৰ সদস্য হিচাপে তেওঁৰ ২৬ বছৰীয়া কাৰ্যকালত তথা বিৰোধীপক্ষৰ নেতা হিচাপে গৌৰীশংকৰ ভট্টাচাৰ্যই সমাজৰ বঞ্চিত আৰু দৰিদ্ৰ শ্ৰেণীৰ অধিকাৰৰ হকে দায়বদ্ধতাৰে কাম কৰিছিল। অসমৰ সাংস্কৃতিক আৰু সাহিত্য জগতৰ তিনি নক্ষত্ৰ ক্ৰমে ড° ভূপেন হাজৰিকা, বিষ্ণুপ্ৰসাদ ৰাভা আৰু লক্ষ্যধৰ চৌধুৰীও অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল। বিষ্ণুৰাম মেধি, ভীমবৰ দেউৰী, ৰূপনাথ ব্ৰহ্ম, অমিয় কুমাৰ দাস, পুষ্পলতা দাস, ফখৰুদ্দিন আলী আহমেদ, শৰৎ চন্দ্ৰ সিংহ, বিমলা প্ৰসাদ চলিহা, মহেন্দ্ৰ মোহন চৌধুৰী, দেৱকান্ত বৰুৱা, হিতেশ্বৰ শইকীয়া, তৰুণ গগৈৰ দৰে জননেতাসকলে এসময়ত অসম বিধানসভাৰ মজিয়া শুৱনি কৰিছিল বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই অনুষ্ঠানত অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, অসম বিধান সভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন, জাহাজ, বন্দৰ আৰু জল পৰিবহণ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পেট্ৰ'লিয়াৰ আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, মন্ত্ৰীসকল, সাংসদসকল, বিধায়কসকল, চৰকাৰৰ শীৰ্ষ বিষয়াসকল আৰু বিশিষ্ট ব্যক্তি সকল উপস্থিত থাকে।

# কোকৰাঝাৰত অগপৰ বিশাল কৰ্মকৰ্তা

সন্মিলনত ভাষণ দি দলটোৰ সভাপতি অতুল বৰাই কয় যে বৰাক-ব্ৰহ্মপুত্ৰ পাহাৰ-ভৈয়ামৰ প্ৰতিটো লোকসভা সমষ্টিৰ লগতে কোকৰাঝাৰ লোকসভা সমষ্টিৰ অন্তৰ্গত অগপৰ কৰ্মকৰ্তাসকলৰ উৎসাহ-উদ্দীপনাই আমাক আপ্লুত কৰিছে। সভাপতি বৰাই কয় যে আমি অত্যন্ত দৃঢ় হৈছো যে অগপক আগন্তুক নিৰ্বাচনসমূহত দলৰ নিষ্ঠাৱান কৰ্মকৰ্তাসকলে শক্তিশালীভাৱে থিয় কৰোৱাৰ লগতে অগপক এক নতুন প্ৰাণ দিব। বৰাই লগতে কয় তৃণমূল পৰ্যায়ৰ নিষ্ঠাৱান কৰ্মকৰ্তাসকলৰ ত্যাগ, কষ্ট আৰু উদ্যমেই অগপৰ মূল চালিকাশক্তি। কোকৰাঝাৰত থকা অগপৰ এই অক্লান্ত সৈনিকসকলক কোকৰাঝাৰবাসীৰ মৰম আৰু আশীৰ্বাদক শিৰোধাৰ্য কৰি কোকৰাঝাৰ লোকসভা সমষ্টিৰ অন্তৰ্গত প্ৰতিটো বিধানসভা সমষ্টিত অগপৰ সাংগঠনিক ভেটি শক্তিশালী কৰাত নিষ্ঠাৰে মনোনিবেশ কৰি যাবলৈ সভাত সভাপতিগৰাকীয়ে আহ্বান জনায়। সভাৰ আৰম্ভণিতে মিত্ৰদল ইউ পি পি এৰ বহুসংখ্যক প্ৰতিনিধিয়ে সভাপতি অতুল বৰাক শুভেচ্ছা জনায়। সভাত উপস্থিত থাকি দলৰ কাৰ্যকৰী সভাপতি তথা মন্ত্ৰী কেশৱ মহন্তই বড়োলেণ্ড স্বায়ত্তশাসিত অঞ্চলত শক্তিশালী ৰূপত উজ্জীৱিত হৈছে অসম গণ পৰিষদ আৰু জাতি-ধৰ্ম নিৰ্বিশেষে সকলোৰে হৃদয় স্পৰ্শ কৰিছে অসম গণ পৰিষদে বুলি উল্লেখ কৰে। কাৰ্যকৰী সভাপতি মহন্তই দলৰ সভাপতি অতুল বৰাৰ বলিষ্ঠ নেতৃত্বত নতুন ধ্যান-ধাৰণাৰে দল আগবাঢ়িছে বুলি মন্তব্য কৰে। বিশেষ কৰ্মকৰ্তা সন্মিলনত অগণন কৰ্মকৰ্তাৰ স্বতঃস্ফূৰ্ত সমৰ্থনে বড়োলেণ্ড স্বায়ত্তশাসিত অঞ্চলত সাংগঠনিক ভেটি শক্তিশালী কৰাৰ বাবে কৰ্মকৰ্তাসকলে পূৰ্ণোদ্যমেৰে আত্মনিয়োগ কৰি আহিছে বুলি কৈ মহন্তই মিত্ৰজোঁটৰ শক্তিশালী অংশীদাৰ হিচাপে বিটিআৰৰ সৰ্বাংগীণ কল্যাণৰ হকে সহযোগিতা আগবঢ়াই যাবলৈ অসম গণ পৰিষদ সদায় দায়বদ্ধ বুলি কয়। মহন্তই লগতে কয় যে অসম গণ পৰিষদ শক্তিশালী হোৱা মানেই মিত্ৰজোঁট শক্তিশালী হোৱা। এইবাৰ লোকসভা নিৰ্বাচনত বিটিআৰৰ নীলিম আকাশত মিত্ৰজোঁটৰ বিজয়ধ্বজা উৰুৱাৰ বাবে অসম গণ পৰিষদক অধিক প্ৰাণৱন্ত কৰিবলৈ কৰ্মকৰ্তাসকলক কাৰ্যকৰী সভাপতিগৰাকীয়ে আহ্বান জনায়। সন্মিলনত আদৰণী ভাষণ প্ৰদান কৰে দলৰ সাধাৰণ সম্পাদক ভূপেন ৰায়ে। সভাত দলৰ জ্যেষ্ঠ নেতা ফণীভূষণ চৌধুৰীয়েও দলৰ সাংগঠনিক দিশ শক্তিশালী কৰা সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। সভাত অগপৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি প্ৰশান্ত কুমাৰ বৰুৱা, জ্যোতিষ দাস, তাৰাপ্ৰসাদ দাস, দিলীপ পাটগিৰী, আক্ৰাম হুছেইন, সাধাৰণ সম্পাদক সত্যব্ৰত কলিতা, সম্পাদকসকল, বিষয়ববীয়াসকল, অগপৰ কোকৰাঝাৰ লোকসভা সমষ্টিৰ অন্তৰ্গত জিলা সমিতি আৰু বিধান পৰিষদসমূহৰ সভাপতি, সম্পাদক আৰু বিষয়ববীয়াসকল, অগপৰ বিভিন্ন স্তৰৰ জ্যেষ্ঠ-কনিষ্ঠ নেতা আৰু বিষয়ববীয়াসকল, অসম যুৱ পৰিষদ, অসম ছাত্ৰ পৰিষদ, অসম কৃষক পৰিষদ, অসম মহিলা পৰিষদ প্ৰমুখ্যে আন ভাতৃ-ভগ্নী সংগঠনৰ বিষয়ববীয়াসকল, কৰ্মকৰ্তাসকল সভাত উপস্থিত থাকে।

### ৰাজীৱ শৰ্মাক সভাপতি আৰু হেমন্ত চৌধুৰীক সম্পাদক হিচাপে চাৰি বছৰৰ বাবে নিৰ্বাচিত


# কামৰূপ জিলা ক্ৰীড়া সন্থাৰ নতুন সমিতি গঠন

**অসম ভূমি সেৱা, উত্তৰ গুৱাহাটী ঃ** কামৰূপ জিলা ক্ৰীড়া সন্থাৰ যোৱা ৩০ জুলাইত বাৰ্ষিক সাধাৰণ অধিৱেশন অনুষ্ঠিত হয়। আমিনগাঁও লোকনিৰ্মাণ বিভাগৰ অতিথিশালাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সাধাৰণ সভাতে কামৰূপ জিলা ক্ৰীড়া সন্থাৰ আগন্তুক চাৰি বছৰৰ বাবে এখন পূৰ্ণাংগ সমিতি গঠন কৰা হয়। কামৰূপ জিলাৰ ৩৬টা ক্ৰীড়া সংগঠনৰ প্ৰতিনিধি উপস্থিতি থকা সাধাৰণ সভাত পুৰণি সমিতিৰ প্ৰতিবেদন পাঠ কৰে সম্পাদক প্ৰাঞ্জল বুঢ়াগোহাঁয়ে। সভাত সভাপতিত্ব কৰে ৰাজীৱ শৰ্মাই। সভাত পৰৱৰ্তী চাৰি বছৰৰ কাৰণে কামৰূপ জিলা ক্ৰীড়া সন্থাৰ নতুন সমিতি গঠন কৰা হয়। ৰাজীৱ শৰ্মাক সভাপতি, ডাঃ কাৰ্তিক মেধিক কাৰ্যকৰী সভাপতি, ৰাতুল শৰ্মাক জ্যেষ্ঠ উপ-সভাপতি, প্ৰাঞ্জল বুঢ়াগোহাঁই, অসীম চমুৱা, বাপুকণ আলী, চন্দন কুমাৰ নাথক উপ-সভাপতি, মুখ্য মন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয় হেমন্ত চৌধুৰীক সাধাৰণ সম্পাদক, মুকুটেশ্বৰ গোস্বামী, বীৰেন্দ্ৰ কুমাৰ দাস গৌতম বৈশ্য, প্ৰভাত কলিতা, অঞ্জন কলিতা, ফিৰোজ আলী, উত্তম ব্ৰহ্মক জ্যেষ্ঠ যুটীয়া সম্পাদক, কৰুণা শইকীয়াক কোষাধ্যক্ষ, কৌশিক দাসক প্ৰচাৰ সম্পাদক, নিতোপম মেধিক সহকাৰী প্ৰচাৰ সম্পাদক আৰু প্ৰচাৰ বিভাগৰ উপদেষ্টা হিচাপে গোবিন্দ দাস, প্ৰবীণ কুমাৰ দাস আৰু দিগন্ত শৰ্মা, গংগাধৰ দাস, ড° হাচনুৰ আলী, সমৰজ্যোতি তামুলী প্ৰমুখ্যে কেইবাজনো কাৰ্যনিৰ্বাহক সদস্যক লৈ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ পূৰ্ণাংগ সমিতিখন গঠন কৰা হয়। উল্লেখ্য, কামৰূপ জিলা ক্ৰীড়া সন্থাৰ নতুন সমিতি গঠন প্ৰক্ৰিয়াত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে অসম অলিম্পিক সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য জেহিৰুল হক, কামৰূপ জিলাৰ ক্ৰীড়া বিষয়া খনীন্দ্ৰ মুদৈ উপস্থিত থাকে। সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়া পৰিচালনা কৰে জ্যেষ্ঠ অধিবক্তা সীমান্ত ডেকাই। কামৰূপ জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সভাখন পৰিচালনা কৰে ৰিবেন কুমাৰ দাসে।

## ৰঙিয়াৰ বৈদ্যগড়ত কিক বক্সিং পৰিচালনা সমিতি গঠন

**অসম ভূমি সেৱা, ৰঙিয়া ঃ** সদৌ অসম কিক বক্সিং প্ৰতিযোগিতাত বৈদ্যগড় অঞ্চলৰ কেইবাগৰাকী প্ৰশিক্ষাৰ্থীয়ে পদক অৰ্জন কৰাৰ পিছত যোৱা ৩০ জুলাইত বৈদ্যগড় কিক বক্সিং পৰিচালনা সমিতি এখন গঠন কৰা হয়। অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে যুৱপ্ৰজন্মক কিক বক্সিঙৰ ক্ষেত্ৰত আগ্ৰহী কৰাৰ উদ্দেশ্য আগত ৰাখি সমিতিখন গঠন কৰা হয়। বৈদ্যগড় হাইস্কুল প্ৰাংগণত অনুষ্ঠিত সভাখনৰ আঁত ধৰে বৈদ্যগড় গাঁও পঞ্চায়তৰ সভাপতি দুলু ভূএগাই। সভাখনত অঞ্চলটোৰ যুৱ ব্যৱসায়ী নিপন ভূএগাই ভাষণ প্ৰসংগত কয় যে ম'বাইলত চলা অনলাইন গেমসমূহে নৱপ্ৰজন্মক ধ্বংসৰ গৰাহলৈ ঠেলি দিয়াৰ সময়তে কিক বক্সিঙৰ দৰে খেলে ছাত্ৰ-ছাত্ৰীসকলক শাৰীৰিক তথা মানসিক দিশত উৎকৰ্ষ সাধনৰ বাবে সহায় কৰিব। সভাখনৰ অন্তত নিপন ভূএগাক সভাপতি, বিজু দে' আৰু বিতোপন কলিতাক উপ-সভাপতি, বীৰলাল আলীক সম্পাদক, নৱ কলিতাক সহঃ সম্পাদক, গোলোক ৰাজবংশীক কোষাধ্যক্ষ, দেৱদত্ত ৰাজবংশী, ভূপেন ঠাকুৰীয়া, দুলু ভূএগা, নিৰঞ্জন ৰাজবংশী, পংকজ কলিতা আৰু চামাদ আলীক উপদেষ্টা আৰু ভজন বিশ্বাস, উৰ্মিলা কলিতা, ৰণ্টু কলিতা আৰু প্ৰভাত লহকৰক সদস্য হিচাপে লৈ এখন সমিতি গঠন কৰা হয়। আগন্তুক সময়ত সমিতিখনে অঞ্চলটোত কিক বক্সিঙক আৰু অধিক জনপ্ৰিয় কৰি তুলিবলৈ চেষ্টা কৰিব বুলি সিদ্ধান্ত গ্ৰহণ কৰে।

**সাপ্তাহিক অসম ভূমিলৈ বা-বাতৰি, লেখা প্ৰেৰণৰ বাবে যোগাযোগ নম্বৰ-**
**৯৮৫৯১-৯৪৫৩৫**
**৯৮৬৪৫-২৮৫২৩**
**ই-মেইল ঃ**
**ssplghy@gmail.com**





অসম ভূমি ২ আগষ্ট, ২০২৩

সম্পাদকৰ মেজৰ পৰা ...

# কৰ্কট ৰোগীৰ ভয়াৱহ সংখ্যা বৃদ্ধি

কেন্সাৰ বা কৰ্কট ৰোগক দুৰাৰোগ্য হিচাপে গণ্য কৰা হয়। এই ৰোগৰ কোনো প্ৰতিষেধক এই পৰ্যন্ত আৱিষ্কাৰ হোৱা নাই অথবা আৰোগ্য হোৱাৰ এশ শতাংশ নিশ্চিতি থকা কোনো দৰৱ বা চিকিৎসা পদ্ধতিও নাই। দেশে দেশে চৰকাৰী অথবা ব্যক্তিগত পৰ্যায়ত কৰ্কট ৰোগ সম্বন্ধে নানা গৱেষণা তথা পৰীক্ষা-নিৰীক্ষা চলিছে। কিন্তু এই ৰোগৰ উৎপত্তিৰ নিশ্চিত কোনো কাৰণ বিজ্ঞানীয়ে চিহ্নিত কৰিব পৰা নাই। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ কৰ্কট ৰোগে ভয়াৱহ ৰূপ ধাৰণ কৰিছে বুলি ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ ৰাষ্ট্ৰীয় কেন্সাৰ পঞ্জীয়ন প্ৰ'গ্ৰেমৰ (এনচিআৰপি) শেহতীয়া তথ্যত প্ৰকাশ পাইছে। যোৱা পাঁচ বছৰত দেশত পঞ্জীয়ন কৰা মুঠ কৰ্কট ৰোগীৰ ৩.৬ শতাংশই হৈছে উত্তৰ-পূবৰ। ২০২০ চনত পুৰুষ-মহিলা মিলি উত্তৰ-পূবত মুঠ ৫০,৩১৭ গৰাকী কৰ্কট ৰোগী পঞ্জীয়ন হৈছিল। ২০২১ চনত সেই সংখ্যা বৃদ্ধি হৈ ৫১,৬৭৫ গৰাকী হয়। ২০২২ চনত উত্তৰ-পূবত মুঠ ৫৩,০৪৬ গৰাকী পঞ্জীয়ন হয় আৰু ইয়াৰে ৩৯,৭৮৭ গৰাকীয়েই অসমৰ। সেই বছৰটোত উত্তৰ-পূবৰ কেইখনমান ৰাজ্যত পঞ্জীয়ন কৰা কৰ্কট ৰোগীৰ সংখ্যা এনে ধৰণৰ— মেঘালয়ত ৩,০২৫, ত্ৰিপুৰাত ২,৭১৫, মিজোৰামত ১,৯৮৫, মণিপুৰত ২,০৯৭, নাগালেণ্ডত ১,৮৫৪ আৰু অৰুণাচল প্ৰদেশত ১,০৮৭ গৰাকী। এনচিআৰপিৰ তথ্য অনুসৰি অসমত ২০২০ চনত ৩৭,৮৮০ আৰু ২০২১ চনত ৩৮,৮৩৪ গৰাকী কৰ্কট ৰোগী পঞ্জীয়ন হয়। সংস্থাটোৱে প্ৰকাশ কৰা তথ্যত কোৱা হৈছে উত্তৰ-পূবত ২০২৮ চনত ৪৭,৮৮১ গৰাকী, ২০১৯ চনত ৪৯০৬৭ গৰাকী আৰু ২০২০ চনত ৫০,৩১৭ গৰাকী কৰ্কট ৰোগী পঞ্জীয়ন কৰা হয়। উত্তৰ-পূবত কৰ্কট ৰোগীৰ সংখ্যা উদ্বেগজনকভাৱে বৃদ্ধি হৈ অহাৰ বিপৰীতে এই ৰোগত মৃত্যুৰ সংখ্যাও উপেক্ষা কৰিব পৰা নহয়। বিগত বৰ্ষত অৰ্থাৎ ২০২২ চনত অসমতে ২৩,৯৭৪ গৰাকী লোকৰ কৰ্কট ৰোগত মৃত্যুমুখত পৰে। একেদৰে ২০২১ চনত ২৩,৩৯৫ গৰাকী আৰু ২০২০ চনত ২২,৮২৪ গৰাকীৰ কৰ্কট ৰোগত মৃত্যু হৈছে। ইয়াৰ উপৰি বিগত বৰ্ষত মেঘালয়ত ১,৯৮০, ত্ৰিপুৰাত ১,১৫১, মিজোৰামত ১,২৭২, মণিপুৰত ১,২২০, নাগালেণ্ডত ১,০৬০ আৰু অৰুণাচল প্ৰদেশত ৬৭০ গৰাকী কৰ্কট ৰোগীয়ে প্ৰাণ হেৰুৱায়। এইবোৰ তথ্য নিঃসন্দেহ উদ্বেগজনক। ৰাষ্ট্ৰীয় পৰ্যায়তো কৰ্কট ৰোগত আক্ৰান্ত লোকৰ সংখ্যা উদ্বেগজনভাৱে বৃদ্ধি পাইছে। যোৱা ২০২২ চনত কেন্দ্ৰীয়শাসিত অঞ্চলত আৰু ৰাজ্যসমূহক সামৰি ১৪,৬১,৪২৭ গৰাকী লোক কৰ্কট ৰোগত আক্ৰান্ত হোৱাৰ বিপৰীতে এই ৰোগত মৃত্যু হোৱা ৰোগীৰ সংখ্যা ৮,০৮,৫৫৮ গৰাকী। অসমৰ প্ৰেক্ষাপটত বিগত তিনি বছৰত অৰ্থাৎ ২০২০-২১ আৰু ২০২২ চনত সৰ্বমুঠ ১,১৬,৫০১ গৰাকী কৰ্কট ৰোগীৰ ভিতৰত ৬৯,১৯৩ গৰাকীৰ মৃত্যু হৈছে। নিচাযুক্ত দ্ৰব্য আৰু ধঁপাত সেৱন আদি কৰ্কট ৰোগ সৃষ্টিৰ কাৰণ বুলি সময়ে সময়ে কৈ অহা হৈছে যদিও সিয়েই একমাত্ৰ কাৰণ বুলি বিজ্ঞানীসকলে মানি লোৱা নাই। যিয়ে নহওক, অসমত কৰ্কট ৰোগীৰ চিকিৎসাৰ সুবিধা সীমিত। পূৰ্বতে অসমৰ ৰোগীৰ বাবে চেন্নাইৰ আদিয়াৰত থকা কেন্সাৰ হাস্পতালত কেইখনমান আসন সংৰক্ষিত আছিল। তাৰ পাছত মুম্বাইৰ টাটা ইনষ্টিটিউটত সেই ব্যৱস্থা কৰা হ'ল। এতিয়াও উক্ত প্ৰতিষ্ঠানত অসমৰ অনেক কৰ্কট ৰোগী চিকিৎসাধীন হৈ আছে। অসমতো কৰ্কট ৰোগীক চিকিৎসা প্ৰদান কৰাৰ বাবে চৰকাৰে কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এনে সুবিধাবোৰৰ সম্প্ৰসাৰণ কৰা আৰু কেন্সাৰ হাস্পতালবোৰৰ আধুনিকীকৰণ কৰাৰ প্ৰয়োজন আছে।



# ডাঙৰ মানুহৰ কথা আৰু কাম

মিনুপ্ৰভা পাঠক হাজৰিকা

গুৱাহাটীৰ পশ্চিম প্ৰান্তত অৱস্থিত জাৰোবৰী নামৰ এই সৰু ঠাইখনক চহৰৰ ভিতৰতে অন্তৰ্ভুক্ত যদিও গাঁও বুলিয়ে ক'ব পাৰি। কিয়নো মানুহখিনিয়ে বৰ মিলাপ্ৰীতিৰে বাস কৰি আছে সেই তাহানি কালৰে পৰা। কাষতে লাগি থকা পাহাৰখনে যেন ঠাইখনক সুৰক্ষা দি আছে। ঠাইখনৰ প্ৰাকৃতিক সৌন্দৰ্য বৰ মনোৰম। সেয়েহে চহৰৰ ডাঙৰ ডাঙৰ মানুহবোৰে এইফালে খোজ কাঢ়িবলৈ আহে।

ৰূপম, বাবলু, মুনু, ৰহিত, মুন্না, স্বপ্না, জয়শ্ৰী আদি এই ল'ৰা-ছোৱালীকেইটা প্ৰায় একেঘৰ মানুহৰ ল'ৰা-ছোৱালীৰ দৰে থাকে। সিহঁতে একেখন বিদ্যালয়তে পঢ়ে। ৰূপমৰ আইতাকৰ নাম সুভদ্ৰা। অঞ্চলটোৰ সকলোৰে মৰমৰ সুভদ্ৰা আইতা সৰু ল'ৰা-ছোৱালীকেইটাৰ বাবে সুভদ্ৰা আইতা আৰু মাক-দেউতাকহঁতৰ সুভদ্ৰা বৰমা, সুভদ্ৰা জেঠাই। ৰূপম, বাবলু, মুন্নাহঁতে ওচৰতে থকা খালী হৈ থকা মুকলি ঠাইখনতে স্কুলৰ পৰা আহি খেলা-ধূলা কৰে। আজি কেইদিনমানৰ পৰা আইতাকে লক্ষ্য কৰি আছে যে ল'ৰা-ছোৱালীকেইটা স্কুলৰ পৰা আহিয়েই কুঁৱাৰ পাৰলৈ গৈ বাল্টিত পানী আৰু মগ এটা লৈ যায়। তাকে দেখি আইতাকে বোৱাৰীয়েক বিনীতাক চিঞৰি সুধিলে যে ইহঁতে পানীৰ বাল্টি লৈ ক'ত যায়। ৰূপমৰ মাক বিনীতাই ক'লে যে মা আপুনি নাজানে নেকি ইহঁতে সেই খালী ঠাইখিনিত ইহঁত মুন্না, ৰহিত, ৰূপমহঁতে গছপুলি ৰইছে।

হয় নেকি। সুভদ্ৰা আইতা আচৰিতে হ'ল এই সৰু ল'ৰা-ছোৱালীকেইটাৰ মনত ইমান সুন্দৰ চিন্তা আহিছে। বৰ ভাল কথা। লগে লগে সুভদ্ৰা আইতাই সিহঁতে গছ ৰোৱা ঠাইখিনি চাবলৈ গ'ল। দেখিলে যে লচমন বুঢ়াই জেওৰা বান্ধিব লাগিছে। আইতাকে ক'লে লচমন তয়ো লাগিব ধৰিছ। হয় বুঢ়ী মাই। দেখা নাই ইমান গৰম। গছ নাথাকিলে গৰম বাঢ়ি যায় ৪৫-৪৯ হৈছে। তই কেনেকৈ জানিলি? কিয় বুঢ়ী মাই খবৰ কাগজত মুন্নাহঁতে পঢ়িছে নহয়। 'বাঃ বৰ ভাল কথা।

সুভদ্ৰা আইতাই হিচাপে কৰি পালে যে ল'ৰা-ছোৱালীকেইটাই প্ৰায় বিশডালমান গছপুলি ৰোপণ কৰিছে। লচমন বুঢ়াৰ সহযোগত সিহঁতে ওচৰে-পাঁজৰে পোৱা আম, কঁঠাল, মধুৰিআম, বগৰী, নেমু, ডালিম, নিম, আঁহতৰ লগতে গোলাপ, তগৰ, নাৰ্জি শেৱালি, তুলসী আদি গছো ৰুইছে। মুঠতে ছন পৰি থকা মাটিখিনিৰ ভালেমান অংশত সিহঁতে বৃক্ষৰোপণ কৰিছে। আগতে তাত ঘাঁহ আৰু কচু আদি সৰু সৰু গছহে আছিল। মুঠতে ছন পৰি থকা ঠাইখিনি দেখিবলৈও শুৱনি হৈ উঠিছে।

জেওৰা বন্ধা কাম শেষ কৰি লচমন বুঢ়া সুভদ্ৰাৰ আইতাৰ কাষতে বহিল। আৰু ক'বলৈ ধৰিলে— 'বুঢ়ী মাই আমি গছ কটা বন্ধ কৰিব লাগিব। ডাঙৰ মানুহবোৰে যে অট্টালিকাবোৰ বান্ধে, অট্টালিকাৰ কাম আৰম্ভ কৰাৰ লগে লগে চাৰিওফালে অন্ততঃ বিশ-পঁচিশডালমান গছ ৰোৱাটো চৰকাৰেও বাধ্যতামূলক কৰিব লাগে। গছে যে অক্সিজেন দিয়ে সেই কথাটো গছবিলাকৰ ফলক লগাই লিখি দিব লাগে। জধে-মধে গছ কটাতো আইনবিৰুদ্ধ হ'ব লাগে। বুঢ়ী মাই মানুহ বাস কৰা বাসভূমিৰ মাজে মাজে জলজভূমিও থাকিব লাগে। তেতিয়াহে কল-কাৰখানাৰ পৰা ওলোৱা কাৰ্বন-ডাই-অক্সাইডত পানীত মিহলি হৈ যাব। লচমনৰ কথা শুনি সুভদ্ৰা আইতাই আচৰিত হৈ সুধিলে— তই কেনেকৈ ইমান কথা জানিলি লচমন। কিয় বুঢ়ী মাই মই যে কাম কৰো মাষ্টৰনী বাইদেউৰ ঘৰত। সেই বাইদেৱে এই কথাবোৰ কৈ থাকে। বাইদেউ হেনো মুন্নাহঁতৰ বিজ্ঞানৰ বাইদেউ। মুন্নাহতেও জানে। বাইদেৱে হেনো মুন্নাহঁতক এই কথাবোৰ পঢ়াই থাকে। গছবোৰ ডাঙৰ হ'লে বাইদেউক মাতি আনি দেখুৱাম।

এনেকৈ ৰূপম, বাবলু, মুন্না, লচমনহঁতে গছবোৰ তদাৰক কৰি থাকে। সিহঁতৰ মনত বৰ আনন্দ। গছবোৰ ডাঙৰ হ'বলৈ ধৰিছে। চুবুৰিটোৰ মানুহেও তেওঁলোকক বহুত ধন্যবাদ দিছে যে অন্ততঃ গছকেইডালে চুবুৰিটোক ছাঁ দিব। গছৰ তলত জিৰাব পাৰিব।

কেইদিনমান পাছত হঠাতে কোনোবাই ৰূপমক খবৰ দিলে যে এখন বুলডজাৰে গছবোৰ এফালৰ পৰা মহটিয়াই আছে। খবৰটো শুনি ৰূপম দৌৰি গ'ল। বাবলু, মুন্নাহঁতেও আহিল, সুভদ্ৰা আইতা, লচমন, চুবুৰীয়াসকলেও আহি আগুৰি ধৰি গছবোৰ ধ্বংস নকৰিবলৈ অনুৰোধ কৰিলে কিন্তু তেওঁলোক নাচোৰবান্দা সেই মাটিখিনি হেনো কোনোবা ডাঙৰ মানুহে কিনি লৈছে— তাত হেনো এটা ফেক্টৰী হ'ব।

ৰূপম, মুন্নাহঁতে কান্দি কান্দি বেহুঁচ হৈ পৰিল। আইতাক সুভদ্ৰাই নেদেখাজনক প্ৰাৰ্থনা জনালে। ব'ল বোপাইহঁত ঘৰলৈ ব'ল। ডাঙৰ মানুহবোৰে গছ গছ ৰুবলৈও কয় আৰু গছ কাটেও। আমি সৰু মানুহবোৰ কোন কুটা। লচমনে ক'লে বুঢ়ী মাই মুন্নাহঁতৰ বাবে কেইটামান মাটিৰ টাব আনি দিম। তাতেই সিহঁতে গছপুলি ৰুব। সুভদ্ৰা আইতাই দীঘলকৈ এটা হুমুনিয়াহ কাঢ়িলে। ডাঙৰ মানুহবোৰৰ কথা আৰু কামৰ যে কোনো ঠিক নাই সেই কথা সকলোৰে উপলব্ধি কৰিলে।

# নাৰী যদি ব্যৰ্থ, পুৰুষৰ নাথাকিব অৰ্থ

শৈলেন কুমাৰ

নাৰীক মহিলা অথবা স্ত্ৰী বুলি জনা যায়। যি শ্ৰেষ্ঠ আৰু পূজনীয় সেয়া মহিলা। নিজৰ চকুপানী নেদেখুৱাই আনৰ চকুপানী মোচাৰ সাহস একমাত্ৰ নাৰীৰ থাকে। শত্ৰুৰ আগত ঢাল হৈ থিয় দিয়াৰ সাহস নাৰীৰ থাকে। স্ত্ৰী প্ৰকৃতিৰ অন্যতম সৃষ্টি যাৰ অবিহনে প্ৰকৃতিৰ পৰিকল্পনাই কৰিব নোৱাৰি। মহিলাক বুজি পাবলৈ বহুত কঠিন, নাৰী কোমল যদিও কঠোৰো সিমানেই। এবাৰ এজন ব্যক্তিৰ পানী পিয়াহ লগাত নৈৰ ওচৰত গ'ল, নদীৰ ওচৰত গৈ প্ৰত্যক্ষ কৰিলে যে এগৰাকী গাভৰু মহিলাই নদীৰ পানী কলহত ভৰাই আছিল। ব্যক্তিজনে মহিলাগৰাকীৰ ওচৰত গৈ পানী খাবলৈ ইচ্ছা প্ৰকাশ কৰাত মহিলাগৰাকীয়ে ব্যক্তিজনক পানী খাবলৈ দিলে। পানী খোৱাৰ পাছত ব্যক্তিজনে মহিলাগৰাকীক প্ৰশ্ন কৰিলে— 'আপুনি বাৰু মোক মহিলাৰ ক্ৰিয়া চৰিত্ৰৰ বিষয়ে ক'ব পাৰিব নেকি?' ব্যক্তিজনৰ প্ৰশ্নত মহিলাগৰাকীয়ে চিঞঁৰিবলৈ আৰম্ভ কৰিলে— 'মোক বচোৱা বুলি' আৰু গাঁওখনৰ মানুহক মাতিব ধৰিলে। মহিলাৰ এনে আচৰণ দেখি ব্যক্তিগৰাকী আচৰিত হোৱাত মহিলাগৰাকীক সুধিলে— 'আপুনি এনেকুৱা কিয় কৰিছে? আপুনি গাঁওখনৰ মানুহক কিয় মাতিছে?' তেতিয়া মহিলাগৰাকীয়ে উত্তৰ দিলে— 'আপোনাক পিটন দি উচিত শিক্ষা দিয়াৰ বাবে গাঁৱৰ মানুহক মাতিছো।' তেতিয়া ব্যক্তিজনে ক'লে— 'মই আপোনাক বহুত ভদ্ৰ মহিলা বুলি ভাবিছিলো।' গাঁওখনৰ মানুহ ওচৰ চাপি অহাত মহিলাগৰাকীয়ে কলহত ভৰোৱা পানীখিনি নিজৰ দেহত ঢালি ল'লে আৰু সম্পূৰ্ণৰূপে তিতি গ'ল। গাঁওখনৰ মানুহখিনিয়ে ওচৰত আহি মহিলাগৰাকীক তোমাৰ কি হ'ল বুলি প্ৰশ্ন কৰিলে। তেতিয়া মহিলাগৰাকীয়ে উত্তৰ দিলে— 'মই নদীত পিছলি পৰি গৈছিলো, তেতিয়া এই ভদ্ৰ ব্যক্তিজনে মোক উদ্ধাৰ কৰিলে আৰু যদি ব্যক্তিজনে মোক উদ্ধাৰ নকৰিলে হে মোৰ মৃত্যু নিশ্চিত আছিল।' গাঁৱৰ মানুহে তেতিয়া ব্যক্তিজনক আদৰ-সম্ভাষণ জনাই সন্মানিত কৰিলে লগতে পুৰস্কাৰো প্ৰদান কৰিলে। যেতিয়া গাঁওখনৰ মানুহ গুচি গ'ল তেতিয়া মহিলাগৰাকীয়ে ব্যক্তিজনক ক'লে— 'এতিয়া বুজি পালে নাৰীৰ ক্ৰিয়া চৰিত্ৰ কি?' যদি কোনোবাই নাৰীক দুখ-কষ্ট দিয়ে তেতিয়া নাৰীয়ে তাৰ সুখ-শান্তি নোহোৱা কৰিব পাৰে আৰু যদি নাৰীক সুখত ৰাখে তেতিয়া নাৰীয়ে মৃত্যুৰ মুখৰ পৰাও উদ্ধাৰ কৰিব পাৰে। নাৰীক বুজি পোৱাটো বহুত কঠিন নাৰীয়ে সহ্য আৰু ধৈৰ্য ধৰে তাৰবাবে পুৰুষসকলে নিজক পুৰুষ হিচাপে স্বীকৃতি দিব পাৰে, নাৰী নিজে সৰু হয় যাৰবাবে উচ্চতা পায় পুৰুষৰ অহংকাৰৰ আকাশ। নাৰী ব্যৱস্থিত যাৰবাবে পুৰুষসকল অব্যৱস্থিত হয়। নাৰীয়ে সদায় মৰ্যাদাত থাকে তাৰবাবে পুৰুষে সদায় সীমা উলংঘা কৰিব পাৰে। পুৰুষক জীৱিত ৰখাৰ বাবে নাৰী। নাৰী সমৰ্পিত হয় বাবে কেতিয়াবা নাৰী তিৰস্কাৰৰ পাত্ৰ আৰু লাঞ্ছিত-বাঞ্চিত হ'ব লগা হয়। নাৰী স্বাভিমানী হয় একমাত্ৰ পুৰুষৰ অভিমান জীয়াই ৰাখিবলৈ। গতিকে নাৰী যদি ব্যৰ্থ তেতিয়া পুৰুষৰো নাথাকিব কোনো অৰ্থ।



চুটিগল্প

# জীয়াৰ থকাৰ অমোঘ মন্ত্ৰ

ৰুমী কলিতা দত্ত

বিৰিখৰ প্ৰভাতী পক্ষীৰ সম্ভাষণত মানুৱে সাৰ পাই উঠে। ন-সূৰুযে ভুমুকি মৰাৰ আগতেই তাই বাহী-বন কৰি শেষ নকৰিলে শাহুৱেকৰ গালি-শপনিত দিনটো নাযায়-নুপুৱায়।

অনাগত দিনবোৰত তাই কেনেকৈ আগবাঢ়িব ভাবিবলৈ ধৰিছে। ন-সূৰুযৰ ন-প্ৰভাতে জানো তাইৰ মনটো জীপাল কৰিব পাৰিব?


দিনটো ইটোৰ পিছত সিটো কাম কৰি কৰি তাইৰ অৱশ হৈ পৰে। সন্ধিয়া সকলোৱে টিভিৰ আগত বহি সময়বোৰ অতিবাহিত কৰিছিল।

এটাৰ পিছত এটা বছৰ কেলেণ্ডাৰৰ দিনপঞ্জী চাই তাই পাৰ কৰিব লগা হৈছে।

যোৱা বছৰ স্বামীক কাকুতি-মিনতি কৰি এটা ম'বাইল অনোৱাই লোৱাৰ পৰা তাই নিজকে অকলশৰীয়া বুলি ভাবিবলৈ এৰিছে।

কাৰণ তাই সকলো কাম শেষ কৰি নিজৰ বাবে কিবা এটা কৰাৰ মানসেৰে লেখাবোৰ পঢ়িবলৈ আৰম্ভ কৰিলে।

যিদিনাৰ পৰা তাই সেই কামটো হাতত লৈছিল সিদিনাৰ পৰাই তাই নিজকে অকলশৰীয়া বুলি ভাবিবলৈ এৰিলে।



তাই দেশ-বিদেশৰ খবৰৰ লগতে তাত বহুজনৰ প্ৰেৰণাত লিখা-মেলা কৰিবলৈ আৰম্ভ কৰিছিল।

আজি তাই এজনী ভাল লেখিকা হিচাপে পৰিচয় পাবলৈ সক্ষম হৈছে।

নিজৰ প্ৰতিভা বিকাশ কৰি ম'বাইলৰ সৎ ব্যৱহাৰ কৰি নিজকে প্ৰতিষ্ঠিত কৰিব পাৰিছে। ঘৰখনৰ মানুহবোৰৰ গালি-গালাজবোৰকে তাই আশীৰ্বাদ বুলি ভাবি তাই নিজকে আগুৱাই নিবলৈ যত্নপৰ হৈছে।

এই যে লেখাবোৰ এতিয়া তাইৰ প্ৰাণৰ, জীৱনীশক্তি স্বৰূপ। এতিয়া মনৰ দুৱাৰত টোকৰ মাৰে কবিতাই।

তাই এতিয়া ভাল পায় জোনালী আকাশ আৰু সেউজীয়া ধাননি পথাৰ। তাই টুলুঙা নাৱত ব'ঠা বাওঁতে বাওঁতে জীৰ্ণ-শীৰ্ণ হৈ পৰা শৰীৰটোৱে এতিয়া জীৱনৰ নতুন ফুলপাহ ফুলাবলৈ যত্ন কৰিছে।

তাই কবিতাৰ যোগেদি সংগ্ৰাম কৰিব, তাই শৰতৰ নীলিম আকাশৰ বুকুত লিখিব। তাই আজি নিজকে অকলশৰীয়া বুলি নাভাবে।

চঞ্চলা গাভৰু হৈ বগৰী ফুলা সপোন ৰচিব, জীৱনটো স্থবিৰ হ'বলৈ তাই নিদিয়ে। এয়াই হ'ব তাই জীৱনৰ জীয়াই থকাৰ অমোঘ মন্ত্ৰ।

অণুগল্প

# ব'হাগ

হিমাংশু পাঠক

সমীৰণে আহি নিবেদিতাক খবৰটো দিলে। প্ৰতিটো ব'হাগেই নিবেদিতাৰ কাৰণে নতুন উৎসাহ। সমীৰণৰ মুখেৰে ওলাই অহা প্ৰতিটো শব্দই নিবেদিতাৰ কাণৰ পৰ্দা তীব্ৰ জোৰে আঘাত কৰিবলৈ ধৰিলে।

নিবেদিতাই দৌৰ মাৰি ঘৰৰ ভিতৰলৈ সোমাই গ'ল আৰু আলমাৰিটো খুলি গামোচাখন বুকুখনৰ বিষটোৰ ওপৰতে হেঁচা মাৰি ধৰি বাকৰুদ্ধ হৈ পৰিল।

এতিয়া যে ব'হাগবোৰ বগা সাজেৰে তাইৰ জীৱনলৈ আহিব।

# কৰ্মফল

সমুজ্জ্বল ডেকা

মানৰ জীৱনত অনেক সময়ত সহস্ৰজনে জীৱনটোক উপভোগ কৰিব বিচাৰে। কিন্তু জীৱন মানেই কেৱল উপভোগ নহয়। আনন্দ-নিৰানন্দ স্বাক্ষৰো সংযুক্ত হৈ থাকে। দিনবোৰ একেই নাথাকে আৰু দুখবোৰ প্ৰতিপল নাথাকে। সময়ৰ সোঁতত বহুতেই উটি যায় আৰু বহুতেই থাকি যায় জীৱনৰ বাটত। নিশাৰ পিছত প্ৰভাত দুখৰ পিছত সুখ নিশ্চিত। মানুহৰ মৃত্যুত মানুহে কান্দে। কিন্তু সেই মৃত্যুত কন্দা মানুহজনৰো এদিন মৰণ হ'ব। অজস্ৰ মনুষ্য বা মানৱে টকা-পইচা, সম্পত্তি আদিক লৈ নানান অহংকাৰ কৰে। কিন্তু মৃত ব্যক্তিৰ আত্মা টকাৰে কোনেও ঘূৰাই আনিব নোৱাৰে। গতিকে এইবোৰ এক সময়ৰে খেলা। ক্ৰিকেট খেলৰ দৰে কোনোবাই জীৱন যুদ্ধৰ খেলত ৬ কোবাব আৰু কোনোবাই আউট হ'ব। অলেখ মানুহে অলেখ মানুহক ভাল পায়। কিন্তু কিছুমানৰ ভাল লাগে। অৰ্থাৎ ভাল লগা আৰু ভালপোৱা সম্পূৰ্ণ বেলেগ। কিন্তু এটা সময়ত সময়ে দি যায় বিশ্বাসৰ পাঠ। বিশ্বাস হেৰাই গ'লে দূৰত্ব বাঢ়ি যায় আৰু দূৰত্ব বাঢ়ি গ'লে গুৰুত্ব কমি যায়। গুৰুত্ব কমি গ'লে দায়িত্ব হেৰাই যায়। সেয়েহে আনক ভালপোৱাৰ আগতে মানুহে প্ৰথমতে নিজক ভাল পাই নিয়ন্ত্ৰণ কৰা উচিত চলন্ত জীৱনৰ ৰে'লখনৰ অনিৰুদ্ধ গতিৰ সুমতিৰ সঠিক দিশ। সময় অনুসৰি কামবোৰ কৰিলেহে ভাগ্যৰ দুৱাৰ খোলা যায়।

# দ্য ইনফ্ৰাষ্ট্ৰাকচাৰ মেন



**ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ নেতা আৰু বৰ্তমান মহাৰাষ্ট্ৰৰ উপ-মুখ্য মন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছৰ পিতৃ গংগাধৰ ৰাও ফাড়নবিছ। ১৯৮৭ চনত বিধান পৰিষদৰ সদস্য হৈ থাকোতেই গংগাধৰ ৰাওৰ হঠাৎ কেঞ্চাৰ ৰোগত মৃত্যু হয়। পাৰ্টিয়ে গাডকাৰীক গংগাধৰ ৰাওৰ মৃত্যুৰ পিছত খালী হোৱা বিধান পৰিষদৰ পদক পূৰ্ণ কৰাৰ বাবে নাগপুৰ মণ্ডলৰ গ্ৰেজুৱেট নিৰ্বাচন ক্ষেত্ৰত প্ৰতিনিধি হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ সিদ্ধান্ত গ্ৰহণ কৰে। তেওঁ এই নিৰ্বাচনত ১৯৮৯ চনত মাত্ৰ ৩১ বছৰ বয়সত জয়লাভ কৰে আৰু মহাৰাষ্ট্ৰ বিধান পৰিষদৰ আটাইতকৈ যুৱ সদস্য হয়। ইয়াৰ পিছত তেওঁ পৰৱৰ্তী ২০ বছৰলৈকে মহাৰাষ্ট্ৰ বিধান পৰিষদৰ সদস্য হৈ থাকে।**

‘সপোন দেখুওৱা নেতাজন জনতাৰ বৰ প্ৰিয়। কিন্তু যেতিয়া সেই নেতাই জনতাক দেখুওৱা সপোন পূৰণ কৰিব নোৱাৰে, তেতিয়া জনতাই তেওঁক পৰাজিত কৰে। সেয়ে সপোন সেইটোৱেই দেখুৱাওক যিটো আপুনি পূৰণ কৰিব পাৰে।’ এই কথাষাৰ যিজন ৰাজনেতাই কৈছে সম্প্ৰতি তেওঁ ভাৰতৰ এনে এজন নেতা যিজনৰ মাজত আমি দেখিবলৈ পাওঁ স্পষ্ট দৃষ্টিকোণ, দৃঢ়সংকল্প, কৰ্মদক্ষতা আৰু দেশ আৰু সমাজহিতৰ দূৰদৰ্শী চিন্তা। তেওঁ জনতাক প্ৰদান কৰা প্ৰতিটো প্ৰতিশ্ৰুতি নিষ্ঠাসহকাৰে পূৰণ কৰি দেখুৱায়। তেওঁ নিজৰ এই কৰ্মবাদী মনোভাবেৰে কেৱল জনতাৰ মাজতে নহয় শাসক-বিৰোধী নেতাসকলৰ মাজতো এক বিশেষ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। সম্প্ৰতি তেওঁ নৰেন্দ্ৰ মোডীৰ নেতৃত্বত চলা কেন্দ্ৰীয় চৰকাৰৰ এজন সফল মন্ত্ৰী। তেওঁ নিজৰ ন বছৰীয়া কাৰ্যকালত ভাৰতৰ আন্তঃগাঁথনিৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষকৈ পথ পৰিবহণত যি দ্ৰুত বিকাশ আৰু উন্নয়ন কঢ়িয়াই আনিলে সেয়া ভাৰতীয় ইতিহাসত আগতে কেতিয়াও হোৱা নাছিল। সেয়ে তেওঁক ভাৰতৰ ‘দ্য ইনফ্ৰাষ্ট্ৰকচাৰ মেন’ বুলি কোৱা হয়। ইমান সময়ে হয়তো আপোনালোকেও বুজি পাইছে মই কোনজন ৰাজনেতাৰ বিষয়ে কৈছো। হয়, মই যিজন ৰাজনেতাৰ বিষয়ে কৈছো তেওঁ আন কোনো নহয়, তেওঁ হ’ল বৰ্তমান ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন জয়ৰাম গাডকাৰী।

কথাতে কয়, এখন দেশৰ বিকাশ আৰু উন্নয়ন নিৰ্ভৰ কৰে দেশখনৰ পথ বা ৰাস্তাৰ ওপৰত। কাৰণ পথবোৰেই হ’ল এখন দেশৰ হাওঁফাওঁ, যিবোৰে দেশৰ প্ৰগতিক আগবঢ়াই নিয়ে। উদাহৰণস্বৰূপে আমি আমেৰিকা যুক্তৰাষ্ট্ৰৰ কথা ক’ব পাৰো। যি আমেৰিকাই আজি বিশ্বক শাসন কৰিছে, সেই আমেৰিকাৰ সফলতাৰ আঁৰত থকা প্ৰধান কাৰণটোৱে হ’ল উন্নতমানৰ পৰিবহণ ব্যৱস্থা। এই প্ৰসংগত আমেৰিকাৰ উদ্যোগপতি হেনৰি ফৰ্ডে কৈছিল— ‘US does not have good roads because it’s rich, but rich because it have good roads.’ আমেৰিকাৰ এই উন্নয়নৰ পথকে অনুসৰণ কৰি তেওঁ ভাৰতকো বিকশিত দেশ হিচাপে গঢ়ি তুলিব বিচাৰে। ইতিমধ্যেই তেওঁ এই লক্ষ্যত দ্ৰুত গতিত আগবাঢ়িছে আৰু কৈছে— ‘India will get America like highways in next 3 years.’ আজি আমি এই প্ৰবন্ধটোৰ জৰিয়তে ইয়াকে জানিবলৈ যত্ন কৰিম তেওঁ কেনেকৈ নিজৰ লক্ষ্য অভিমুখে (অৰ্থাৎ আমেৰিকাৰ দৰে পথ নিৰ্মাণৰ দিশে) দ্ৰুত গতিত আগবঢ়িছে। কিন্তু তাৰ আগতে তেওঁৰ বিষয়ে কিছু কথা চমুকৈ জানি লোৱা যাওক।


নীতিন গাডকাৰীৰ জন্ম ১৯৫৭ চনৰ ২৭ মে’ তাৰিখে মহাৰাষ্ট্ৰৰ নাগপুৰত এক মাৰাঠী ব্ৰাহ্মণ পৰিয়ালত হৈছিল। তেওঁৰ মাতৃৰ নাম ভানুতাই গাডকাৰী আৰু পিতৃৰ নাম জয়ৰাম ৰামচন্দ্ৰ গাডকাৰী। তেওঁলোকৰ পৰিয়াল পুৰণি নাগপুৰ অঞ্চলৰ মেহেল নামৰ ঠাইত বসবাস কৰিছিল, যিটো ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মুখ্য কাৰ্যালয়ৰ ওচৰত আছিল। তেওঁৰ পৰিয়াল আৰ্থিকভাৱে বৰ বেছি সচ্ছল নাছিল। তেওঁৰ মাতৃ তেওঁৰ জীৱনৰ প্ৰেৰণাৰ উৎস আছিল, যি কথা তেওঁ নিজৰ বিভিন্ন ভাষণত অকপটে স্বীকাৰ কৰিছে। তেওঁ পাঁচ বছৰ বয়সৰ পৰাই নিজৰ মাকৰ সৈতে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ বিভিন্ন সভাবোৰত গৈছিল। তেওঁৰ সম্পূৰ্ণ পৰিয়ালে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ লগত ঘনিষ্ঠভাৱে জড়িত আছিল।

**মাণিক পাল**

তেওঁ কম বয়সতে ৰাজনীতিত সক্ৰিয় হৈ পৰে আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ছাত্ৰ সংগঠন অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদত (ABVP) যোগদান কৰে। তেওঁ নাগপুৰৰ জি. এছ. কলেজ অব্ কমাৰ্চ এণ্ড ইকʼনমিকছৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰি নাগপুৰ বিশ্ববিদ্যালয়ৰ আইন কলেজত নামভৰ্তি কৰে। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘে প্ৰথম অৱস্থাত ৰাজনৈতিক কামক এৰাই চলিছিল, তেতিয়াই সত্তৰৰ দশকত মধুকৰ দত্তাত্ৰেয় দেওৰাছৰ নেতৃত্বত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘেও ৰাজনীতিত সংক্ৰিয় হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইন্দিৰা গান্ধীৰ বিৰুদ্ধে জয়প্ৰকাশ নাৰায়ণে কৰা আন্দোলনত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই সংক্ৰিয়ভাৱে কাম কৰে। গাডকাৰী সেই সময়ত পৰিপক্ক হৈ উঠিছিল। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ আৰু তেওঁৰ ৰাজনৈতিক যাত্ৰা প্ৰায় একেলগে আৰম্ভ হয়। বিজেপিৰ আন সকলো নেতাৰ দৰে গাডকাৰীয়েও দেশৰ জৰুৰীকালীন সময়ত সক্ৰিয়ভাৱে কাম কৰিছিল, যিবোৰ ঘটনাক তেওঁ প্ৰায়ে গৰ্বৰে ৰোমন্থন কৰে। ১৯৮০ চনত বিজেপি গঠনৰ পিছত তেওঁ বিজেপিৰ যুৱমঞ্চ, ভাৰতীয় জনতা যুৱা মৰ্চাত যোগদান কৰে আৰু ইয়াৰ নাগপুৰ শাখাৰ সভাপতি হিচাপে দায়িত্ব গ্ৰহণ কৰে। সেই সময়তে তেওঁ তেওঁৰ বন্ধুৰ লগত মিলি এক সাধাৰণ আচবাব-পত্ৰৰ দোকানৰ ব্যৱসায় আৰম্ভ কৰে আৰু ১৯৮৪ চনত কাঞ্চন গাডকাৰীৰ লগত বিবাহপাশত আবদ্ধ হয়। ১৯৮৫ চনত তেওঁ নাগপুৰ পশ্চিমৰ পৰা মহাৰাষ্ট্ৰ বিধানসভাৰ বাবে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি পৰাজয় স্বীকাৰ কৰে। ইয়াৰ পিছত তেওঁ পুনৰ কেতিয়াও বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰে। তেওঁৰ ৰাজনৈতিক গুৰু আছিল ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ নেতা আৰু বৰ্তমান মহাৰাষ্ট্ৰৰ উপ-মুখ্য মন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছৰ পিতৃ গংগাধৰ ৰাও ফাড়নবিছ। ১৯৮৭ চনত বিধান পৰিষদৰ সদস্য হৈ থাকোতেই গংগাধৰ ৰাওৰ হঠাৎ কেঞ্চাৰ ৰোগত মৃত্যু হয়। পাৰ্টিয়ে গাডকাৰীক গংগাধৰ ৰাওৰ মৃত্যুৰ পিছত খালী হোৱা বিধান পৰিষদৰ পদক পূৰ্ণ কৰাৰ বাবে নাগপুৰ মণ্ডলৰ গ্ৰেজুৱেট নিৰ্বাচন ক্ষেত্ৰত প্ৰতিনিধি হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ সিদ্ধান্ত গ্ৰহণ কৰে। তেওঁ এই নিৰ্বাচনত ১৯৮৯ চনত মাত্ৰ ৩১ বছৰ বয়সত জয়লাভ কৰে আৰু মহাৰাষ্ট্ৰ বিধান পৰিষদৰ আটাইতকৈ যুৱ সদস্য হয়। ইয়াৰ পিছত তেওঁ পৰৱৰ্তী ২০ বছৰলৈকে মহাৰাষ্ট্ৰ বিধান পৰিষদৰ সদস্য হৈ থাকে। ১৯৯৫ চনত যেতিয়া মহাৰাষ্ট্ৰত বিজেপি-শিৱসেনাৰ চৰকাৰ গঠন হয়, তেতিয়া তেওঁ লোকনিৰ্মাণ কাৰ্য বিভাগৰ মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰে। এই চৰকাৰখনে মহাৰাষ্ট্ৰৰ মুম্বাইত ৫৫ খন উৰণীয়া সেতু আৰু মুম্বাই-পুনে চহৰক সংযোগ কৰিবলগীয়া ছয়লেনযুক্ত এক্সপ্ৰেছ ৱে’ নিৰ্মাণ কৰিব বিচাৰিছিল। ইয়াৰ দায়িত্ব নীতিন গাডকাৰীক প্ৰদান কৰা হয়। তেওঁ মাত্ৰ দুই বছৰৰ ভিতৰতে এই এক্সপ্ৰেছ ৱে’ৰ কাম সম্পূৰ্ণ কৰি দেখুৱায়। তেওঁৰ এই সফলতাৰ বাবে শিৱসেনাৰ জনপ্ৰিয় নেতা বালাচাহেব থাকৰেই তেওঁক ‘ৰোডকাৰী’ নাম প্ৰদান কৰে। ১৯৯৯ চনত বিজেপি-শিৱসেনাৰ মৰ্চাই মহাৰাষ্ট্ৰৰ নিৰ্বাচনত পৰাজিত হয় আৰু ৰাজ্যত শাৰদ পাৱাৰৰ নেতৃত্বত কংগ্ৰেছ-এন চি পিৰ চৰকাৰ গঠন হয়। তেতিয়া গাডকাৰী বিধান পৰিষদৰ বিৰোধী নেতা হয়। ইয়াৰ পিছত অটল বিহাৰী বাজপেয়ীয়ে তেওঁক ভাৰতৰ আন্তঃগাঁথনি সমিতিৰ ইনচাৰ্জ নিযুক্ত কৰে। ২০০৪ চনত তেওঁ মহাৰাষ্ট্ৰ বিজেপিৰ অধ্যক্ষ নিযুক্ত হয়। ২০০৯ চনৰ পৰা ২০১৩ চনলৈ তেওঁ বিজেপিৰ ৰাষ্ট্ৰীয় অধ্যক্ষৰ দায়িত্ব পালন কৰে। ২০১৪ চনৰ লোকসভা নিৰ্বাচনত তেওঁ মহাৰাষ্ট্ৰৰ নাগপুৰৰ পৰা সাংসদ হিচাপে নিৰ্বাচিত হৈ মোডী চৰকাৰৰ কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ নিৰ্মাণ মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। যি দায়িত্ব তেওঁ এতিয়াও পালন কৰি আছে।

তেওঁ মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিয়ে দেশত দ্ৰুত গতিত পথ নিৰ্মাণৰ কাম আৰম্ভ কৰে, ফলত ভাৰতে পথ নিৰ্মাণত বিশ্বত বিভিন্ন অভিলেখ সৃষ্টি কৰে। লগতে তেওঁৰ কামে ভাৰতত এক নতুন পথৰ জাল সৃষ্টি কৰে। যাৰ ফলত তেওঁক স্পাইডাৰ মেন আৰু বিকাশ পুৰুষ নামৰ উপাধিও প্ৰদান কৰা হয়। তেওঁ কেৱল ভাৰতৰ অভ্যন্তৰত নহয় ভাৰতৰ সীমান্তৱৰ্তী এলেকা বিশেষকৈ চীন আৰু পাকিস্তান বৰ্ডাৰতো পথৰ দ্ৰুত বিকাশ সাধন কৰে। দেশৰ চহৰবোৰত সৃষ্টি হোৱা ট্ৰেফিক জামৰ সমস্যাক চিৰদিনৰ বাবে নিঃশেষ কৰিবলৈ তেওঁ গ্ৰীন এক্সপ্ৰেছ ৱে’ নিৰ্মাণত গুৰুত্ব প্ৰদান কৰে। তেওঁৰ এই পৰিকল্পনাৰ অধীনতে ৪২ খন গ্ৰীন এক্সপ্ৰেছ ৱে’ৰ কাম দ্ৰুত গতিত চলি আছে। তেওঁৰ এই ৯ বছৰীয়া *৯ পৃষ্ঠাত*

# নাৰীৰ নিৰাপত্তা



এইখন শান্তিৰ দেশ। শান্তিৰ দেশত সংস্কৃতিৰ কণ্ঠস্বৰ। তাৰ মাজত ধূলি আৰু ধুমুহাৰ কোলাহল।

আজি মই মোৰ স্বাস্থ্যজনিত কাৰণত চৰকাৰী কৰ্মৰাজিৰ পৰা ছুটী ল'লোঁ। এনেতে এজন বন্ধুৱে ফোন কৰিলে মোৰ খবৰ ল'বলৈ। মই ক'লো— তেওঁ পৰামৰ্শ হিচাপে কিছু আগুৱাই উত্তৰ দিলে— 'ডক্টৰক এবাৰ ভালকৈ দেখাই লওক। আৰু অসুবিধাটো একো নাই? আপোনাৰ ঘৰখনৰ বিশ্বাসী তলাটো আছেই।'

মই একমত হ'ব নোৱাৰিলো। তলাটো ভাঙি লণ্ডভণ্ড কৰিব পাৰে চোৰে। যেনেকৈ আজি জোনমণিৰ কাণ্ডই মানুহৰ ওপৰত থকা বিশ্বাস হেৰুৱাই পেলাইছে। ঘৰখনৰ তলাটোৰ দৰে তাই বিশ্বাস কৰিছিল সতীৰ্থসকলক। উৰলি যোৱা ঘৰখনৰ তাই উশাহ হৈছিল মাক আৰু ককায়েকৰ। লগতে সাধাৰণ জনতাৰ সুপ্ৰভাতৰ নৱশক্তি বীৰাংগনা। শিক্ষা শেষ কৰি জীৱনৰ লক্ষ্য আছিল তাইৰ পুলিচ অফিচাৰ হোৱা প্ৰথম প্ৰেম। লক্ষ্যত উপনীত হৈছিল। হোৱাৰ পিছত ক্ষমতালোভী এচামৰ কবলে সাধাৰণ মানুহৰ আৱেগৰ বাবে সত্যৰ পথত যোৱাটোৱেই তাইৰ বাবে কাল অমানিশা মাতি আনিলে। গাৰ নোমেই শত্ৰু হ'ল। যেন তাইৰ হাতত মৃত্যুৰ পাৰপত্ৰ। অস্তিত্বৰ দাঁতিত খন্তেক জিৰণি ল'বলৈও তাই সময় নাপালে। এবাৰো তাই গাভৰু গুণমুগ্ধই পিছলৈ উভতি চাবলৈ সুযোগ নাপালে।

**মীনাক্ষী বৰুৱা সূত**

যিখন দেশত নাৰীৰ আদৰ-যত্নৰ প্ৰতি সদাসচেতন ব্যক্তি আমাৰ মাজত আছে, সেইখন দেশতে দুৰ্নীতিৰ কবলৰ মানৱে নাৰীক ধৰ্ষণ, হত্যা, লুণ্ঠন কৰিছে। এয়া চাগৈ মানসিক বিকৃতি।

সকলো নিজৰ নিজৰ মগজুৰ গুণাগিৰি।

আঁত ধৰা তলাটোৰ কথাষাৰলৈ আহো। মানুহ ব্যস্ততাৰ প্ৰতীক। সময় কাৰো বাবে ৰৈ নাথাকে। কোনোবা ৰাস্তাৰ দাঁতিত এক্সিডেণ্ট হৈছে চকু পৰিও কোনো লোকে নেদেখাৰ ভাও জুৰি ৰং চাব পাৰে। কোনো লোকে হাবাথুৰি খাই প্ৰাণ ৰক্ষা কৰে। কোনো এজনে এইজনী বা সেইটো পৰিলেও চা বুলি কৈ গহীনাই আড্ডা মাৰি থাকিব পাৰে। আৰু একোজনে 'হা আমুকা'- বুলি কৈ হাঁহিৰ ভাষ্য দিব পাৰে। কথাবোৰ কোনো গুৰুত্ব নিদিয়ে। নিজেই নিজক বুজে। নিজেই নিজৰ বাবে শুদ্ধ। এইখনেই সমাজ। এইখনেই আমাৰ সোণৰ অসমত মামৰ ধৰা মগজু। কেতিয়াও সলনি নোহোৱা এচাম ব্যক্তি আছে আমাৰ সমাজত। আমি সেই পথৰ পথিক হৈছো। কেতিয়াও নিজৰ ক'ত কিবা ভুল আছে নেকি বুলি অনুসূচনা কৰিবলৈ চেষ্টা নকৰো। আপুনি যিমানেই শুদ্ধ কামেৰে নিজৰ কৰ্মৰাজিত ব্যস্ত নাথাকক কিয় এচামে আপোনাক কেৱল হীন দৃষ্টিৰে প্ৰতিপন্ন কৰিব বিচাৰিব। কিন্তু তেনে লোকৰ জীৱনটো কেৱল আনৰ সমালোচনাৰে লিপ্ত হৈ অসুখীৰে আগুৱাই যায় লুকা-ভাকু খেলাৰে। শুদ্ধ মানসিকতাৰ মানুহক তেনে মানসিকতাই কেতিয়াবা আঘাত কৰে। পংগু কৰি পেলাইছে সেই লেতেৰা মগজুৰ দুৰ্নীতিগ্ৰস্ত মানসিকতাই আমাৰ সংস্কৃতি তথা সমাজখনক। ভাবিলে বেয়া লাগে।

সাগৰৰ পানীত সাঁতুৰিবলৈ জন্তুৰ কৌশল থকাৰ দৰে মানুহৰো তেনেকৈ বিভিন্ন ধৰণৰ কৌশল আছে।

গতিকে হে বন্ধু সঁচাই তুমি কোৱাৰ দৰেই কাম কৰিছো। কৰ্ম কৰিবলৈ গৈছো ঘৰটোৰ সাৰথি তলাটোকে দি থৈ গৈছো। তুমি কোৱাৰ দৰে আমাৰ বিশ্বাসী তলাটোক সজাইছো। হ'লেও বহুতো লোক এই কথাত সুখী নহয়। মাথোন খন্তেকৰ সাৰথি। জীৱনৰ কোনো নিৰাপত্তা নোহোৱাৰ দৰেই। পৃথিৱীত যথেষ্ট অমংগল আৰু যান্ত্ৰণা দেখিছো। মানুহেই মানুহৰ বাবে বিহ ৰোপণ কৰিছে।

# কটন কলেজৰ গৰিমা




পূৰ্বৰ কটন কলেজ আৰু বৰ্তমানৰ কটন বিশ্ববিদ্যালয় নামটো যেন প্ৰতিগৰাকী অসমীয়া লোকৰ বাবে এক আৱেগ জড়িত হৈ থকা এটা নাম। অসমৰ প্ৰতিটো প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীসকলে কটন কলেজত অধ্যয়ন কৰিবলৈ সুযোগ পোৱাটো এক সৌভাগ্য বুলি অনুভৱ কৰে। কটন কলেজত অধ্যয়ন কৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে নিজকে কটনিয়ান বুলি কৈ গৌৰৱ অনুভৱ কৰে। কটন কলেজত পঢ়িবলৈ হ'লে ছাত্ৰ-ছাত্ৰীসকল অতি মেধাসম্পন্ন হোৱাটো বাঞ্ছনীয়। উচ্চতৰ মাধ্যমিকত কটন কলেজত নামভৰ্তি কৰিবলৈ হ'লে প্ৰতিবছৰে ছাত্ৰী-ছাত্ৰীসকলে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ভাল নম্বৰ লাভ কৰিব লাগে। কিন্তু চলিত বৰ্ষত যেন কটন কলেজৰ এই ধাৰাৰ কিছু পৰিৱৰ্তন হোৱা পৰিলক্ষিত হৈছে। সংবাদ মাধ্যমত প্ৰচাৰিত বাতৰি অনুসৰি অসমৰ আটাইতকৈ পুৰণি আৰু শিক্ষাৰ প্ৰাণকেন্দ্ৰ হিচাপে পৰিগণিত কটন কলেজত উচ্চতৰ মাধ্যমিকৰ কলা আৰু বিজ্ঞান শাখাত আসন অনুপাতে নামভৰ্তি কৰিবলৈ আবেদন কৰা ছাত্ৰ-

**দেৱৰ্ষি গৌতম**

ছাত্ৰীৰ সংখ্যা কম। চলিত বৰ্ষৰ জুলাই মাহৰ ৫ তাৰিখলৈকে পূৰ্বৰ কটন কলেজ আৰু বৰ্তমানৰ কটন বিশ্ববিদ্যালয় কৰ্তৃপক্ষই পাঁচবাৰকৈ নামভৰ্তিৰ বাবে জাননী জাৰি কৰাৰ পিছতো আসন খালী হৈ থকা বিষয়টো শৈক্ষিক মহলত এক চিন্তাৰ কাৰণ হিচাপে দেখা দিছে। যি সময়ত ব্যক্তিগত খণ্ডৰ স্কুল কলেজত ছাত্ৰ-ছাত্ৰীসকলে নামভৰ্তিৰ বাবে নিম্নতম নম্বৰ ৯০ শতাংশৰ ওপৰত পাব লাগে তেনে সময়ত অসমৰ এখন আগশাৰীৰ চৰকাৰী পূৰ্বৰ কলেজ আৰু বৰ্তমানৰ বিশ্ববিদ্যালয়ত বিজ্ঞান শাখাত ৮৭.৬৭ শতাংশ তথা কলা শাখাত ৮৩.৫০ শতাংশ নম্বৰ লাভ কৰাৰ পিছত নামভৰ্তিৰ সুযোগ লাভ কৰাৰ পিছতো কৰ্তৃপক্ষই নামভৰ্তিৰ বাবে দিয়া শেষৰ জাননীখনত স্পষ্টকৈ উল্লেখ কৰা আছে বিজ্ঞান শাখাত ৭ খন আৰু কলা শাখাত ৯ খন আসন খালী হৈ আছে। কটন কলেজৰ ইতিহাসত হয়তো এয়া এক নজিৰ সৃষ্টি কৰা এক ঘটনা। যদি কটনৰ দৰে গৰিমামণ্ডিত অসমৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠানত এনেকুৱা পৰিস্থিতিৰ সৃষ্টি হৈছে তেনেহ'লে অসমৰ অন্য শিক্ষানুষ্ঠানসমূহৰ কি অৱস্থা সেয়া নক'লেও সহজেই অনুমেয় হ'ব। অসমৰ ছাত্ৰ সমাজক প্ৰতিনিধিত্ব কৰা কটন কলেজত নতুনকৈ ছাত্ৰ-ছাত্ৰীসকলে নামভৰ্তি কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰা বিষয়টোৱে এক নেতিবাচক বাৰ্তা বহন কৰিছে।

বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কটন কলেজৰ পূৰ্বৰ গৰিমা আৰু মৰ্যাদা ক্ৰমান্বয়ে হ্ৰাস হ'বলৈ আৰম্ভ হৈছে যাৰ ফলত ছাত্ৰী-ছাত্ৰীসকলে কটন কলেজত নামভৰ্তি কৰাৰ পৰিৱৰ্তে ইয়াৰ বিকল্প হিচাপে অন্য মহাবিদ্যালয় অথবা কনিষ্ঠ মহাবিদ্যালয়ত নামভৰ্তি কৰিবলৈ আগ্ৰহী হৈছে। কটন কলেজৰ দৰে এখন আগশাৰীৰ আৰু গৰিমামণ্ডিত চৰকাৰী শিক্ষানুষ্ঠান থকাৰ পিছতো ছাত্ৰ-ছাত্ৰীসকলে বিকল্পৰ সন্ধান কৰা বিষয়টোৱে অসমৰ শিক্ষা ব্যৱস্থাৰ ওপৰত এক বৃহৎ প্ৰশ্ন চিহ্ন উত্থাপন কৰিব। হয়তো পূৰ্বৰ দৰে কটন কলেজত অধ্যয়ন কৰি নিজৰ শৈক্ষিক ভৱিষ্যৎ সুৰক্ষিত নহ'ব বুলি বহুতো ছাত্ৰী-ছাত্ৰীয়ে অনুভৱ কৰিবলৈ আৰম্ভ কৰিছে। যাৰ ফলত মেধাসম্পন্ন ছাত্ৰী-ছাত্ৰীসকলে কটন অধ্যয়ন কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰা নাই। এই সকলোবোৰ বিষয়ক গুৰুত্বসহকাৰে লৈ কটন বিশ্ববিদ্যালয় কৰ্তৃপক্ষ তথা শিক্ষা বিভাগে এক সূক্ষ্ম পৰ্যালোচনা কৰি কিবা ইতিবাচক পদক্ষেপ গ্ৰহণ কৰাটো বৰ্তমান সময়ত অতিকৈ প্ৰয়োজনীয় হিচাপে বিবেচিত হৈছে। অন্যথা কটন কলেজৰ পূৰ্বৰ যি মৰ্যাদা আৰু গৰিমা আছিল সেয়া অতীতৰ বুকুত বিলীন হৈ যাব। অসমীয়া জাতিৰ আৱেগ আৰু স্বাভিমান কটন কলেজ যদি অতীত হৈ যায় তেনেহ'লে অসমীয়া হিচাপে আমি আৰু কেতিয়াও গৌৰৱ কৰিবলৈ সক্ষম নহ'ম। অসমীয়া জাতিৰ আৱেগ আৰু স্বাভিমান জড়িত হৈ থকা কটন কলেজৰ পূৰ্বৰ মৰ্যাদা আৰু গৰিমা যাতে আকৌ এবাৰ ঘূৰাই আনিব পাৰি তাৰ প্ৰতি শিক্ষা বিভাগ আৰু কৰ্তৃপক্ষ সমানে দায়বদ্ধ হোৱাটো জৰুৰী। অসমৰ এটা সম্পদ যাতে আপদলৈ ৰূপান্তৰিত নহয় তাৰ বাবে দায়িত্বত থকাসকলে বিষয়টো গুৰুত্বসহকাৰে ল'লে নিশ্চিতভাৱে সম্পদটো সদায় সম্পদ হৈয়ে থাকিব। নিম্নখিনিক উচ্চ পৰ্যায়লৈ আনাৰ বাবে চেষ্টা চলোৱাৰ লগতে উচ্চ মানৰখিনিক আৰু অধিক উন্নত কৰি গঢ়ি তুলিলে কোনেও কোনোকালে নেতিবাচক সমালোচনা কৰিবলৈ সাহস কৰিব নোৱাৰিব। প্ৰতিগৰাকী অসমীয়া জনতাই মনে-প্ৰাণে বিচাৰে যে জাতিৰ স্বাভিমান আৰু আৱেগ জড়িত হৈ থকা কটন কলেজ সদায় শিক্ষাৰ প্ৰতীক হিচাপে জিলিকি থাকক।



আজিৰে পৰা দুবছৰৰ আগতে হোৱা এক্সিডেণ্টৰ পাছত মৃণ্ময়ে চিৰদিনৰ বাবে ভৰি এখন হেৰুৱাবলগীয়া হৈছিল। তাৰ পাছতে পাহি সম্পূৰ্ণৰূপে সলনি হৈ গৈছিল। ফোন, ফেচবুক, হোৱাটছএপ সকলোতে ব্লক মাৰি দিছিল। মৃণ্ময় হতাশ হৈছিল। প্ৰেম আচলতে এনেকুৱা নেকি? সকলোৱে কয় প্ৰেম স্বৰ্গীয় বুলি। সঁচা প্ৰেমিকে সুখতো, দুখতো সকলো সময়তে সহযোগিতা আগবঢ়ায়, একপ্ৰকাৰ ছাপ'ৰ্ট কৰে। কিন্তু পাহি কিয় ইমাৰ স্বাৰ্থপৰ ছোৱালী বাৰু? মৃণ্ময়ৰ এই কথাটোৱে বৰকৈ খুলি খুলি খাইছে।

# নিয়ৰৰ ফুল

পুৱতিৰ ফাঁকেৰে সৰকি আহে
ৰ'দালিৰ জোৱাৰ
বুকুৰ গভীৰত এজাক আকুলতাৰে
অনামী তোলপাৰ
অনুভৱৰ গভীৰতাৰে কঁপি থাকে
জীয়া নিশ্বাস
অনাবিল আলসুৱা আদৰুৱা ভালপোৱা

টিভিত নিৰৱচ্ছিন্নভাৱে বাজি থকা গানটোৰ ফিল লৈ লৈ শুই আছিল মৃণ্ময়। হয়তো ভনীয়েকে পুৱাই টিভিটো বজাই দিছে। পুৱা ঠিক নহয়। ঘড়ীটোলৈ চালে সি প্ৰায় ১১ বাজো বাজো হৈছে। ভনীয়েক চাগৈ আজি কলেজ যোৱা নাই। নহ'লে তাৰ ৰুমলৈ তাইৰ বাদে আন কোনো নাহে। ককায়েকলৈ তাইৰ বৰ মৰম। যিমান পাৰে তাই তাক ফূৰ্তিত ৰাখিব বিচাৰে। সিওতো গায়ক হ'ব বিচাৰিছিল। ঠিক জুবিন গাৰ্গ নহ'লেও তাৰ নিজস্ব কলা সুৰ প্ৰতিভাৰে উজ্জ্বলি উঠা এজন গায়ক। কিন্তু। কথাবোৰ ভাবিলে তাৰ সৰসৰকৈ চকুপানী বৈ আহে। জীৱনটোচোন যন্ত্ৰণাৰে অন্য এটি নাম। কি বিচাৰে জীৱনে অৱশেষত কি হয়গৈ মানুহৰ জীৱন। ভবামতে সকলোবোৰ হোৱা হ'লে মানুহ সুখী হ'লহেঁতেন। এই পৃথিৱীত সকলো মানুহ সুখী হোৱা হ'লে দুখ বুলি একো বস্তুৱেই পৃথিৱীত নাথাকিলেহেঁতেন।

হেঁপাহৰ আঁচল উজাৰি বাগৰি
আহিছে ভালপোৱাৰ বৰ্ষা
জীপাল বুকুত সিঁচিছো প্ৰত্যাশাৰ
কঠীয়া
সপোনৰ সান্নিধ্যৰে জীৱন যে
অনুপমা

এইবোৰ গানৰ টুকুৰা তাৰ আছিল। গানৰ বহীখন চালে তাৰ বুকুখন ফাটি যায় যেন কৰে। কিমান বিহাৰ্চেল, কিমান ৰেৱাজ কৰিছিল সি। মূল ঘৰটোৰ সমুখভাগত দেউতাকে তাৰ বাবে এটা ৰুম বনাই দিছিল। সি কলেজৰ পৰা আহি ভাত-পানী খাই গানৰ ৰেৱাজ কৰিছিল। কৈশোৰ অৱস্থাৰ পৰাই তাৰ গানৰ প্ৰতি ধাউতি বাঢ়িছিল। মাকেহে বলকি থাকে গান গাই কি কৰিবি? পঢ়ি-শুনি ভালকৈ চাকৰি-বাকৰি পালে ভৱিষ্যতে খাব পাৰিবি।

পিছে দেউতাক ওলোটা। মাকক কয় তাক হকে-বিহকে বলকি নাথাকিবাচোন। সন্তানক নিজৰ মতে থাকিবলৈ দিব লাগে। কলেজত পঢ়িছে। সি তাৰ নিজৰ জ্ঞানেৰে জগতখনক চাব খোজে। অনাহকত বাধা নিদিবা। মাক মনে মনে থাকে যদিও ভাবটো এনে দেখুৱাই যেন তেওঁ মৃণ্ময়ে গান গোৱাটো সমুলি পছন্দ নকৰে। মৃণ্ময়ে মুখেৰে একো নকয়। এনেও সি বৰ শান্ত ল'ৰা এটা। কিন্তু তাৰ ভায়েক সুজয় ওলোটা। মাকে মৃণ্ময়তকৈ সুজয়ক বেছি মৰম কৰে। কথাই-কাৰ্যই সেইটো প্ৰকট হৈ পৰে। দেউতাকৰ সেয়ে দুখ। মাকক দবিয়ায়। তিনিটা সন্তানৰ ক্ষেত্ৰত মাকৰ মৰম ভাগ-বাটোৱাৰা কৰাটো মাক হিচাপে অশোভনীয়।

মাতৃৰ হৃদয় বিশাল হোৱাটোহে স্বাভাৱিক এক প্ৰক্ৰিয়া হ'ব লাগে।

দেউতাকৰ ইমান গভীৰত্ব থকা কথা মাকে নুবুজে। ওলোটাই বাপেকক ভেকাহিহে মাৰে। মৃণ্ময়ৰ বাবে দেউতাক ভগৱান। দেউতাকক বেয়াকৈ ক'লে মাকক সি বেয়া পায়। কিন্তু মুখেৰে একো নকয়। ক'লৈয়ে ওলোটাই আকৌ সিহে ভেকাহি খাব মাকৰ পৰা। এইবোৰ খটবান্ধ তাৰ সমূলি ভাল নালাগে। ঘৰ এখন ঘৰ হৈ থাকিবলৈ ঘৰখনত বাস কৰা সদস্যসকলৰ মাজত পাৰস্পৰিক আন্তৰিকতা থাকিব লাগে যিটো সি জনা হ'বৰে পৰা ঘৰখনত কেতিয়াও নেদেখিলে। সেয়ে ঘৰত থকাৰে মানসিকতাকণ হেৰাই যায় তাৰ। পিছে যাবনো ক'লৈ?

ইচ্ছা থাকিলে জীৱনক অৰ্থৱহ কৰিব পাৰি যদিহে নিৰৰ্থক বিলাসৰ বিপৰীতে অনুভৱ কৰিব পাৰি মানুহৰ অন্তৰংগ সংগৰ কল্যাণময় মাদকতা।

মৃণ্ময়ৰ হৃদয়খন বহল। মনটোক উচ্চ শিখৰত সদায়ে আৰোহণ কৰাই ৰাখে সি। দেউতাকৰ দৰেই কথাবোৰ গভীৰত্ব থকা তাৰ। কিন্তু কুটিল সময়ে তাৰ সকলোবোৰ কাঢ়ি নিলে। কি ভাবি আছিল জীৱনটোক লৈ কি হৈ পৰিল জীৱনটো। পাহিলৈ মনত পৰে। দুচকু সেমেকি উঠে। তাৰ বাবে পাহি আজি অৰ্থহীন চেতনা। বুকুত সুৰ তুলি হেৰাই যোৱা এটি সপোন মাথোঁ।

**প্ৰিয়ম ৰাগিণী**

পাহিলৈ মনত পৰিলে তাৰ নাকৰ ওচৰলৈকে অভিমান এটা উজাই আহে। হুহ। যেতিয়া মই পংগু নাছিলো তেতিয়া মৃণ্ময়দা মৃণ্ময়দা বুলি কিমানযে গুৰুত্ব দিছিল।

কিন্তু আজিৰে পৰা দুবছৰৰ আগতে হোৱা এক্সিডেণ্টৰ পাছত মৃণ্ময়ে চিৰদিনৰ বাবে ভৰি এখন হেৰুৱাবলগীয়া হৈছিল। তাৰ পাছতে পাহি সম্পূৰ্ণৰূপে সলনি হৈ গৈছিল। ফোন, ফেচবুক, হোৱাটছএপ সকলোতে ব্লক মাৰি দিছিল। মৃণ্ময় হতাশ হৈছিল। প্ৰেম আচলতে এনেকুৱা নেকি? সকলোৱে কয় প্ৰেম স্বৰ্গীয় বুলি। সঁচা প্ৰেমিকে সুখতো, দুখতো সকলো সময়তে সহযোগিতা আগবঢ়ায়, একপ্ৰকাৰ ছাপ'ৰ্ট কৰে। কিন্তু পাহি কিয় ইমাৰ স্বাৰ্থপৰ ছোৱালী বাৰু? মৃণ্ময়ৰ এই কথাটোৱে বৰকৈ খুলি খুলি খাইছে।

পাহি ভনীয়েক আৰ্হিৰ বেষ্ট ফ্ৰেণ্ড আছিল। পাহিহঁতৰ ঘৰলৈ আৰ্হিৰ সঘন আহ-যাহৰ ফলতেই মৃণ্ময়দাৰ লগত প্ৰেমৰ সূত্ৰপাত ঘটিছিল। গান গোৱা মৃণ্ময়ে আজিৰ পৰা চাৰি বছৰমান আগৰে পৰা ষ্টেজ প্ৰগ্ৰাম কৰিবলৈ আৰম্ভ কৰিছিল। অসমৰ বিভিন্ন ঠাইলৈ গান গাবলৈ যায় মৃণ্ময়ে। সি আজি দুবছৰৰ আগতে চহৰৰ এখন বিহু মঞ্চত সাংস্কৃতিক সন্ধিয়াত গান গাই পুৱতি নিশা ঘৰলৈ ওভতি আহোতে সিহঁত অহা গাড়ীখনে নিয়ন্ত্ৰণ হেৰুৱাই দ খাৱৈত বাগৰি পৰিছিলগৈ। সেই দুৰ্ঘটনাত মৃণ্ময়ে চিৰদিনৰ বাবে সোঁভৰিটো হেৰুৱাবলগীয়া হৈছিল। উফ। কি ভয়াৱহ আছিল সেই পুৱতি নিশাটো। থাকক এই মুহূৰ্তত সি দুৰ্ঘটনাটো মনত পেলাবলৈ নিবিচাৰে। যি হ'ল হৈ গ'ল। তাৰ ৰিষ্ট আছিল কিবা। এতিয়াও সি জী আছে সেইটোৱে ডাঙৰ কথা তাৰ বাবে। মাকে এথেল-গেথেল কৰাটো ডাঙৰ কথা নহয়। মাক মাকেই। মাকে বেয়াকৈ ক'লেও তাৰ গাত নালাগে আচলতে। আৰ্হি আৰু দেউতাক তাৰ বাবে দেহলাও দুটুকুৰা। সুজয়ক সি বেয়া নাপায়। কিন্তু সুজয়ক মৃণ্ময়ক বেয়া পাবলৈ মাকে প্ৰৰোচিত কৰি থাকে। সি বিছনাৰ পৰাই শুই শুই শুনা পাই থাকে কথাবোৰ। মাকে কোৱা প্ৰতিটো কথাই তাৰ কাঁইট হৈ বিন্ধে। ক'বই। কাৰণ সি যে পংগু ল'ৰা এটা। মাকে বেয়া পোৱা গানৰ পিছত দৌৰি দৌৰিয়েই সি আজি পংগুত্বৰ জীৱন আঁকোৱালি ল'বলগীয়া হ'ল। মাকে গান যে বেয়াই পাইছিল। মাকে বাপেককো কটাক্ষ কৰিবলৈ নেৰে।

ল'ৰাটোক লাই দি দি মূৰত তুলি লৈছিল নহয় পালে মজাটো। বাপেকেও জানে মৃণ্ময়েও জানে মাকৰ মগজুৰ চোকৰ ধাৰটো কম। মুখলৈ যি আহে তাকে কয় বুলি। নহ'লে সি বি এছ চি পাছ ল'ৰা এটা ক'ৰবাত এম আৰ জাতীয় বা ডেলিভাৰী বয়, কিবা কোম্পানীত সোমাই হ'লেও খাব পাৰিলে হয়। মাকৰ সেইটোৱে খং। বাপেকৰ ইৰিগেচনৰ চাকৰিৰ পইচাকেইটাৰ ওপৰতে ঘৰ চলে। আৰ্হিক বিয়া দিয়াৰ কথা আছে। খোৱা-বোৱা ঘৰৰ আন আনুষংগিক বহু খৰচ আছে। সুজয়ে এইবাৰ বি এ পাছ কৰি উঠিছে। সি ৰবীনৰ পুতেকে ভীমৰ লগত টাটা ডি আই এখন লৈ চাহপাতৰ কালেকচনত লাগিছে। মাকৰ সেয়ে গৌৰৱ। দেউতাকক উদ্দেশ্যি মাকে মৃণ্ময়ে শুনাকৈ কটাক্ষ কৰিবলৈ নেৰে। এয়াহে মোৰ ল'ৰা। সুজয়ে মাকৰ মিঠা বচনত গদগদ হৈ সন্ধিয়া ঘটি অনা টকাকেইটা মাকৰ হাতত গুঁজি দিয়ে। কি বিড়ম্বনা। মাকৰ মনোবৃত্তিক মৃণ্ময় আৰু দেউতাকে ঠিকেই বুজে। আৰ্হিয়েও। মগজু সৰু হ'ব পাৰে আৰ্হিৰ। মগজুৰ ধাৰ বহুত। ইমান কম বয়সতে ইমান বুজন তাই মৃণ্ময় আচৰিত হৈ যায়। তাই মৃণ্ময়ৰ গাৰ কাষত বহিলে সি মূৰে-গায়ে হাত ফুৰাই দিয়ে তাইক। মাকে মৃণ্ময়ক ভাতকেইটা দিবলৈ আহিলেও টেবুলত কাঁহীখন থেকেচিহে দিয়েহি। আৰ্হিয়ে মাকক হুংকাৰ দিয়ে মা, তুমি দাদাক মই ঘৰত থকা অৱস্থাত পৰাপক্ষত ভাত দিবলৈ নাযাবা। মই নথকা অৱস্থাত দিলেও মুখেৰে শব্দ নকৰিবা। মুঠৰ ওপৰত এথেল-গেঠেল নকৰিবা। মৃণ্ময়ৰ চকুলো নিগৰে আৰ্হিৰ অনুশাসনমূলক মৰম দেখিলে। এইহে ভনী। তাৰ বুকুখন অনবৰতে খৰাং হৈ থাকে যদিও পিতাক আৰু আৰ্হিৰ মৰম দেখিলে সি জী থকাৰ শক্তি পায়। কিয় ভগৱানে এই অন্যায় কৰিলে তাৰ লগত? সিতো এটা ভাল ল'ৰা আছিল। কিয়? কিয়? সিতো মনৰ ফালৰ পৰাই এটা ভাল ল'ৰা। অঞ্চলটোৰ সকলোৱে স্বীকাৰ কৰে। লগতে কলেজতটো তাৰ এটা অতি বিনয়ী ল'ৰা বুলি নামেই আছে। ইয়াতকৈ আৰু ভাল হ'ব বিচাৰিলে সি ভগৱান হ'ব লাগিব। সি ভগৱান হ'বও নিবিচাৰে। সি মৃণ্ময়। মাটিৰ সংস্পৰ্শৰে জাতি-মাটি-ভেটিৰ গান গোৱা ল'ৰা সি।

পাহিৰ লগত আৰ্হিয়ে ফোনত কথা পাতে। মৃণ্ময়ে শুনি থাকে। তাৰ কথা হয়তো এবাৰো নোসোধে। ভনীয়েকক সুধিবলৈ তাৰ লাজ লাগে। ভনীয়েকেও স্বইচ্ছাই নকয়। ককায়েকক ঠগাৰ বাবে তাই ভিতৰি খং উঠে কিন্তু একো নকয়। যিহেতু পাহি তাইৰ বেষ্ট ফ্ৰেণ্ড। আৰ্হিহঁত এইবাৰ ডিগ্ৰীৰ ফিফ্‌ট ছেম। চাওঁতে চাওঁতে তাইৰো কলেজ প্ৰায় শেষ হ'বৰে হ'ল। মৃণ্ময়ৰ

১২ পৃষ্ঠাত

# কিতাপ অধ্যয়নৰ গুৰুত্ব

ৰিচা দেৱী



বৰ্তমান সময়ত অধ্যয়নপুষ্ট মন এটা গঢ় দিয়া অতি কঠিন হৈ পৰিছে। আজিৰ নৱপ্ৰজন্মই বাহিৰা কিতাপ পঢ়ি সময় নষ্ট কৰিব নিবিচাৰে। বৰ্তমান নৱপ্ৰজন্মৰে যে বাহিৰা কিতাপ অধ্যয়নৰ গুৰুত্ব প্ৰায় কমি আহিছে এনে নহয় প্ৰাপ্তবয়স্ক বহুতো লোকৰে বাহিৰা কিতাপ অধ্যয়ন কৰিবলৈ অনীহা। বাহিৰা কিতাপ এখন পঢ়ি থাকিবলৈ যেন আজিৰ যুগত কাৰো ধৈৰ্য নোহোৱা হৈ পৰিছে। আজিৰ দিনত কিতাপ পঢ়াৰ সংখ্যাতকৈ নপঢ়াৰ সংখ্যাই অধিক। ইয়াৰ অন্যতম কাৰণ হ'ল— আজিকালি প্ৰযুক্তি ইমানেই উপলব্ধ হৈ পৰিছে যে মানুহে দেশৰ খা-খবৰ, বিভিন্ন বিষয়ৰ তথ্য স্মাৰ্টফোনৰ জৰিয়তেই লাভ কৰে। বৰ্তমান সময়ত প্ৰযুক্তিক আমি নুই কৰি চলিবও নোৱাৰো। তথাপি আমি বাহিৰা কিতাপ অধ্যয়নৰ অভ্যাস কৰাটো ভাল। কিয়নো কিতাপ অধ্যয়নে মানুহৰ মন-মগজুক অতি আনন্দ দিয়ে। স্মাৰ্টফোনত কিবা বিষয় অধ্যয়ন কৰাতকৈ যদি হাতত কিতাপখন বা বাতৰি কাকতখন লৈ পঢ়াৰ মাদকতাই সুকীয়া। কিতাপ পঢ়িলে মানুহৰ জ্ঞান বৃদ্ধি হোৱাৰ লগতে চিন্তাশক্তিৰো বিকাশ ঘটে। বৰ্তমান এনে হৈ পৰিছে যে নৱপ্ৰজন্মই বাহিৰা কিতাপ পঢ়াতকৈ শ্ৰেণীকোঠাৰ নিৰ্দিষ্ট বিষয়ৰ কিতাপকেইখন পঢ়ি পৰীক্ষাত ভাল নম্বৰ লোৱাটোৱে প্ৰধান হৈ পৰিছে। আৰু বহু অভিভাৱকে বাহিৰা কিতাপ পঢ়ি সময় নষ্ট কৰাতকৈ ল'ৰা-ছোৱালীক ক্লাছৰ কিতাপ পঢ়ি ভাল নম্বৰ পোৱাটোহে বিচাৰে। ইয়াৰ ফলত ল'ৰা-ছোৱালীসকল কেৱল ক্লাছৰ কিতাপৰ মাজতে আবদ্ধ হৈ থাকে।

বৰ্তমান অভিভাৱকসকলৰ লগতে নৱপ্ৰজন্মকো আহ্বান জনাওঁ যে আজৰি সময়ত ম'বাইলটো হাতত লৈ যি-টি ভিডিঅ' চাই সময় নষ্ট কৰাতকৈ যদি এখন কিতাপ পঢ়ি সময় অতিবাহিত কৰে তেন্তে কিছু কথা শিকি বলৈ পাৰিব। সৰু কালছোৱাতেই অভিভাৱকসকলে সন্তানক আজৰি সময়ত ম'বাইলটো হাতত তুলি দিয়াতকৈ কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিব লাগে। কিতাপেই এজন মানুহৰ প্ৰিয় বন্ধু হ'ব পাৰে আৰু আজৰি সময় কটোৱাৰ আটাইতকৈ লাভদায়ক আৰু আনন্দদায়ক উপায় হ'ল কিতাপ পঢ়া। নিয়মিত কিতাপ পঢ়িলে মানুহৰ মন প্ৰফুল্লিত হৈ থাকে। বিখ্যাত সাহিত্যিক হোমেন বৰগোহাঞিৰ দ্বাৰা ৰচিত 'কিতাপ পঢ়াৰ আনন্দ' নামৰ কিতাপখনত লিখিছে যে কিতাপে মানুহক কু-কৰ্ম আৰু কু-সংগৰ পৰা ৰক্ষা কৰাৰ উপৰি ই মানসিক অৱসাদ দূৰ কৰে। ই মানুহক সংগ দিয়ে, শিক্ষা দিয়ে, আনন্দ দিয়ে। যি মানুহক এবাৰ কিতাপৰ নিচাই পাইছে তেওঁক আন একো নিচাই টলাব নোৱাৰে।

শেষত কওঁ যে বৰ্তমান সমাজত নিঃসংগতা, হতাশা আদি মানুহৰ মাজত দিনক দিনে বাঢ়ি আহিছে। এই সকলোবোৰৰ পৰা মুক্তি পাবলৈ আমি সকলোৱে বাহিৰা কিতাপ অধ্যয়নৰ প্ৰতি গুৰুত্ব দিয়া উচিত। কিয়নো কিতাপৰ সংগই কেতিয়াও মানুহক দুখ নিদিয়ে, বৰং আনন্দহে দিয়ে।

ষষ্ঠ পৃষ্ঠাৰ পৰা

# দ্য ইনফ্ৰাষ্ট্ৰাকচাৰ মেন

কাৰ্যকালতে পথ নিৰ্মাণৰ ক্ষেত্ৰত পৰিবহণ বিভাগে ৪ টা বিশ্ব অভিলেখ সৃষ্টি কৰে—

১) প্ৰতিদিনে ৩৮ কিলোমিটাৰ পথ নিৰ্মাণ কৰা।

২) ২৪ ঘণ্টাত ২.৫ কিলোমিটাৰৰ চাৰিলেনযুক্ত পথ নিৰ্মাণ কৰা।

৩) ২১ ঘণ্টাত ১৬ কিলোমিটাৰ পথ নিৰ্মাণ কৰা।

৪) ২, ৩ আৰু ৪ লেনযুক্ত পথ নিৰ্মাণৰ ক্ষেত্ৰত ১ কিলোমিটাৰ হিচাপ কৰা ইত্যাদি।

ইয়াৰ উপৰি ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণত প্ৰতিদিনে তিনিগুণ বৃদ্ধি পাইছে। কেন্দ্ৰত মোডী চৰকাৰ গঠন হোৱাৰ পিছত যোৱা আঠ বছৰত পথ নিৰ্মাণৰ প্ৰগতি আগতকৈ তিনিগুণ বৃদ্ধি পাইছে। ২০১৩-১৪ চনত ৰাষ্ট্ৰীয় ঘাইপথৰ দৈৰ্ঘ্য ৯১,২৮৭ কিলোমিটাৰ আছিল, কিন্তু সেই দৈৰ্ঘ্য ২০২০-২১ ত বৃদ্ধি হৈ ১,৪১,৩৪৫ কিলোমিটাৰ হয়। ২০১৩-১৪ ত প্ৰতিদিনে ১২ কিলোমিটাৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ হৈছিল, কিন্তু ২০২০-২১ ত ই বৃদ্ধি হৈ ৩৮ কিলোমিটাৰ হয়। নীতিন গাডকাৰীয়ে কেৱল গ্ৰীনফিল্ডৰ অধীনতে নহয় ভাৰতমালা প্ৰকল্পৰ জৰিয়তেও এক্সপ্ৰেছ ৰে' নিৰ্মাণত গুৰুত্ব প্ৰদান কৰে। দ্বিতীয় পৰ্যায়ত চৰকাৰে ৩,০০০ কিলোমিটাৰৰ এক্সপ্ৰেছ ৰে' আৰু ৪০০০ কিলোমিটাৰৰ গ্ৰীনফিল্ড ঘাইপথ নিৰ্মাণৰ লক্ষ্য ৰাখিছে। নতুন আঁচনিৰ অধীনত ইন্দোৰ-মুম্বাই, বেংগলুৰু-পুনে, বেনাৰস-ৰাঁচী-কলিকতা আৰু চেন্নাই-ত্ৰিচিৰ মাজত এক্সপ্ৰেছ ৰে' নিৰ্মাণৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। ইয়াৰ লগতে গ্ৰীনফিল্ড ঘাইপথ আঁচনিৰ অধীনত ৰাঁচী-ৰায়পুৰ, ছোলাপুৰ-বেলগাঁও, গোৰখপুৰ-বৰেলী, পাটনা-ৰাওকেলা আৰু বাৰানসী-গোৰখপুৰৰ মাজত ২০২৪ত নতুন ঘাইপথ নিৰ্মাণ কৰা হ'ব। দিল্লী আৰু এন চি আৰতো চৰকাৰে এক্সপ্ৰেছ ৰে' নিৰ্মাণ কৰি আছে। সেইবোৰৰ ভিতৰত আটাইতকৈ ডাঙৰ এক্সপ্ৰেছ ৰে' হ'ল দিল্লী-মুম্বাই এক্সপ্ৰেছ ৰে'। আঠলেনযুক্ত এই এক্সপ্ৰেছ ৰে' নিৰ্মাণ কৰা হ'ব এক লাখ কোটি টকাত। এই এক্সপ্ৰেছ ৰে'ই দিল্লী-মুম্বাইৰ ১,৩৮২ কিলোমিটাৰ দূৰত্বৰ ২৪ ঘণ্টাৰ যাত্ৰা সময়ক ১২ ঘণ্টালৈ হ্ৰাস কৰিব। দ্বিতীয়টো হ'ল দিল্লী-অমৃতসৰ-কাটৰা এক্সপ্ৰেছ ৰে', যিটো ৬৫০ কিলোমিটাৰ দৈৰ্ঘ্যৰ। এই এক্সপ্ৰেছ ৰে' দিল্লীৰ বাহাদুৰ গড়ৰ সীমাৰে পাৰ হৈ জম্মু-কাশ্মীৰৰ কাটৰা লৈ যাব। ৬৫০ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই চাৰিলেনযুক্ত এক্সপ্ৰেছ ৰে'ই ধৰ্মীয় পৰ্যটক বৃদ্ধি কৰিব। কাৰণ এইটোৱে হিন্দু আৰু শিখসকলৰ দুই পবিত্ৰ স্থল মাতা বৈষ্ণু দেৱী মন্দিৰ আৰু স্বৰ্ণ মন্দিৰক জড়িত কৰিব। তৃতীয়টো হ'ল নাগপুৰ-মুম্বাই এক্সপ্ৰেছ ৰে'। ছয়লেনযুক্ত আৰু ৭০১ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই এক্সপ্ৰেছ ৰে'ই চহৰ দুখনৰ মাজত থকা ১৬ ঘণ্টাৰ যাত্ৰাক ৮ ঘণ্টালৈ হ্ৰাস কৰিব। চতুৰ্থ এক্সপ্ৰেছ ৰে'টো হ'ল পূৰ্বাঞ্চল এক্সপ্ৰেছ ৰে'। এইটোৱে উত্তৰ প্ৰদেশৰ ৰাজধানী লক্ষ্ণৌক গাজিপুৰ আৰু বলিয়াৰ লগত সংযোগ কৰিব। ইয়াৰ দৈৰ্ঘ্য ৩৪০.৮ কিলোমিটাৰ। ষষ্ঠ এক্সপ্ৰেছ ৰে' হ'ল বেংগলুৰু-মাইছোৰ এক্সপ্ৰেছ ৰে'। এইটোৱে বাংগালুৰুৰ পৰা মাইছোৰৰ যাত্ৰা সময়ক তিনি ঘণ্টাৰ পৰা কমাই ৯০ মিনিট কৰিব। দক্ষিণ ভাৰতৰ ই এক গুৰুত্বপূৰ্ণ এক্সপ্ৰেছ ৰে'। ইয়াৰ উপৰি গংগা এক্সপ্ৰেছ ৰে'ও নিৰ্মাণ হ'ব। এইটো ছয়লেনযুক্ত হ'ব। এই এক্সপ্ৰেছ ৰে'ই মেৰঠ আৰু প্ৰয়াগৰাজৰ যাত্ৰা সময়ক ১২ ঘণ্টাৰ পৰা কমাই ৬ ঘণ্টা কৰিব।

গাডকাৰীৰ মতে গাঁৱৰ বিকাশৰ জৰিয়তেহে দেশৰ বিকাশ সম্ভৱ। সেয়ে তেওঁ ২০ হাজাৰ গাঁৱক 'গ্ৰাম চড়ক' যোজনাৰ অধীনত চহৰৰ লগত সংযোগ কৰাৰ বাবে দ্ৰুত পথ নিৰ্মাণৰ কাম আৰম্ভ কৰে। তেওঁ কেৱল এক্সপ্ৰেছ ৰে' আৰু ঘাইপথ নিৰ্মাণৰ ওপৰতে নহয়, 'আৰবান এক্সপ্ৰেছ ৰে'' নিৰ্মাণতো গুৰুত্ব প্ৰদান কৰিছে। দিল্লীত তৈয়াৰ হৈ থকা দ্বাৰকা এক্সপ্ৰেছ ৰে' ভাৰতৰ প্ৰথম বিকশিত আৰবান এক্সপ্ৰেছ ৰে' হ'ব। ইয়াৰ চাৰিটা মাল্টি লেবেলৰ ইণ্টাৰ চেইঞ্জ তৈয়াৰ কৰা হৈ আছে, য'ত সুৰংগ, আণ্ডাৰ পাছ, এলিভেটেড ফ্লাইঅ'ভাৰ আৰু ফ্লাইঅ'ভাৰৰ ওপৰত ফ্লাইঅ'ভাৰ তৈয়াৰ কৰা হ'ব। এইটো ভাৰতৰ প্ৰথমটো এক্সপ্ৰেছ ৰে' হ'ব যাক বনাবলৈ দুই লাখ মেট্ৰিক টন ষ্টীলৰ ব্যৱহাৰ কৰা হ'ব।

তেওঁ কেৱল পথ নিৰ্মাণৰ কামতে গুৰুত্ব দিয়া নাই, ইয়াৰ লগে লগে পৰিৱেশ ৰক্ষাৰ ওপৰতো সমানে গুৰুত্ব দিছে। তেওঁ পৰিৱেশৰ ক্ষতি নকৰাকৈ পেলনীয়া আৱৰ্জনাৰ জৰিয়তে পথ নিৰ্মাণৰ প্ৰযুক্তিক ব্যৱহাৰ কৰাৰ চিন্তা কৰি আছে। ইয়াত এটা গুলীত দুটা চিকাৰ হ'ব, আৱৰ্জনাৰ বোজাও কমিব আৰু পথো নিৰ্মাণ হ'ব। ইয়াৰ লগতে তেওঁ ভাৰতত ইলেক্ট্ৰিক বাহনৰ ওপৰতো গুৰুত্ব দিছে, যাতে গাড়ী-মটৰৰ পৰা ওলোৱা ধোঁৱাৰ পৰা হোৱা বায়ু প্ৰদূষণক ৰোধ কৰিব পাৰি। তেওঁ ভাৰতত ২০৩০ লৈকে দুই কোটি ইলেক্ট্ৰিক বাহনক কঢ়িয়াই অনাৰ পৰিকল্পনা কৰিছে। তেওঁ ই-ম'বিলিটিৰ ওপৰতো গুৰুত্ব প্ৰদান কৰিছে। কাৰণ এইটোৱে পৰিৱেশ প্ৰদূষণক ৰোধ কৰিব। মুঠতে আমি নীতিন গাডকাৰীৰ মাজত এনে এজন ৰাজনেতাক প্ৰত্যক্ষ কৰো, যিজন নেতাৰ মাজত কথা আৰু কামৰ মিল আছে। সাম্প্ৰতিক সময়ত তেওঁৰ দৰে দক্ষ আৰু পৰিপক্ক নেতা বিচাৰি পোৱা বৰ কঠিন।

**ধাৰাবাহিক উপন্যাস**

# চৰিত্ৰৰ মাজত চৰিত্ৰ



অলকানন্দা দত্ত

দেউতাকে অলপ চিন্তা কৰাৰ দৰে উদাস ভাবেৰে ক'লে, 'এৰা অ', কিবা এটা কথা ভাবি আছোঁ, অলপ সময়ৰ আগতে জোঁৱাইক লগ ধৰিবলৈ খাৰঘৰীয়া বোলা ঠিকাদাৰজন আহিছিল, মইহে জিৰাইছে বুলি বুদ্ধি কৰি পঠিয়াই দিয়ালোঁ। তেওঁ হেনো আজিও বোকাখাতলৈ গৈছিল, আগৰজন এছ ডি অ'ৰ পৰা কিবা চহী ল'বলৈ আছিল। টিপ্পনী মাৰি যিযাৰ কথা ক'লে মোৰ কিবা শুনি খঙেই উঠি আহিছিল, তাতে হেনো শুনি আহিছিল, জোঁৱাইৰ গাড়ীত চিতল মাছ এটা দি পঠিয়াইছে। তেওঁৰ মুখৰ পৰা কথাষাৰ শুনাৰ পৰা মোৰ কিবা মনটো অশান্তি লাগি আছে। কথা বুলিলেই বতাহ, এইবিলাক কথা কিমান দূৰলৈকে শিপাই কি ঠিক। চাচোন চা মানুহৰ চৰিত্ৰবোৰ কেনেকুৱা, সেইদিনা তেৱেঁই মোক বোকাখাত ছাব-ডিভিজনটোৰ কথা কৈ ইমান আনন্দ দিলে, আজি আকৌ সেইজন মানুহেই ... ইহঁতে সাপ হৈ খোঁটে আকৌ বেজ হৈ জাৰিবলৈ আহে। বৰ বিচিত্ৰ চৰিত্ৰৰ। অলপ সময় মৌন হৈ থকাৰ পিছত মাধুৰিমাই ক'লে— 'আমি সকলোৱেই বিচিত্ৰ চৰিত্ৰৰ মাজতে জীৱন-যাপন কৰিব লাগিব, তাৰ মাজতে নিজৰ চৰিত্ৰটো কেনেকৈ নিকা ৰাখিব পাৰি তাৰ বাবেহে চেষ্টা কৰিব লাগিব, নহয় জানো দেউতা, এইবোৰ কথা মই তোমাৰ পৰাই শিকিছিলো, আকৌ তোমাকেই প্ৰয়োজনৰ খাতিৰত ক'বলগীয়া হ'ল।' প্ৰসন্ন বৰুৱাই অবাক হৈ জীয়েকৰ ফালে চাই থকা দেখি তাই ক'লে— 'দেউতা মিছায়ে মন বেয়া নকৰিবা, আজি আমাৰ আনন্দ কৰাৰ দিনহে...।

অভিজিত হাজৰিকাই (পোনাকণে) কামত যোগদান কৰাৰ এসপ্তাহৰ পিছতে মাধুৰিমা আৰু কেঁচুৱাটোক বোকাখাতৰ কোৱাৰ্টাৰলৈ লৈ আনিছিল। লগতে দেউতাকে যোগাৰ কৰি পঠিয়াই দিছিল এজনী মদজুৰ বনুৱা তিৰোতা, যিজনীয়ে আগতে হেনো বাগিচাৰ কোনোবা চাহাবৰ ঘৰত আয়া কাম কৰিছিল। তাইৰ নাম দুখুনী। দুখনীৰ অৰ্থ দুখতে যি থাকে। আইতাকে তাইৰ নাম সলনি কৰি সুখী ৰাখিছিল। ঘৰ এখনত সুখে-সন্তোষে থাকিবলৈ নামবিলাকৰো বহুত মাহাত্ম্য থাকে হেনো। সুখীয়ে দুদিনতে কেঁচুৱাটোক ওমলাই-ঝমলাই খুব আনন্দ মনেৰে থাকি কাম বন কৰি ফুৰিছিল। কোৱাৰ্টাৰটোত প্ৰথম পদাৰ্পণ কৰিয়েই মাধুৰিমাৰ যে কি আনন্দ লাগিছিল, যেন কেঁচুৱাটোৰ সৈতে স্বৰ্গৰাজ্যতহে প্ৰৱেশ কৰিছে। এটা সৰু অথচ সকলো সুবিধা থকা আটোম-টোকাৰী ঘৰ। এইবাৰ মাধুৰিমাই ঘৰটোত সোমায়েই আনন্দত মতলীয়া হৈ পৰাৰ প্ৰধান কাৰণ যোগীঘোপাত থাকি অহাৰ কৰুণ অভিজ্ঞতা। তাই ভগৱানক মনে মনে অজস্ৰ ধন্যবাদ জনাইছিল। আইতাকে তাইক শিকাইছিল ভাল কাম কৰিলে মানুহৰ প্ৰতি যেনেকৈ কৃতজ্ঞতা জ্ঞাপন কৰে, তেনেকৈ ভগৱানকো কৃতজ্ঞতা জ্ঞাপন কৰি ধন্যবাদ জনাব লাগে। তাই আইতাকক সুধিছিল— ভগৱানে গোটেই বিশ্ব ব্ৰহ্মাণ্ডৰ কথা চিন্তা কৰি থাকোঁতে আপুনি মই তেওঁক কৃতজ্ঞতা জনাইচোনে নাই কেনেকৈ জানিব? আইতাকে পৰম বিশ্বাসেৰে কৈছিল— প্ৰত্যেকৰে দেহাৰ ভিতৰত হৰি নিঃশব্দে শুই থাকে, ভাল কাম বেয়া কাম যিয়েই নকৰা তেওঁ গম পাই থাকে। কৃতজ্ঞতা জনালেও তেওঁ সন্তোষ পায়। এৰা জীৱনযাত্ৰাত আগবাঢ়ি যাওঁতে প্ৰত্যেক খোজতে আইতাক, দেউতাক, মাক আৰু শহুৰ-শাহুৰে দিয়া উপদেশবোৰ তাইৰ ইমান কামত লাগে। সেয়েহে তাই দুখতো দুখী নহৈছিল। ভাবিছিল দুখৰ পিছত সুখ আহিব। সেই বিশ্বাসতে তাই পৰম আগ্ৰহেৰে বৈ আছিল।

মাধুৰিমাৰ ঠাইডোখৰ বা ঘৰটো পছন্দ লগাৰ আৰু কাৰণ আছে। মাকৰ ঘৰেই হওক শহুৰৰ ঘৰখনেই হওক ওচৰত, সেয়েহে খবৰ বাতৰিও পাই থাকিব। এতিয়াৰ পৰা তাই বোকাখাতত আছে বুলি শুনিলে শ্বিলং, গুৱাহাটী বা ডিব্ৰুগড়, শিৱসাগৰলৈ অহা-যোৱা কৰা আপোন মানুহবোৰ তাইৰ ঘৰখনত সোমাই যাব পাৰিব। তাইৰ চিনাকি বা সমসাময়িক বন্ধুবোৰো কেতিয়াবা সোমাই যাওঁ বুলিলে সোমাব পাৰিব। লগৰ ছোৱালীবিলাকৰ আগত কেঁচুৱাটোৰ সৈতে ওলাবৰ সময়ত তাইৰ গৰ্ব কৰিবৰ মন যাবনে, লজ্জা অনুভৱ কৰিব তাই ঠিক এতিয়াই ধৰিব পৰা নাই। তাইৰ সংসাৰখন চাবলৈ আহিলে ভালেই লাগিব।

মাধুৰিমাহঁতৰ কোৱাৰ্টাৰটোও বৰ ধুনীয়া ঠাইত। বোকাখাত বুলিলেই বিখ্যাত লুচী-পুৰি, পেৰা পোৱা হোটেলকিখনৰ কথাহে মানুহে ভালদৰে জানে। হোটেলত খাবলৈ দিয়া নিয়মটোৱেই বেলেগ ধৰণৰ। কলপাতত পৰিৱেশন কৰা গৰম গৰম আটাৰ লুচী, তাৰ লগত ধোঁৱা ওলাই থকা আলুৰ অতিপাত লোভনীয় তৃপ্তিদায়ক তৰকাৰী। লগতে দিয়ে জলকীয়াৰ এটা স্পেচিয়েল আছাৰ। গাড়ী-মটৰ বাছক যোৱা যাত্ৰীসকলৰ বোকাখাতৰ লুচী-পুৰিবোৰ অমৃত বুলিহে যেন সকলোৱে গ্ৰহণ কৰে। তাকে খাবলৈ মানুহৰ বোকাখাত পোৱাৰ আগৰে পৰা লোভৰ পানী পৰি থাকে। লুচী-তৰকাৰীৰ জ্বলা পালে সকলোৱে খাটি গাখীৰত বনোৱা পেৰা খায়। পেৰাৰ সোৱাদটোৱেই বেলেগ, মুখত দিলে পমি যায়। অসমৰ কেনো ঠাইত তেনে পেৰা পোৱা নাযায়, সেয়েহে যাত্ৰীসকলৰ বাবে সেইটোৱে এটা আনন্দৰ বিষয়। তাতে আকৌ মাটিৰ কাপত শুদ্ধ গাখীৰেৰে দিয়া চাহ কাপৰ সোৱাদো মানুহে পাহৰিব নোৱাৰে। বোকখাতৰ যেন বৈশিষ্ট্য এইখিনিতেই। আচৰিত কথা মানুহৰ অন্তৰতে থকা লোভটো বোকাখাত পোৱাৰ লগে লগে প্ৰকট হৈ ধৰা দিয়ে। ইয়ো চৰিত্ৰৰ এটা লক্ষণ।

হোটেলকিখনৰ বিপৰীতে সৰু বাছষ্টেণ্ডটো। তাৰ একেশাৰীতে কেইখোজমান আঁতৰত ডাঙৰ ডাঙৰ গছেৰে ভৰা বৃহৎ চৌহদটোৰ একাষত গড়কাপ্টানী বিভাগৰ ডাক বঙলাটো। ডাক বঙলাটো অতীজৰ পৰা বৰ বিখ্যাত। ব্ৰিটিছৰ দিনতে সজোৱা কাঠৰ ডাক বঙলাটো বেছ মজবুত, আহল-বহল আৰু ফৰকাল ধৰণৰ। আনবোৰ বহুতো ডাক বঙলাত সোমাবলৈ যিদৰে জয়াল যেন লাগে এইটো তেনে নহয়। এই ঐতিহ্যপূৰ্ণ গাম্ভীৰ্যতাৰে ভৰা ডাক বঙলাটোত ৰাতি কোনোবা নহয় কোনোবা মানুহ থাকেই। তদুপৰি এম.এল.এ., মিনিষ্টাৰকে আদি কৰি ডাঙৰ ডাঙৰ চৰকাৰী বিষয়াসকলে এখন্তেকৰ কাৰণে হ'লেও সোমাই চকিদাৰে হোটেলৰ পৰা আনি দিয়া লুচি-পুৰি খাই যোৱাটোহে অভ্যাসত পৰিণত হৈছিল। ডাক বঙলাৰ পৰা অকণমান আঁতৰতে গড়কাপ্টানী বিভাগৰ ছাব-ডিভিজন অফিচটো, তাৰ কাষতে এছ.ডি অ'ৰ কোৱাৰ্টাৰ, ঘৰৰ সন্মুখতে নেশ্যনেল হাইৱে'টো। ইমান সুচল ঠাইত ঘৰটো, মাধুৰিমাৰ কাৰণে যেন সপোনৰ ঘৰ। এতিয়া তাইৰ খুব আপুৰুগীয়া বস্তুৰ দৰে ঘৰটোৰ প্ৰতি মায়া মোহ সোমাইছে। দুদিনমানৰ ভিতৰতে মাধুৰিমাই মানুহ-দুনুহ লগাই নিজেও চাই মেলি দি ঘৰটো ধুনীয়াকৈ সজাই পেলাইছিল। আগফাল পিছফালত যথেষ্ট বাৰী কৰিবলৈ মাটি আছিল। কম সময়ৰ ভিতৰতে মাধুৰিমাই যে নিজকে এজনী পাকৈত গৃহিণী হিচাপে গঢ়ি তোলাৰ কথা ভাবিব পাৰিছিল। ঘৰৰ বাহিৰে ভিতৰে তাই যেন চাৰিওফালে নিখুঁত পৰিকল্পনাৰে কামবোৰ কৰিবলৈ চাব। তাইৰ সপোনৰ ঘৰখনলৈ আহি যদি কোনেও প্ৰশংসাসূচক এষাৰি কথা ক'বলগীয়া নহয় তাইৰ কেনে লাগিব? চাবলৈ গ'লে তাইনো কি পোৱা নাই, ধুনীয়া ঘৰ-দুৱাৰ, কাম কৰাবলৈ মানুহ-দুনুহ, টকা-পইচা সকলো পাইছে, এতিয়া মাথোঁ চলাবলৈ এটা স'তেজ মন, বুদ্ধিমত্তা উপযুক্ত পৰিকল্পনাৰ আৱশ্যক হ'ব। এইখিনি কাম তাই কৰিব নোৱাৰিবনে? চাৰিওফালে চম্ভালিব পাৰিব লাগিব, এতিয়া তাই এজনী সৰু ছোৱালী হৈ থকাও নাই, কেঁচুৱাৰ মাক, এগৰাকী প্ৰাপ্তবয়স্ক নাৰী। কেইদিনমান ঘৰ-দুৱাৰ সজাই পৰাই নতুনকৈ মানুহৰ লগত চিনা পৰিচৰ্যা হৈ তাইৰ খুব ভাল লাগিছিল, সকলোৱে তাইক যথেষ্ট গুৰুত্ব দিছিল, সন্মান কৰি খাতিৰো কৰিছিল। কিন্তু ভাল লগাবোৰ বৰ বেছি দিন একেদৰে নাথাকিল। মাজে মাজে হঠাতে তাইৰ দেখোন মনটো বেয়া লাগিবলৈ ধৰিলে। কিয়বা ইমানবিলাক পোৱাৰ পিছতো অজানিত কাৰণত মনটো বেয়া লাগি থাকে, তাকো তাই ভালদৰে ধৰিব নোৱাৰে। তাইৰ যেন ষষ্ঠ ইন্দ্ৰিয়ই কৈ আছে, ক'ৰবাত কিবা এটা কেণা লাগিছে। অলপ দিনৰ পৰা আগতীয়াকৈ গম পাই যোৱা হৈছিল। যেনেকৈ নহওক তাইৰ আশাবাদী মনটোৱে কৈ দিছিল এইৱাৰ এখন ভাল ঠাইলৈকে ট্ৰেন্সফাৰ হ'ব। কেঁচুৱাটোৰ সৈতে সিহঁত সুখে-সন্তোষে থাকিব পাৰিব। ভবাৰ নিচিনাকৈ তাই থাকিবলৈ পাইছে অথচ ...।

লেখাৰ চিঠিখন পোৱাৰ পিছত মাধুৰিমাই বহুসময় আকাশ-পাতাল ভাবি ভাবি বহি থাকিব লগা হৈছিল। তাই কল্পনাও কৰিব পৰা নাছিল লেখাৰ নিচিনা প্ৰতিক্ষণতে নিজকে অহংভাৱেৰে পৰিৱেষ্টিত হৈ থকা মানুহ এগৰাকীয়ে এনেকৈ সমৰ্পিত মন লৈ মাধুৰিমালৈ চিঠিখন লিখিব পাৰিব? লেখাই নিশ্চয় আগেয়ে ভাবিছিল— তেওঁৰনো কি নাই, দেখিবলৈ অত্যন্ত ধুনীয়া, সৰুৰে পৰা পঢ়া-শুনাত চোকা বুলি নাম আছে, ভাল চাকৰি কৰে, নিজৰ পছন্দ মতে প্ৰেম কৰি ভাল চাকৰি কৰা ল'ৰা এজনৰ লগত বিয়া হ'বলৈ পাইছে। যিজনে তাই যিহকে কয় তাকে মানি চলিব বুলি তাইৰ বিয়াৰ আগৰে পৰা বিশ্বাস হৈ গৈছিল। স্বামী অভিজিতৰ বাবে তাই একেবাৰে নিশ্চিন্ত আছিল। পিছে মানুহ যে পৰিস্থিতিৰ দাস এই কথা লেখাই নতুনকৈ ভাবিবলৈ বাধ্য হৈছিল বোধকৰোঁ। *ক্ৰমশ...*

## বিভূতিভূষণ বন্দোপাধ্যায়ৰ বিশ্ববিখ্যাত বাংলা উপন্যাস—

# পথেৰ পাঁচালী

✍ হিমাংশু ৰঞ্জন ভূঞা

বিভূতিভূষণ বন্দোপাধ্যায় বাংলা উপন্যাস সাহিত্যৰ শ্ৰেষ্ঠ ঔপন্যাসিকসকলৰ ভিতৰত অন্যতম। ১৮৯৪ চনৰ ১২ ছেপ্টেম্বৰত পশ্চিমবংগৰ উত্তৰ ২৪ পৰগনা জিলাৰ কাঁচৰাপাড়াৰ নিকটৱৰ্তী ঘোষপাড়া-মুৰাতিপুৰ গাঁৱত বিভূতিভূষণ বন্দোপাধ্যায়ৰ জন্ম হয়। বিভূতিভূষণে বাংলা সাহিত্যৰ ভঁৰাললৈ এক মেটমৰা সম্ভাৰ আগবঢ়াই থৈ গৈছে। মানুহৰ জীৱন, প্ৰকৃতি আৰু আধ্যাত্মিকতা— এই তিনিওটা উপাদানৰ আভাস স্পষ্ট হৈ উঠিছিল তেওঁৰ প্ৰথম ৰচনা উপেক্ষিতাত। আঠাইশ বছৰ বয়সত প্ৰকাশিত এই ৰচনাতেই তেওঁৰ নিজস্ব দৃষ্টিভংগীৰ পৰিচয় স্পষ্ট হৈ উঠিছিল। পৰৱৰ্তী সময়ছোৱাত তেওঁৰ সৃষ্ট ৰচনাসমূহ হৈছে— পথেৰ পাঁচালী, অপৰাজিতা (২য় খণ্ড), দৃষ্টিপ্ৰদীপ, আৰণ্যক, আদৰ্শ হিন্দু হোটেল, বিপিনের সংসাৰ, দুই বাৰী, অণুবৰ্তন, দেবযান, কেদাৰ ৰজা, অথৈজল, ইছামতী, দম্পতী ইত্যাদি উপন্যাস; মেঘমল্লাৰ, মৌৰীফুল, যাত্ৰাবদল, জন্ম ও মৃত্যু, কিন্নৰদল, বেনীগিৰ ফুলবাড়ী, নবাগত, তাল-নবমী, উপল খণ্ড, বিধু মাষ্টাৰ, ক্ষণভংগুৰ, অসাধাৰণ, জ্যোতিৰিংগণ কুশল-পাহাড়ী, ৰূপহলুদ, অনুসন্ধান, ছায়াছবি, সুলোচনা ইত্যাদি গল্প সংকলন; প্ৰায় চাৰিটা ভ্ৰমণ কাহিনী, বিভিন্ন শিশু সাহিত্য ইত্যাদি। এই সকলোৰে ভিতৰত তেওঁৰ ৰচনা পথেৰ পাঁচালীতেই তেওঁৰ সৃষ্টিশীল প্ৰতিভাৰ সকলোবোৰ সম্ভাৱনাই প্ৰাণৱন্ত ৰূপত আত্মপ্ৰকাশ কৰিছে। সন্দেহ নাই যে তেওঁৰ প্ৰায়বোৰ ৰচনাই ৰসোত্তীৰ্ণ আৰু মনোগ্ৰাহী। কিন্তু তেওঁৰ প্ৰতিভাৰ মূল্যায়ন কৰিবলৈ তেওঁৰ প্ৰথম প্ৰকাশিত গ্ৰন্থ 'পথেৰ পাঁচালী'য়েই যথেষ্ট। তেওঁৰ অনবদ্য সৃষ্টি পথেৰ পাঁচালী মাজতে তেওঁৰ জীৱনবোধ আৰু ৰচনাশৈলীৰ সমস্ত বৈশিষ্ট্যই প্ৰাণ পাই উঠিছে।

এক কথাত ক'বলৈ গ'লে, তেওঁৰ জীৱনৰ দৰেই আছিল তেওঁৰ সৃষ্টিকৰ্মসমূহ। তেওঁৰ পিতৃ মহানন্দ আছিল এগৰাকী প্ৰসিদ্ধ কথক। অস্থিৰ অথচ সৃষ্টিশীল আৰু উদ্ভাবনী চৰিত্ৰৰ অধিকাৰী মহানন্দই নাটক আৰু কবিতাও লিখিছিল। পিতৃৰ এনে চাৰিত্ৰিক প্ৰভাৱ বিভূতিভূষণৰ পথেৰ পাঁচালীৰ হৰিহৰৰ চৰিত্ৰত স্পষ্ট। এক অৰ্থত বিভূতিভূষণে দেউতাকৰ পৰা কথকতা, সাহিত্য ৰচনা আৰু দেশভ্ৰমণৰ হাবিয়াহ এই তিনিওটা গুণ অৰ্জন কৰিছিল। আনকি, পিতৃৰ দৰে বহুক্ষেত্ৰত তেওঁ নিজেও আছিল উদাসীন। সৃষ্টিশীল সাহিত্য কৰ্মৰ কোনো বন্ধা-ধৰা নীতিৰ মাজতো তেওঁ আবদ্ধ নহয়। বৰঞ্চ আনকি তেওঁক একমাত্ৰ প্ৰকৃতি-সৌন্দৰ্যৰ ৰূপকাৰ বুলিয়েই ব্যাখ্যা কৰিব বিচাৰে। কিন্তু তেওঁ কেৱল প্ৰকৃতিৰ ৰূপসন্ধানী স্বপ্নদৰ্শী ৰোমান্টিক কবিসত্তা নহয়। তেওঁ প্ৰকৃতিৰ অন্তলোকত অৱগাহন কৰি জীৱন আৰু জগতৰ মহাসত্যক অনুভৱ কৰিব বিচাৰিছে। সেয়েহে তেওঁৰ ৰচনাত যি জীৱনাদৰ্শ প্ৰতিফলিত হৈছে তাত মূলতঃ তিনিটা উপাদান স্পষ্ট হৈছে— প্ৰকৃতি চেতনা, চলন্ত মহাকালৰ বিৰাট স্বৰূপৰ উপলব্ধি আৰু আধ্যাত্মিক বিশ্বাস। তেওঁ মানুহক কোনো মতবাদ বা সমস্যাৰ মাজেৰে চোৱা নাই। অৱশ্যে তেওঁ জীৱনৰ দুখ-দৈন্যক অস্বীকাৰ কৰা নাই। কিন্তু মানুহৰ জীৱনক তেওঁ তুচ্ছ বা সংকীৰ্ণ বুলি ভবা নাই। দুখ বেদনাৰ কঠিন অগ্নি পৰীক্ষাৰ মাজেৰেও মানুহৰ আত্মা অপৰাজিত। সেয়েহে মানুহৰ জয়গানেৰে তেওঁৰ সাহিত্য মুখৰ হৈ উঠিছে। বিভূতিভূষণে এসময়ত নিজেই লিখিছিল যে জীৱন আৰু জগত সম্বন্ধে তেওঁৰ যি আধ্যাত্মিক দৃষ্টিভংগী সেয়া তেওঁ লাভ কৰিছে ৰবীন্দ্ৰনাথৰ কাব্যৰ মাজেৰে। এক অৰ্থত সেই পথেদিয়েই তেওঁ খোজ দিবলৈ চেষ্টা কৰিছে। বিভূতিভূষণ মূলতঃ শান্তৰসৰ সাধক। সমালোচকসকলৰ মতে এই শান্তৰসৰ মূলতে আছে তেওঁ অখণ্ড জীৱনদৃষ্টি। জীৱনক তেওঁ বিচ্ছিন্ন বা খণ্ডিত ৰূপত চোৱা নাই। তেওঁ ভাবনা সদায় অনন্ত, সি জীৱন বা দেশৰ ক্ষেত্ৰতেই হওক বা কালৰ ক্ষেত্ৰতেই হওক। তেওঁ নিজেই লিখিছে— 'আমি শুধু কৌতূহলাক্ৰান্ত এই মহাকালেৰ মিছিলে।' অৱশ্যে তেওঁ এই অন্তক চকু মুদি চাব নিবিচাৰে। প্ৰকৃতিৰ বিচিত্ৰ ৰূপ, পশু-পক্ষীৰ গান, জোনাক নিশাৰ তৰাৱলী, এক কথাত মানুহ আৰু প্ৰকৃতিৰ গভীৰ সম্পৰ্কৰ মাজতে তেওঁৰ অনন্তৰ সন্ধান। আলোচকসকলে উল্লেখ কৰিছে যে তেওঁৰ শাস্ত্ৰৰসৰ প্ৰতি থকা আকৰ্ষণো তেওঁৰ জীৱনবোধৰ লগতে জড়িত। সেয়েহে তেওঁৰ ৰচনা কৌশলতো তাৰ প্ৰভাৱ অনিবাৰ্যভাৱে পৰিছে। তেওঁৰ ৰচনাত অপৰাহ্ন জ্যোৎস্না ৰাতিৰ ৰূপে অথবা পথ-প্ৰান্তৰ নদীৰ ৰূপে প্ৰায়েই বিশেষ গুৰুত্ব লাভ কৰিছে। এনে চিত্ৰকল্প বা পৰিৱেশে তেওঁৰ জীৱনৰ ছায়াচ্ছন্ন উদাসীনতাকে যেন প্ৰতিফলিত কৰিছে। শিশু চৰিত্ৰৰ প্ৰতি বিভূতিভূষণৰ বিশেষ আকৰ্ষণ তেওঁৰ ৰচনাৰ এক উল্লেখনীয় বৈশিষ্ট্য। এক গতিশীল জীৱনৰ প্ৰতি থকা গভীৰ আকৰ্ষণৰ বাবেই হয়তো শিশু চৰিত্ৰৰ প্ৰতি তেওঁৰ গভীৰ আসক্তি। গোটেই বাল্য কালছোৱা তেওঁ পিতৃৰ লগত বিভিন্ন ঠাইত ঘূৰি-পকি এক বিচিত্ৰ জীৱন অভিজ্ঞতা সঞ্চয় কৰিছিল আৰু তেওঁৰ প্ৰায়বোৰ ৰচনাৰ মাজতে এই অভিজ্ঞতাবোৰক অতি প্ৰাণস্পৰ্শী ৰূপত তুলি ধৰাৰ চেষ্টা কৰিছিল।

বিভূতিভূষণৰ উপন্যাসৰাজিত মূলতঃ এক গভীৰ জীৱনবোধৰ পৰিচয় পোৱা যায় যিটো বহু সময়ত আমি ভাৰতীয় জীৱনৰ মূল ধাৰণাৰ সৈতে প্ৰায় একে বুলিব পাৰো। সেইফালৰ পৰা তেওঁৰ উপন্যাসক ভাৰতীয় চিৰন্তন ঐতিহ্যৰ বাহক বুলিব পাৰি। অখণ্ড জীৱন দৃষ্টিৰ মহান সাধক হিচাপেই তেওঁ উপন্যাসসমূহৰ মাজত ভুমুকি মাৰিছে। এটা কথা ক'বই লাগিব যে তেওঁৰ উপন্যাসৰ মূল চালিকাশক্তি প্ৰকৃতি। বাংলা উপন্যাসত বিভূতিভূষণৰ আগলৈকে প্ৰকৃতিক ইমান গুৰুত্বপূৰ্ণ ভূমিকাত অৱতীৰ্ণ কৰাৰ দুঃসাহস কোনেও দেখুওৱা নাছিল। প্ৰকৃতিৰ একান্ত সহচৰী ৰবীন্দ্ৰনাথেও তেওঁৰ উপন্যাসত প্ৰকৃতিক এনে গুৰুত্ব দিয়া নাছিল। কিন্তু বিভূতিভূষণে প্ৰকৃতি চেতনাৰ নিগূঢ় ৰসোপলব্ধিক সঞ্চাৰিত কৰি বাংলা উপন্যাসৰ বাবে এক বিৰাট সম্ভাৱনাৰ বাট মুকলি কৰি দিলে বুলি গোপিকানাথ ৰায়চৌধুৰীয়ে মন্তব্য কৰিছে। আনকি বিভূতিভূষণৰ 'আৰণ্যক' অৰণ্যৰ প্ৰসংগত লিখা প্ৰথম বাংলা উপন্যাস। অৱশ্যে তেওঁৰ এই প্ৰকৃতি চেতনাক আধ্যাত্ম চেতনাৰ লগত একাকাৰ কৰি চাইছে সমালোচকসকলে। এই প্ৰসংগত ৰায়চৌধুৰীয়ে কৈছে— 'প্ৰকৃতি তাৰ কাছে কোনদিন 'End' নয়, যুগান্তকাৰী বিশ্বব্ৰহ্মাণ্ড প্ৰসাৰী এই সৃষ্টিৰ আধ্যাত্ম মহিমা উপলব্ধিৰ পথে প্ৰকৃতি একটি সোপান বা সংকেত মাত্ৰ।'

আগতেও উল্লেখ কৰা হৈছে যে তেওঁৰ ৰচনাত কেৱল প্ৰকৃতি চেতনা বা আধ্যাত্মিকতাকে মূল সত্তা বুলি বুজিলে তেওঁক অতি সংকীৰ্ণ ৰূপেহে প্ৰত্যক্ষ কৰা হ'ব। তেওঁ মানুহৰ জীৱনৰ ছবি আঁকাৰ ক্ষেত্ৰতো একেই দৰদ, একেই মহানুভূতি প্ৰদৰ্শন কৰিছে। সামাজিক সমস্যা সম্পৰ্কত তেওঁ হয়তো জোৰ কৰি কোনো কথা কোৱা নাই, কিন্তু তেওঁ যি জীৱনৰ ছবি আঁকিছে সেই জীৱনে নিজেই তুলি ধৰিছে বহু সামাজিক সমস্যা। বৰঞ্চ এনে বৰ্ণনা উদ্দেশ্যধৰ্মী হোৱাৰ পৰিৱৰ্তে উপলব্ধিৰ বা অনুভৱৰ হোৱা হেতুকে তাৰ কলাত্মক দিশটোৰে অধিক প্ৰাণৱন্ত ৰূপত আত্মপ্ৰকাশ কৰিছে। তেওঁৰ চৰিত্ৰসমূহৰ মাজত দ্বন্দ্ব-সংঘাত আপেক্ষিকভাৱে কম আৰু সেইফালৰ পৰা চৰিত্ৰ-চিত্ৰণ এটা অনাড়ম্বৰতা দেখা যায়। কিন্তু সেইবুলি চৰিত্ৰসমূহ ক্ৰিয়াশীল নহয় অথবা স্থিৰ বুলিবও নোৱাৰি। তথাপি সিহঁত একো একোটা তেজ-মঙহৰ চৰিত্ৰ আৰু তেজ-মঙহৰ মানুহৰ সহজাত ক্ৰিয়া-প্ৰতিক্ৰিয়াৰে সিহঁত সিক্ত। সামগ্ৰিকভাৱে বিভূতিভূষণৰ উপন্যাসৰ বৰ্ণনা শৈলী অতি প্ৰাঞ্জল। পৰিৱেশ অতি জীৱন্ত। এটা জীৱন্ত পৰিৱেশৰ মাজত সহজ-সৰলভাৱে বিচৰণ কৰা তেওঁৰ চৰিত্ৰসমূহে। প্ৰকৃতিৰ অনন্ত লীলা আৰু মহাকালে এই সহজ-সৰল চৰিত্ৰবোৰৰ মাজেৰেই বহু কথা কয়, বহু সত্যৰ দুৱাৰ উন্মোচন কৰি যায়। তেওঁ জীৱনটোক অতি গভীৰভাৱে বুজিবৰ যত্ন কৰে, ভিতৰৰ পৰা উলিয়াই আনিব খোজে জীৱনৰ গুপুত ৰহস্য। এক ইতিবাচক জীৱনৰ অন্বেষণত ব্ৰতী হয় তেওঁৰ ৰচনাৰ মাজেৰে।

'পথেৰ পাঁচালী' তেওঁৰ শ্ৰেষ্ঠতম কৃতি। এই উপন্যাস অকল বাংলা সাহিত্যতে নহয় বৰং ভাৰতীয় সাহিত্যতো এক অভূতপূৰ্ব সংযোজন। পথেৰ পাঁচালীৰ ৰচনা কাল হ'ল ১৯২৫ ৰ পৰা ১৯২৮ চনলৈ। ১৯২৩ পৰা ধৰি খেলাত চন্দ্ৰ এষ্টেটৰ অধীনত কাম কৰি থকা অৱস্থাত তেওঁ এষ্টেটৰ ভাগলপুৰ বিভাগৰ ভাৰপ্ৰাপ্ত সহকাৰী হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। তাতেই ১৯২৫ চনৰ এপ্ৰিল মাহৰ পৰা তেওঁ পথেৰ পাঁচালীৰ ৰচনা আৰম্ভ কৰে আৰু ১৯২৮ চনৰ ২৬ এপ্ৰিলত পাণ্ডুলিপি সম্পূৰ্ণ কৰি উপেন্দ্ৰনাথ গংগোপাধ্যায় সম্পাদিত 'বিচিত্ৰা'ত প্ৰকাশৰ বাবে প্ৰেৰণ কৰে। কোনো অজ্ঞাত কাৰণত উপন্যাসখনৰ প্ৰকাশ কিছু বিলম্ব হয় যদিও বিচিত্ৰাৰ দ্বিতীয় বৰ্ষ সংখ্যাৰ (আষাঢ় ১৯৩৫) পৰা নিয়মিতভাৱে প্ৰকাশিত হৈ ১৯৩৬ চনৰ আহিন মাহত সমাপ্ত হয়। প্ৰথম প্ৰকাশিত এই গ্ৰন্থখনেই বিভূতিভূষণক সফলতাৰ শেষ শিখৰলৈ তুলি নিয়ে। বৰ্তমান এই উপন্যাস বিভিন্ন ভাৰতীয় ভাষালৈও অনূদিত হোৱাতো দূৰৰে কথা ইংৰাজী, ফৰাচী, ৰুছ, জাৰ্মান আদি ভাষালৈও অনূদিত হৈছে। প্ৰখ্যাত চলচ্চিত্ৰ নিৰ্মাতা সত্যজিৎ ৰায়ে এই উপন্যাসক লৈ চলচ্চিত্ৰ নিৰ্মাণ কৰিছে আৰু এই চলচ্চিত্ৰ বিশ্বৰ দ্বাৰা সমাদৃত হৈছে।

বাংলাৰ দৰিদ্ৰ গ্ৰাম্য পৰিয়াল এটাৰ সামান্য সুখ-দুখ, আশা-নিৰাশাৰ প্ৰতিচ্ছবিৰে উপন্যাসখনৰ কথাবস্তু নিৰ্মিত হৈছে। উপন্যাসখন তিনিটা ভাগত বিভক্ত— বল্লালী বালাই, আম-আঁটিৰ ভেঁপু আৰু অক্ৰূৰ সংবাদ। প্ৰথম পৰ্ব বল্লালী বালাইৰ তাৎপৰ্য হ'ল এক কাল প্ৰবাহক ধৰি ৰখা য'ৰ পৰা আৰম্ভ হৈছে অপুৰ অন্তহীন জীৱন যাত্ৰা। এই পৰ্বটিত বৰ্ণিত হৈছে প্ৰচলিত অপুহঁতৰ সংসাৰত আহি পৰা কৌলিন্য প্ৰথাৰ বোজাৰ মৰ্মান্তিক ৰূপৰ চিত্ৰ। দ্বিতীয় পৰ্বটিত বৰ্ণিত হৈছে অপুৰ কৈশোৰক প্ৰতিপালন কৰা গ্ৰাম্য জীৱনৰ দুখ-বেদনা, আশা-আকাংক্ষা, মিশ্ৰিত মুক্ত চঞ্চল জীৱনৰ অন্তহীন ৰহস্য। তৃতীয় পৰ্বটিত অপুৰ নিশ্চিন্দিপুৰৰ বাল্যলীলাৰ সমাপ্তি আৰু নতুন জীৱনৰ সূচনা বৰ্ণিত হৈছে। উপন্যাসখন সেই সময়ৰ বাংলাৰ গ্ৰাম্য জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰে সমৃদ্ধ যদিও সেয়ে উপন্যাসখনৰ ঘাই কথা নহয়। উপন্যাসখনত আমি প্ৰত্যক্ষ কৰা সমাজখনৰ অপৰূপ চিত্ৰবোৰে প্ৰতিভাত হোৱা নাই। এই প্ৰত্যক্ষ বাস্তৱ অভিজ্ঞতাবোৰক বিভূতিভূষণে অতি নিৰ্মোহ দৃষ্টিৰে বিশ্লেষণ কৰিছে আৰু তাৰ মাজেৰে আমাক কেতবোৰ ঐতিহাসিক সত্যৰ মুখামুখি কৰাইছে।

পথেৰ পাঁচালী উপন্যাসখন 'বল্লালী বালাই', 'আম-আঁটিৰ ভেঁপু' আৰু 'অক্ৰূৰ সংবাদ' এই তিনিটি অধ্যায়ৰ নামকৰণ সম্পৰ্কতো সমালোচকসকলে কিছু ব্যাখ্যা আগবঢ়াইছে। বাংলাৰ কিংবদন্তিত এই কথা প্ৰচলিত যে বংগত কৌলিন্য প্ৰথাৰ প্ৰৱৰ্তন কৰে ৰাজা বল্লাল সেনে। এই প্ৰথামতে এজন কুলীনৰ বহু পত্নী থকাটো এক সাধাৰণ কথা আছিল আৰু এনে ধৰণৰ এজন কুলীনৰ শতাধিক পত্নীও আছিল। এই কুলীন ব্ৰাহ্মণসকলে পাল পাতি শহুৰৰ ঘৰবোৰত পদধূলা দিছিল আৰু আতিথ্য গ্ৰহণ কৰি নিজৰ প্ৰাপ্য আদায় কৰি অইন এজন শহুৰৰ ঘৰলৈ যাত্ৰা কৰিছিল। পত্নীসকলে স্বামী গৃহৰ পৰিৱৰ্তে নিজৰ ঘৰতেই জীৱন নিৰ্বাহ কৰিব লাগিছিল আৰু তেওঁলোক আত্মীয়সকলৰ গলগ্ৰহ স্বৰূপ হৈ পৰিছিল। এমুঠি অন্নৰ বাবে এওঁলোক সংসাৰৰ 'বালাই' বোজা বা অমংগলৰ দৰে হৈ পৰিছিল। উপন্যাসত বৰ্ণিত ইন্দিৰ ঠাকৰুণ ৰজা বল্লাল সেনে প্ৰতিষ্ঠা কৰা কৌলিন্য প্ৰথাৰ নিংকৰুণ সাক্ষী, অপুহঁতৰ সংসাৰখনৰ ওপৰত এক বোজাস্বৰূপ। ঔপন্যাসিকে বল্লালী বালাই নামেৰে উপন্যাসৰ প্ৰথম পৰ্বটিত অতি মৰ্মন্তুদ ৰূপত এই ঐতিহাসিক সত্যকে তুলি ধৰিছে। উপন্যাসখনত এই অধ্যায়টিৰ তাৎপৰ্য হ'ল এক কাল প্ৰবাহক ধৰি ৰখা য'ৰ পৰা আৰম্ভ হৈছে অপুৰ অন্তহীন জীৱনযাত্ৰা। লেখকে তাৰ স্পষ্ট ইংগিত দি লিখিছে— 'ইন্দিৰ ঠাকৰুণেৰ মৃত্যুৰ সংগে সংগে নিশ্চিন্দিপুৰ গ্ৰামে সেকালেৰ অৱসান হইয়া গেল।'


দ্বিতীয় পৰ্বটিৰ নাম দিয়া হৈছে আম আঁটিৰ ভেঁপু। আম আঁটিৰ ভেঁপু হ'ল 'আম গুটিৰ পেপা'। আম খাই মাটিত পেলাই থোৱা গুটিটোৰ ওপৰৰ খোলাটো গুচাই দিলে ভিতৰত দুফাল কোমল অংশ পোৱা যায়। এই কোমল গুটিটোক মসৃণ কৰি ভিতৰত কিবা গছৰ পাত সুমুৱাই দি বা নোসোমোৱাকৈও ফু মাৰিলে তাৰ পৰা পেঁপাৰ দৰে এটি শব্দ ওলায়। সেইটোৱেই হ'ল আমগুটিৰ পেঁপা। অপুৰ কৈশোৰক পোহপাল দিয়া গ্ৰাম্য ৰূপটোকে এই নামকৰণে প্ৰতিনিধিত্ব কৰিছে। নামটোৰ মাজতেই যেন নিহিত আছে গ্ৰাম্য জীৱনৰ দুখ-বেদনা, আশা-আকাংক্ষা মিশ্ৰিত মুক্ত চঞ্চল জীৱনৰ অন্তহীন ৰহস্য। গ্ৰাম্য জীৱনৰ অভাৱ-অনাটন, প্ৰকৃতিৰ লগত নিবিড় সম্পৰ্ক, সমনীয়াৰ সাহচৰ্য আৰু নানান সংঘাতৰ মাজতো এক ৰঙীন সপোনৰ উপস্থিতি এই সকলোবোৰকে যেন এই নামটোৱেই নিৰ্দেশ কৰিছে।

তৃতীয় পৰ্বটি হ'ল অক্ৰূৰ সংবাদ। অক্ৰূৰ সংবাদ হ'ল শ্ৰীকৃষ্ণৰ বৃন্দাবন লীলাৰ *১৩ পৃষ্ঠাত*

অষ্টম পৃষ্ঠাৰ পৰা

# নিয়ৰৰ ফুল

বৰ মৰমৰ ভনী তাই। সি আগতে অসমৰ ইমূৰ-সিমূৰে গান গাবলৈ



গ'লে তাইলৈ কাণফুলি, খাৰু, মণিবোৰ আনি দিছিল। তায়ো সি ক'ৰবাত গান গাবলৈ গ'লে কাপোৰ-কানি এসপ্তাহৰ আগৰ পৰাই ধুই-মেলি ইস্ত্ৰি কৰি ৰেডি কৰি দিয়ে। বাটত খাবলৈ টিফিনত ফলমূল, ৰুটী-ভাজি সকলো কৰি দি পঠায়। কথাবোৰ মনত পৰে তাৰ। বিছনাখনত শুই শুই আমনি লাগিলে পেংডাল লৈ সি বাহিৰলৈ যায়। চোতালৰ সোণাৰু-কেনাৰু গছৰ তলত ৰৈ উৰি যোৱা চৰাইবোৰ চাই থাকে। আকাশখনলৈ চাই সি। ইমান বহল আকাশখন। আকাশে সকলোকে ছাদ এখন দি দিয়ে মূৰৰ ওপৰত। ঠিক তাৰ দেউতাকৰ দৰে। ইৰিগেচনৰ সৰু চাকৰি। অথচ কিমান অনুষ্টুপীয়াকৈ সংসাৰখন চলাই নিছে। পিছে তাৰ মাকৰ বাবেহে অশান্তি। আনৰ মাকবোৰ বাৰু তাৰ মাকৰ দৰে খিংখিঙীয়ানে নে তাৰ এই অৱস্থাটোৰ বাবেহে বেছি খিংখিঙীয়া হৈ গৈছে। নহয় নহয়। মাকে দেউতাককো বকে। ভনীয়েক আৰ্হিকো। খং উঠিলেও একো কৰিব নোৱাৰে সি। মৃণ্ময়ৰ খং উঠে। খং উঠিলেও একো কৰিব নোৱাৰে বাবে মনৰ ভিতৰতে উতলি থাকে সি। কাৰণ সি যে পংগু। যাওঁ বুলিলেও ঘৰৰ পৰা খঙৰ ভমকত ক'তো ওলাই যাব নোৱাৰে।

অথবা কৰো বুলি ক'লেও একো কৰিব নোৱাৰে সি। জীৱনে ঠগালে তাক।

আৰ্হিয়ে তাক চকুৰ আঁতৰ হ'বলৈ নিদিয়ে। কিয়, কিয় ইমান মৰম তালৈ তাইৰ? ই বাৰু পুতৌ নেকি? সিয়ে পংগু, পংগুত্বৰ জীৱন এটি আঁকোৱালি ল'লে। তাৰ বাবে তাইৰ এয়া অনুকম্পা নেকি? নাই নাই নহয়। তাইক ইমান বেয়াকৈ ভাবিবলৈ মন নাযায় মৃণ্ময়ৰ। মাকৰ দৰে তাই অন্ততঃ স্বাৰ্থপৰ নহয়। সুজয়ে ঘটি অনা টকাকেইটা মাকৰ হাতত গুঁজি দিলে মাকৰ মুখ উজলি উঠাৰ দৰে আৰ্হি স্বাৰ্থপৰ নহয়। আৰ্হিৰ স্বভাৱ দেউতাক আৰু তাৰ দৰে। নিঃস্বাৰ্থ। সঁচা আন্তৰিকতাৰে ভৰপূৰ।

মোৰ বুকুত কি জ্বলে
মোৰ দুখ মোৰ আনন্দ
কিহে আৰু ব্যাপক কৰি তোলে?

সি নিজৰ মনৰ মাজতে পাকঘূৰণি খাই থাকে। অভিমান এটা নাকে-মুখে ওলমি থাকে। জীৱনটোলৈ বিতৃষ্ণা ওপজে। ধেৎ। এনে জীৱন সি আশা কৰা নাছিল। সুখ বুলিবলৈ একোৱেই নাপালে মৃণ্ময়ে। পাহি এটা অনৰ্থক সপোন। বিহ ঢালি আঁতৰি যোৱা নষ্ট পখী। বাকি দিনবোৰ তাৰ নাযায়-নুপুৰাই লাগে। কৰিবলগীয়া বিশেষ একো নাই। গান গাবলৈ সি যাব নোৱাৰে। সেয়ে সি ভাবনাৰ কুন্দলী পকাই কেৱল গান লিখে। গান লিখি বিক্ৰী কৰে। ক্ৰেতাই উচিত দাম নিদিয়ে। তথাপি দুই-এক পা-পইচা নোলোৱা নহয়। আৰ্হিক সকাহ দিবৰ মন যায় তাৰ। আৰ্হিৰ জেৰক্স, ম'বাইলৰ ৰিচাৰ্জ, লিপষ্টিক, কলম-কাগজ, আইলাইনাৰ, আনুষংগিক অন্য বস্তু। তাৰ সক্ষমতাৰে পৰাখিনি দিয়ে সি। নিজৰো ম'বাইলৰ ৰিচাৰ্জ, কলম, কাগজ-বহী গান লিখিবৰ বাবে। সপোনবোৰ এনেকৈয়ে ফুলকচোন। এপাহি-দুপাহিকৈ। সুখবোৰ এনেকৈয়ে বোটলক সি কণ-অকণকৈ। ভাবে সি।

অহাৰ দৰেই উভতি আঁতৰি গ'লা বাটে বাটে ফুল সিঁচি থৈ ৰ'দৰ তাপত মৰহি শুকালেও তোমাৰ কথাকে আছে কৈ—

বুকুৰ ভিতৰত চেপি ৰখা দুখখিনি উলিয়াই দিব বিচাৰে সি। কিদৰে উলিয়াব সি বুজি নাপায়। আৰ্হিয়ে কয়— দাদা,তই দুৰ্বল নহ'বি। তোৰ লগত আমি সদায় আছো। তই কেৱল নিজৰ গান লিখা কামটো নেৰিবি।

নেৰে সি। তাৰ গানৰ কথাই শ্ৰোতাৰ হৃদয় চুই যায়। বহু নতুন নতুন নম্বৰৰ পৰা তালৈ ফোনকল আহে দাদা গান এটা লাগিছিল বুলি।

সি উৎসাহী হৈ পৰে। গাবলৈতো যাব নোৱাৰে গান। লিখিয়ে এদিন সি পপুলাৰ হ'ব। তাৰ বুকুত অযুত সপোন। সপোন ফুলি উঠিব তাৰ লহপহকৈ। মনৰ কল্পনাৰে সি বহু দূৰলৈ গুচি যায়।

হঠাতে মাকৰ কৰ্কশ মাততহে সি বাস্তৱলৈ উভতি আহে। আৰু বা কিমান দিনলৈ এইদৰে? হতাশাক প্ৰশ্ৰয় নিদিয়ে সি। মাকে হয়তো কোনোবা এদিন হ'লেও তাক বুজি পাব। ভৰিখন সি ইচ্ছাকৃতভাৱে ভাঙি লোৱা নাই। যোৱা দুবছৰে সি ঘৰৰ ভিতৰত সোমাই সোমাই কম কষ্টকৰ জীৱন কটোৱা নাই। ভনীয়েক থাকে মানেহে। তাইক এঘৰলৈ বিয়া দি উলিয়াই দিলে তাৰ চিলিমেই ছিগিব। সুজয়ে যদি বিয়া পাতে বোৱাৰীজনী বা কেনে হয়? তাৰ আগতেই সি মৰি গ'লে ভাল হয়।

সি অনাগত দিনবোৰৰ ভয়াৱহতাৰ কথা ভাবে। মাকৰ পৰা সি ভাল ব্যৱহাৰ আশা নকৰে কেতিয়াও।

নিয়ৰৰে ফুল এপাহ সৰিল
এপাহ হেৰালনো কেনি?

পাহিৰ কথাবোৰে তাক আমনি কৰে। সি হায়াৰ ছেকেণ্ডাৰীত পঢ়ি থকাৰ পৰাই পাহিক ভাল পাইছিল। তায়ো। কিন্তু ভৰিখন ভগাৰ পৰাই তাই দূৰলৈ গুচি গ'ল। কি যন্ত্ৰণা। তাই তাৰ বাবে এপাহ ফুল হে হৈ পৰিল ক্ৰমে। ৰাতি ফুলি পুৱা সৰি যোৱা ফুল। নিয়ৰৰ ফুলৰ দৰেই। বুকুত সিক্ততাৰ পোছাক পিন্ধি তিয়াই থৈ যোৱা ফুল।



মাকৰ কৰ্কশ মাততহে সি বাস্তৱলৈ উভতি আহে। আৰু বা কিমান দিনলৈ এইদৰে? হতাশাক প্ৰশ্ৰয় নিদিয়ে সি। মাকে হয়তো কোনোবা এদিন হ'লেও তাক বুজি পাব। ভৰিখন সি ইচ্ছাকৃতভাৱে ভাঙি লোৱা নাই। যোৱা দুবছৰে সি ঘৰৰ ভিতৰত সোমাই সোমাই কম কষ্টকৰ জীৱন কটোৱা নাই। ভনীয়েক থাকে মানেহে। তাইক এঘৰলৈ বিয়া দি উলিয়াই দিলে তাৰ চিলিমেই ছিগিব। সুজয়ে যদি বিয়া পাতে বোৱাৰীজনী বা কেনে হয়? তাৰ আগতেই সি মৰি গ'লে ভাল হয়।

১১ পৃষ্ঠাৰ পৰা

# পথেৰ পাঁচালী

শেষ অংশ। মথুৰাত অত্যাচাৰী ৰজা কংসৰ অপশাসনৰ ওৰ পেলাই শান্তি প্ৰতিষ্ঠাৰ বাবে শ্ৰীকৃষ্ণক বৃন্দাবনৰ পৰা আনিবলৈ যোৱা ব্যক্তিজন আছিল অক্ৰূৰ আৰু এই অক্ৰূৰৰ ৰথতেই ব্ৰজবাসীসকলৰ কাতৰ আকুতি নেওচি বৃন্দাবন লীলাৰ সামৰণি মাৰি শ্ৰীকৃষ্ণই মথুৰালৈ যাত্ৰা কৰিছিল। পথেৰ পাঁচালী উপন্যাসৰ এই পৰ্বটিত অপুৱে তাৰ নিশ্চিন্দিপুৰৰ বাল্যলীলা সমাপ্ত কৰি জীৱনৰ এক নতুন অধ্যায় আৰম্ভ কৰিছে। অৱশ্যে উপন্যাসখনত অপুৰ নিশ্চিন্দিপুৰ এৰি অহাৰ কথাখিনি দ্বিতীয় পৰ্বটিতে বৰ্ণিত হৈছে, সেই ফালৰ পৰা ই অক্ৰূৰ সংবাদৰ সমগোত্ৰীয় নহয়। তথাপি আমি এইটো বুজিব লাগিব যে অক্ৰূৰ সংবাদে অকল বৃন্দাবনৰ পৰা বিদায়কে নিৰ্দেশ কৰা নাই বৰং মথুৰাৰ নতুন অধ্যায়টোৰ ইংগিতো বহন কৰিছে। সেইফালৰ পৰা 'অক্ৰূৰ সংবাদে' উপন্যাসখনত অপুৰ নিশ্চিন্দিপুৰৰ বাল্যলীলাৰ সমাপ্তি আৰু নতুন জীৱনৰ সূচনাকে সঠিকভাৱেই ইংগিত কৰিছে।

বিভূতিভূষণে উপন্যাসৰ প্ৰথম পৰ্বটিত নিশ্চিন্দিপুৰৰ জীৱনযাত্ৰাক তুলি ধৰিছে, যি জীৱন সমাজ ব্যৱস্থাৰ নিষ্ঠুৰ আঘাতত ক্ষত-বিক্ষত, জৰ্জৰিত। সন্দেহ নাই যে নিশ্চিন্দিপুৰৰ জীৱন মানুহৰ সহজাত স্নেহ-মমতা আৰু সৰল গ্ৰাম্য অনুভূতিৰে সিক্ত, প্ৰকৃতিৰ অকৃত্ৰিম আলিংগনেৰে ধন্য, কিন্তু একে সময়তে ই জীৱনৰ বাবে এক অভিশাপ, আশা-আকাংক্ষা আৰু সপোনৰ বধ্যভূমি। উপন্যাসৰ প্ৰথম পৰিচ্ছেদতে ইন্দিৰ ঠাকৰুণে খাবলৈ লোৱা চাউল ভজাৰগুৰি আৰু তাৰ প্ৰতি অত্যন্ত কৰুণভাৱে লক্ষ্য কৰি থকা দুৰ্গাৰ চকুযুৰিয়েই এই সমাজ ব্যৱস্থাই জন্ম দিয়া দাৰিদ্ৰ্য আৰু আশা ভংগৰ ঘটনাক অতি মৰ্মান্তিকভাৱে তুলি ধৰিছে। ইন্দিৰ ঠাকৰুণ এক সমাজ ব্যৱস্থাৰ দাস। এই ব্যৱস্থাৰ নিৰ্মম আঘাতে তাইৰ জীৱনটোক কিদৰে পিহি পেলাইছে তাক বুজিবলৈ উপন্যাসৰ ভিতৰলৈ যোৱাৰ প্ৰয়োজন নাই। সৰ্বজয়াৰ লেকেচা-থেকেচা খাই কাষত এটা পিতলৰ ঘটী আৰু সোঁহাতত এটা কাপোৰৰ টোপোলা লৈ ঘৰ এৰি ওলাই যোৱা আৰু দুৰ্গাৰ হাতত ধৰি সন্ধ্যাৰ আন্ধাৰত পুনৰ সেই লেকেচা-থেকেচা খাবলৈ ঘূৰি অহাৰ দৃশ্যটিয়েই তাৰ বাবে যথেষ্ট। মানসিকভাৱে অজস্ৰবাৰ মৰিও তাই শৰীৰটোৰে মৰিব নোৱাৰে। সেয়েহে দুৰ্বিষহ হ'লেও তাক কঢ়িয়াই ফুৰিব লাগে। এনে দুৰৱস্থাৰ মাজতো কিন্তু বুঢ়ীৰ নাতিনীয়েকহঁতৰ প্ৰতি মমতাৰ অন্ত নাই, বোধহয় এনেবোৰ আসক্তিয়েই মানুহক মৰি মৰিও জীয়াই থকাৰ শক্তি দিয়ে। লেখকে কৌলীন্য প্ৰথাৰ এই দানৱীয় ৰূপটোৰ বৰ্ণনাৰ যতি পেলাইছে ইন্দিৰ ঠাকৰুণৰ মৃত্যুৰ মাজেৰে। ইন্দিৰ ঠাকৰুণৰ মৃত্যুৰ ঘটনাটো অকল এক জীৱন গাথাৰ সমাপ্তিয়েই নহয়। কুলীন পত্নী ঠাকৰুণে মৰিবৰ বাবেও এটুকুৰা ঠাই পোৱা নাই। তেওঁ ৰুগ্ন, জৰ্জৰিত দেহা লৈ পালিত পাৰাত গৈ শেষ নিশ্বাস ত্যাগ কৰিছে। ফণী চক্ৰৱৰ্তীয়ে দিয়া গংগাৰ পানী কোৱালি ফালি বাগৰি আহিছে। কৌলীন্য প্ৰথাৰ কি শোকাৱহ পৰিণতি। লেখকে এই বৰ্ণনাৰ মাজেৰে এই ব্যৱস্থাটোক অতি নগ্নভাৱে কটাক্ষ কৰিছে।

তাৰ পিছত আৰম্ভ হৈছে দুৰ্গা আৰু অপুৰ জীৱন। ইয়াৰ মাজেৰেই হৰিহৰ আৰু সৰ্বজয়াৰ দাৰিদ্ৰ্যপীড়িত সংসাৰখনৰো তেওঁ যথাৰ্থ বিৱৰণ প্ৰস্তুত কৰি গৈছে যদিও সামগ্ৰিকভাৱে এই পৰ্বত বেছিভাগ বৰ্ণনাই অপুৰ জীৱনৰ বিচিত্ৰ মায়াময় চিত্ৰৰ সমাবেশেৰে সমৃদ্ধ। ইয়াৰে অৱশ্যে প্ৰথমছোৱাত অপুতকৈও দুৰ্গাৰ চৰিত্ৰটিয়েহে অধিক গুৰুত্ব পাইছে। এই বহিৰ্মুখী, চঞ্চল চৰিত্ৰটি বিভূতিভূষণে অংকন কৰিছে অপুৰ অন্তৰ্মুখী স্বপ্নবিভোৰ চৰিত্ৰটিক স্পষ্ট কৰি তুলিবলৈ। দুয়োটাৰে বৈপৰীত্য আছে কিন্তু দুয়োটা ইটো সিটোৰ পৰিপূৰক। দুৰ্গা গাঁৱৰ প্ৰকৃতি, হাবি-বনৰ মাজত বেপৰোৱাভাৱে ঘূৰি ফুৰা ছোৱালী। প্ৰকৃতিয়ে যিদৰে অকৃত্ৰিমভাৱে সকলোলৈকে তাৰ সৌন্দৰ্য-সম্ভাৰৰ দ্বাৰ খুলি দিয়ে, তেনেকৈ দুৰ্গায়ো তাইৰ অকৃত্ৰিম হৃদয়ৰ দ্বাৰ খুলি দিয়ে পৃথিৱীৰ সকলো প্ৰাণীলৈকে। তাইৰ এই ভালপোৱা অপু, হৰিহৰ বা সৰ্বজয়াৰ উপৰি সকলোৰে দ্বাৰা অৱহেলিতা ইন্দিৰ ঠাকৰুণলৈও ব্যাপ্ত হয়। আনকি অন্নদা ৰায়ৰ বোৱাৰীয়েকো তাইৰ এই চিৰন্তন মমতাৰ পৰা বঞ্চিত নহয়। সকলোৰে ককৰ্থনা, মাকৰ হাতৰ মাৰপিট, এই সকলোবোৰ হজম কৰিও প্ৰকৃতিৰ বুকুৰ পৰাই তাই সংগ্ৰহ কৰে তাৰ মৰমৰ ভায়েকটোৰ আৰু তাইৰ নিজৰ শৈশৱৰ কিছুমান অভিলাষ ক্ষন্তেকৰ কাৰণে হ'লেও পূৰ্ণ কৰিব পৰা কিছুমান বস্তু। তাৰ মাজতেই তাই হেঁপাহ পলুৱাই জী থাকিব বিচাৰে। তথাপি দাৰিদ্ৰ্যই পূৰণ কৰিব নোৱাৰা তাইৰ কেতবোৰ আশা মৰহি যায়। তাইৰো কেতিয়াবা কিছুমান বস্তুৰ প্ৰতি লোভ হয়। এনে লোভৰ বশৱৰ্তী হৈ তাই এদিন এটি সোণৰ অলংকাৰ ৰখা ঢাকনী থকা পাত্ৰ এটা চুৰ কৰিছে। কিন্তু লেখকে এই ঘটনাৰ বাবে দুৰ্গাৰ চৰিত্ৰত চেকা লাগিবলৈ দিয়া নাই, বৰং ঘটনাৰটোৱে সামাজিক বৈষম্যৰ কদৰ্য চিত্ৰখনৰ আঁৰ কাপোৰ গুচাই দি এক প্ৰতিবাদ সাব্যস্ত কৰিছে। দুৰ্গাৰ মৃত্যুৰ চিত্ৰও সামাজিক বৈষম্যই সৃষ্টি কৰা হৃদয়হীন দাৰিদ্ৰ্যৰ এক মৰ্মান্তিক ছবি। এই মৃত্যুৰ ঘটনাই মানুহৰ মমতা আৰু বিচাৰ-বুদ্ধিক জোকাৰি দিছে। নিশ্চিন্দিপুৰৰ এই সমাজখনত এনেকৈয়ে একোটা চঞ্চল, উদ্দাম জীৱন মৰহি যায়, মৰহি যায়। একো একোটা আশা। সেয়েহে দুৰ্গাই শেষ বাক্যটো কৈছে— 'আমায় একদিন তুই ৰেলগাড়ী দেখাবি।' দুৰ্গাৰ হাতত ধৰিয়েই অপুৱে এদিন জগতখন চিনিবলৈ শিকিছে, তায়েই তাক পৰিচয় কৰি দিছে গ্ৰাম্য জীৱনৰ আনন্দ-মধুৰ খেলা-ধূলা আৰু প্ৰকৃতিৰ অনাবিল সৌন্দৰ্যৰ লগত। এইবোৰৰ মাজত বিভোৰ হৈ থকা 'অপু'ৰ আন দহোটা গাঁৱৰ শিশুৰ সৈতে কোনো ভিন্নতা নাই, কিন্তু এইবোৰৰ মাজেৰে স্পষ্ট হৈ পৰা তাৰ অন্তৰ্মুখী চৰিত্ৰ আৰু অসাধাৰণ সৌন্দৰ্য দৃষ্টিয়ে তাক অনন্য ৰূপত গঢ়ি তুলিছে। অপুৰ জীৱনৰ মাজেৰেই লেখকে নিশ্চিন্দিপুৰৰ মায়াময় জীৱন আৰু প্ৰকৃতিৰ চিত্ৰ অংকন কৰিছে। বিভূতিভূষণৰ দৃষ্টিভংগীৰ যি কাব্যসুলভ প্ৰজ্ঞা আছিল সি অপুৰ চৰিত্ৰৰ মাজেৰেই প্ৰকাশ লাভ কৰিছে। অপুৰ এই অন্তৰ্দৃষ্টি গোটেই উপন্যাসখনতে প্ৰতীয়মান হৈ আছে। অপুৰ এনে বিস্ময়াৱহ কল্পনাৰ পৰিচয় স্পষ্ট হৈ উঠিছে গাঁৱৰ পৰিসীমা অতিক্ৰম কৰি প্ৰবাসযাত্ৰাৰ প্ৰথম অভিজ্ঞতাৰ মাজেৰে, ৰে'লৰ ছবি দেখি কৰা দূৰ-দূৰন্তৰ কল্পনাৰ মাজৰে, শঙুনৰ কণীৰ সহায়ত আকাশত উৰাৰ দুৰ্বাৰ আকাংক্ষাৰ মাজেৰে, যাত্ৰাদলৰ অভিজ্ঞতাৰ লগত একাত্ম হৈ যোৱাৰ মাজেৰে, সান্নাল মহাশয়ৰ গল্পৰ লগে লগে অন্তহীন কল্পনাৰ মাজত ডুব যোৱাৰ মাজেৰে। কিন্তু উপন্যাসখনত সংসাৰৰ এই মায়াময় ৰূপবোৰেই বৰ্ণনা নাই, তাৰ মাজে মাজে লেখকে সমাজৰ নিদাৰুণ চিত্ৰবোৰো অতি বলিষ্ঠ ৰূপত অংকন কৰিছে। একেদৰে, উপন্যাসখনৰ নৱম পৰিচ্ছেদত ডুগডুগী বজোৱা শব্দ শুনি 'বান্দৰ'ৰ খেলা বুলি ভাবি দুৰ্গা আৰু অপু আত্মহাৰা হৈ দৌৰি গৈছে। পিছে তেওঁলোকে দেখিলে যে মিঠাইৱালাই মূৰত মিঠাইৰ থাল লৈ ভুৱন মুখাৰ্জীৰ ঘৰ পাইছেগৈ। একে পৰিৱেশতে দুৰ্গা আৰু অপুৰ উপস্থিতিত বিৰক্ত হৈ সেজ-ঠাকৰুণে মন্তব্য কৰিছে 'দেখতে পাৰিনে বাপু, ছড়িটাৰ জে কি হ্যাংলা স্বভাৱ, নিজেৰ বাড়ী আছে, গিয়ে বসে কিনে খেগে যা না? তা না লোকেৰ দোৰ দোৰ, যেমন মা, তেমনি ছা।' উপন্যাসৰ দশম পৰিচ্ছেদত দুৰ্গাই কেইটামান আমৰ গুটি সংগ্ৰহ কৰি অনাৰ বাবেই সৰ্বজয়া মুখাৰ্জীবাৰীৰ সেজ ঠাকৰুণৰ দ্বাৰা লাঞ্ছিতা হৈছে, সতুৰ পুতলা চোৰ নকৰাকৈয়ে দুৰ্গাই সৰ্বজয়াৰ নিৰ্মল প্ৰহাৰ সহ্য কৰিব লগা হৈছে। লেখকে ধনী-দুখীয়াৰ বৈষম্যৰ ওপৰত জোৰ দিয়া নাই, কিন্তু সহৃদয় পাঠকে বুজিবলৈ বাকী নাথাকে যে ভুৱন মুখাৰ্জীৰ ঘৰৰ মানুহৰ এনে দম্ভালি একমাত্ৰ অৰ্থৰেই প্ৰতাপ আৰু সি সদায় অপুহঁতৰ দৰে অৰ্থহীন কঙালসকলৰ ওপৰতে প্ৰয়োগ হয়।

ভুৱন মুখাৰ্জী, অন্নদা ৰায়ৰ দৰে মানুহে সম্পদ অৰ্জন কৰাৰ পথটোও বিভূতিভূষণে স্পষ্ট কৰি দিছে। এনে আঢ্যৱন্ত লোকসকলৰ মনৰ কদাকাৰ ৰূপটোও তেওঁ অতি নিৰ্ভেজালভাৱে উন্মোচিত কৰিছে। সেয়েহে নিশ্চিন্দিপুৰৰ সমাজ ওপৰে ওপৰে দেখাৰ দৰে অকল মায়াময় নহয়। ড° হীৰেন গোহাঁয়ে এনেবোৰ কথাৰ উদ্ধৃতি দি কৈছে 'নিশ্চিন্দিপুৰৰ সমাজত প্ৰকৃততে প্ৰতি মুহূৰ্ততে মানুহৰ মনুষ্যত্ব আহত হৈছে। স্নেহ আৰু মমতাও অৱশ্যে সেই ঠাইত বিৰল নহয়; বিশেষকৈ পাৰিবাৰিক পৰিবৃত্তৰ মাজত। কিন্তু তাৰ প্ৰভাৱ অত্যন্ত সংকীৰ্ণ, অত্যন্ত ক্ষুদ্ৰ।' (গোহাঁই হীৰেন, ২০০০, ১১০)

ড° হীৰেন গোহাঁইৰ আন এটি মন্তব্য উপন্যাসখনৰ দৃষ্টিভংগী বিচাৰৰ প্ৰশ্নত নিশ্চয় অতি গুৰুত্বপূৰ্ণ। অতীতৰ জীৱনত মোহাসক্তিৰ যি আচ্ছাদন পৰে, যি অতীত আৰু কোনো দিন উভতি নাহে-ঔপন্যাসিকে তেওঁৰ বিবেক-বুদ্ধিক সেই মোহাবৰণৰ দ্বাৰা আচ্ছন্ন হ'বলৈ দিয়া নাই। পুষ্টৰ সেই বিখ্যাত উক্তি, — '*The only Paradise is the Paradise we have lost*'— সাৰ্থক ৰূপেৰে বিভূতিভূষণে নিশ্চিন্দিপুৰৰ অতীতটোক ইমান মায়াৰে আবৃত কৰিছে এইবাবেই যে তেওঁ ভালকৈয়ে জানে যে অতীতলৈ প্ৰত্যাৱৰ্তন যথাৰ্থতে অসম্ভৱ। নতুবা সেয়া কেৱল মানুহৰ সম্পূৰ্ণ অনাত্মীয় কোনো নৈৰ্ব্যক্তিক কালৰ অভিযানৰ বাবেই নহয়। মানুহ স্বয়ং কালৰ এই নিৰ্মম অভিযানৰ অংশীদাৰ। যিটোৰ তাগিদাত হৰিহৰে স্ত্ৰী-পুত্ৰৰ হাতত ধৰি অজান ভৱিষ্যতৰ দিশলৈ নিশ্চিন্দিপুৰৰ মায়া-মোহ তেজি গুচি গৈছে, যিটোৰ তাগিদাত অপুৱেও সৰ্বজয়াৰ মৃত্যুৰ পিছত তাৰ মাকৰ স্মৃতিবিটৌত ভেটি ত্যাগ কৰি উলটি গৈছে কৰ্মচঞ্চল জগতখনলৈ, সেই তাগিদা কালৰেই এক অভিব্যক্তি মাত্ৰ। নিশ্চিন্দিপুৰৰ গছ-লতিকা, চৰাই-চিৰিকটি, মমতাৰে ভৰা মা-ভনী-সংগিনীৰ হৃদয়, তাতকৈও অপুক বেছিকৈ টানি ৰাখিছে দূৰ-দূৰান্তৰ অজান খবৰ কঢ়িয়াই অনা ৰে'লগাড়ী আৰু 'টেলিগ্ৰাফৰ' তাঁৰে।' (গোহাঁই হীৰেন, ২০০০, ১০৭) ৰে'লগাড়ী আৰু টেলিগ্ৰাফৰ তাঁৰ ইয়াত অনিবাৰ্যভাৱেই মুক্তি, বিকাশ আৰু প্ৰগতিৰ এক গুৰুত্বপূৰ্ণ প্ৰতীক। এই প্ৰতীকেৰেই বিভূতিভূষণে অপুৰ অনন্ত যাত্ৰাৰ স্বপ্ন মূৰ্তিমান কৰি তুলিছে।

অন্য এক দৃষ্টিৰে ক'ব পাৰি, বিভূতিভূষণৰ 'পথেৰ পাঁচালী' এখন মহাকাব্যিক উপন্যাস। অসমীয়া সাহিত্যৰ 'জীৱনৰ বাটত' উপন্যাসৰ দৰেই গ্ৰাম্য সমাজখনক এই উপন্যাসে অভ্যন্তৰৰ পৰা ফঁহিয়াই চোৱাৰ চেষ্টা কৰিছে। নানান মায়া-মোহেৰে আৱৰা হ'লেও সংকীৰ্ণতা, নিয়তিৰ প্ৰতি বিশ্বাস, বিভিন্ন ধৰণৰ অত্যাচাৰ, উৎপীড়ন আৰু দুৰন্ত শ্ৰেণী ব্যৱধান আদিয়ে কেনেদৰে আমাৰ সমাজখনক চেপি ৰাখিছে তাৰ চিত্ৰ দুয়োখন উপন্যাসতে স্পষ্ট। এই মহাকাব্যিক উপন্যাসখনৰ প্ৰতিটো কথাই গভীৰ অন্তৰ্দৃষ্টিৰে বিচাৰ কৰাৰ প্ৰয়োজনীয়তা আছে। কিন্তু বেছিভাগ আলোচনাতে বিভূতিভূষণৰ ঐন্দ্ৰজালিক বৰ্ণনাৰীতিৰ মাজেৰে প্ৰতিভাত হোৱা জগতৰ তুচ্ছতাৰ মাজতো শিশু মনে বিচাৰি পোৱা অলৌকিক ৰাজ্যখনৰ ওপৰতে গুৰুত্ব প্ৰদান কৰা হৈছে। জীৱনৰ বাটত উপন্যাসৰ মাজত থকা গভীৰ সামাজিক তত্ত্ববোৰ উন্মোচিত হোৱাৰ পাছত আমি তাৰ মাজত কালজয়ী সৃষ্টিশীল প্ৰতিভাৰ স্বাক্ষৰ বিচাৰি পাইছো। কিন্তু, পথেৰ পাঁচালীয়ে তাৰ নিজস্ব গুণেই কালোত্তীৰ্ণ উপন্যাস হিচাপে জনতাৰ হৃদয়ত তাৰ প্ৰতিষ্ঠা গজগজীয়াকৈ ৰাখিছে, প্ৰথাগত সমালোচনা য'ত এতিয়াও তাৰ যাদুকৰী বৰ্ণাঢ্য ৰূপটোৰ বিচাৰ-বিশ্লেষণতে সীমাবদ্ধ বুলি ক'ব পৰা যায়।

পথেৰ পাঁচালী কোনো এক সংহত কাহিনীভিত্তিক উপন্যাস নহয়। ঘটনাৰ সংঘাত, চৰিত্ৰৰ অন্তৰ্দ্বন্দ্ব অথবা বিশেষ কোনো ৰাজনৈতিক বা ঐতিহাসিক তাৎপৰ্যৰেও এই উপন্যাস সমৃদ্ধ নহয়। এটি সাধাৰণ গ্ৰাম্য বাংলা দৰিদ্ৰ পৰিয়াল এটাৰ সামান্য সুখ-দুখ আশা-নিৰাশাৰ প্ৰতিচ্ছবিৰেই নিৰ্মিত হৈছে এই প্ৰখ্যাত উপন্যাসৰ কথাবস্তু। সেই বিশেষ সময়ৰ বাংলাৰ গ্ৰাম্য জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰে সমৃদ্ধ যদিও কেৱল সেয়াই উপন্যাসখনৰ ঘাই কথা নহয়। এই অভিজ্ঞতাক বিভূতিভূষণে ইমান সূক্ষ্মতাৰে পৰ্যবেক্ষণ কৰিছে আৰু কালৰ বুকুতে মহাকালৰ দুনিৰ্বাৰ গতিক ইমান প্ৰজ্ঞাৰে প্ৰত্যক্ষ কৰিছে যে এই উপন্যাসে এক বিশেষ কালক প্ৰতিনিধিত্ব কৰিও কালোত্তীৰ্ণ ৰূপত প্ৰতিষ্ঠা লাভ কৰিছে।

### সত্ৰাধিকাৰ নৰজ্যোতি গোস্বামী সভাপতি, দেৰেশ্বৰ নাথ কাৰ্যকৰী সভাপতি, চবিন কুমাৰ সম্পাদক নিৰ্বাচিত

# ৰাজাপুখুৰী সত্ৰৰ বাসন্তী পূজাৰ শতবাৰ্ষিকীৰ প্ৰস্তুতি

**অসম ভূমি সেৱা, ৰামপুৰ** ঃ১৯২৫ বৰ্ষতে ঐতিহ্যমণ্ডিত ৰাজাপুখুৰী সত্ৰত আৰম্ভ কৰা ৰাজহুৱা শ্ৰীশ্ৰী বাসন্তী পূজাৰ শতবাৰ্ষিকী মহোৎসৱ আগন্তুক ২০২৪ বৰ্ষৰ ১৫ এপ্ৰিলৰ পৰা পাঁচদিনীয়া বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। এই উপলক্ষে ৰাইজ গয়ৰহৰ উদ্যোগত এখন সাধাৰণ সভা অলপতে ৰাজাপুখুৰী সত্ৰত অনুষ্ঠিত হৈ যায়। সভাখনত সভাপতিত্ব কৰে গয়ৰহৰ সভাপতি দেৰেশ্বৰ নাথে। শতাধিক লোকৰ উপস্থিতিত হোৱা সাধাৰণ সভাই সত্ৰৰ সত্ৰাধিকাৰ নৰজ্যোতি গোস্বামীক সভাপতি, ৰাইজ গয়ৰহৰ সভাপতি দেৰেশ্বৰ নাথক কাৰ্যকৰী সভাপতি, উত্তম চন্দ্ৰ নাথ, তৰুণ চন্দ্ৰ কুমাৰ, উদয় কুমাৰক উপ-সভাপতি, চবিন কুমাৰক সাধাৰণ সম্পাদক আৰু হেমচন্দ্ৰ কুমাৰক কোষাধ্যক্ষ হিচাপে লৈ শতবাৰ্ষিকী উদ্‌যাপন সমিতিখন গঠন কৰি দিয়ে। উক্ত সভাতেই অৱসৰপ্ৰাপ্ত শিক্ষক যোগেন্দ্ৰ কুমাৰক উপ-সভাপতি, অমূল্য কুমাৰক সম্পাদক আৰু ৰমেশ কুমাৰক সহকাৰী সম্পাদকৰ দায়িত্ব অৰ্পণেৰে স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিখনো গঠন কৰা হয়।





- ফিট্‌নেছ প্ৰমাণপত্ৰ বিলম্ব মাচুলৰ ক্ষেত্ৰত ব্যাপক হ্ৰাস
- এই এককালীন সুযোগ গ্ৰহণ কৰক
- কেৱল ২ মাহৰ বাবে বৈধ

আঁচনিখন ১৫/০৭/২০২৩ৰ পৰা কাৰ্যকৰী হ'ব

**বৰ্তমানৰ দৈনিক ৫০ টকাৰ জৰিমনাৰ পৰিৱৰ্তে প্ৰদান কৰক :**



- ৩-চকীয়া পৰিবহণ বাহনৰ বাবে — দৈনিক ১০ টকা
- বাণিজ্যিক ট্ৰেক্টৰৰ বাবে — দৈনিক ১৫ টকা
- ৪-চকীয়া পৰিবহণ বাহনৰ বাবে — দৈনিক ২০ টকা
- গধুৰ বাণিজ্যিক বাহন/পৰিবহণ বাহন/অন্যান্য — দৈনিক ২৫ টকা

**কেনেকৈ আবেদন কৰিব?**

- www.parivahan.gov.in অথবা নিকটৱৰ্তী CSC (কমন ছাৰ্ভিচ চেণ্টাৰ)ত আবেদন কৰক
- বাহনৰ পথ-কৰ পৰিশোধ কৰাৰ লগতে আন সকলো প্ৰাসংগিক নথি-পত্ৰ আপডেট কৰক
- ফিট্‌নেছ পৰীক্ষাৰ বাবে সংশ্লিষ্ট ডিটিঅ'ই নিৰ্ধাৰণ কৰা তাৰিখ আৰু সময়ত আপোনাৰ বাহনখন প্ৰদৰ্শন কৰক

**সোনকাল কৰক!**

**আঁচনিখন কেৱল ২ মাহৰ বাবে বৈধ**

যদি কোনো বাহন ১৫/১০/২০২৩-ৰ পিছত ফিট্‌নেছ প্ৰমাণপত্ৰ অবিহনে ধৰা পৰে, সেই বাহনখনৰ কাৰ্যক্ষমতা সমাপ্তি হোৱা বুলি গণ্য কৰা হ'ব। লগতে তেনে বাহনৰ পঞ্জীয়ন প্ৰমাণপত্ৰ বাতিল কৰা হ'ব আৰু বাহনখন জব্দ কৰি স্ক্ৰেপিঙৰ বাবে আৰভিএছএফক গতাই দিয়া হ'ব৷

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৮২৮৭৯১২১৫৮ ত Assam লিখি ৱাটছএপ কৰক

*Janasanyog/1765/23*

# ছাত্ৰ-ছাত্ৰীক সাজ-পোছাক বিতৰণ বীণাপাণি জ্যোতিষ কাৰ্যালয়ৰ

**অসমভূমি সেৱা, আজাৰা ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰীৰ দখলাত বীণাপাণি জ্যোতিষ কাৰ্যালয়ৰ উদ্যোগত যোৱা ৩০ জুলাইত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাজ-পোছাক বিতৰণ কৰা হয়। বীণাপাণি জ্যোতিষ কাৰ্যালয়ৰ স্বত্বাধিকাৰী অপূৰ্ব দেৱশৰ্মাৰ একক প্ৰচেষ্টাত জ্যোতিষী কাৰ্যৰ উপৰি সমাজসেৱামূলক মনোভাবেৰে দৰিদ্ৰ কৃতী ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়াকৈ সাজ-পোছাক বিতৰণ কাৰ্যসূচী গ্ৰহণ কৰিছে। সভাৰ আৰম্ভণিতে যোৱা ২৮ জুলাই দখলাত বিদ্যুতৰ কাম কৰি থকা অৱস্থাত ছয়গাঁৱৰ অমৰ দাস নামৰ যুৱকজনে বিদ্যুৎস্পৃষ্ট হৈ মৃত্যুক আঁকোৱালি লৈছিল। যুৱজনৰ আত্মাৰ সদগতি কামনাৰ্থে এক মিনিট সময় মৌন প্ৰাৰ্থনা জনায়। এই উপলক্ষে অনুষ্ঠিত সভাত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীয়ে বীণাপাণি জ্যোতিষ কাৰ্যালয়ৰ স্বত্বাধিকাৰী অপূৰ্ব দেৱশৰ্মাৰ প্ৰচেষ্টাৰ শলাগ লয় আৰু ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি মানুহ হ'বলৈ আহ্বান জনায়। টকা ঘটিবলৈ সহজ কিন্তু মানুহ হ'বলৈ কঠিন। মানুহ হ'বলৈ হ'লে শিক্ষা লাগে বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। সভাত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অধ্যাপক এডৱাৰ্ড ষ্টেডি এন চাংমা, জ্যেষ্ঠ সাংবাদিক বলেন কলিতা, অমৃত চন্দ্ৰ বাণিজ্য মহাবিদ্যালয়ৰ উপাধ্যক্ষ বিউটী কাকতি উপস্থিত থাকি জ্যোতিষী অপূৰ্ব দেৱশৰ্মাৰ এনে পদক্ষেপক আদৰণি জনোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰি তেওঁলোকৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰে। অঞ্চলটোৰ ৰাইজ তথা শুভাকাংক্ষীসকল উপস্থিত থকা সভাখনত দক্ষিণ কামৰূপ অঞ্চলৰ দুখীয়া ছাত্ৰ-ছাত্ৰীক সাজ-পোছাক বিতৰণ কৰাৰ লগতে বিহু নৃত্যৰে গীনিজ বুক অব্ ৱৰ্ল্ড ৰেকৰ্ড কৰা অঞ্চলটোৰ তিনিগৰাকী বিহুৱতীক গামোচা আৰু জাপিৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত সুশীলা দাস আৰু প্ৰমীলা কলিতাক টিনপাট প্ৰদান কৰে। শেষত বীণাপাণি জ্যোতিষ কাৰ্যালয়ৰ



স্বত্বাধিকাৰী অপূৰ্ব দেৱশৰ্মাই সামৰ্থ্য অনুযায়ী ৰাইজ তথা দুখীয়া লোকক সহায়-সহযোগিতা আগবঢ়োৱাৰ কথা ভাষণত উল্লেখ কৰাৰ লগতে স্থানীয় ৰাজহুৱা মন্দিৰত ৫০ হাজাৰ টকা অনুদান ঘোষণা কৰি আগধন হিচাপে নগদ ২০ হাজাৰ টকা মন্দিৰৰ সভাপতি-সম্পাদকৰ হাতত প্ৰদান কৰে। জ্যোতিষী অপূৰ্ব দেৱশৰ্মাৰ এনে প্ৰচেষ্টাক সকলোৱে ভূয়সী প্ৰশংসা কৰাৰ লগতে ভৱিষ্যতে এনে ধৰণৰ প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ আহ্বান জনায়।

১ পৃষ্ঠাৰ পৰা

# বিজেপিত ক্ষমতা দখলৰ

স্বয়ং মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিবলৈ বাধ্য হৈছিল। ইয়াৰ কিছুদিন পাছত ওলাল বিজেপিৰ ৰাজ্যিক সভাপতিৰ ছিণ্ডিকেটৰ প্ৰসংগ। এটা গুৰুত্বপূৰ্ণ পথ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় বালি সংগ্ৰহ কৰিবলৈ অনুমতি প্ৰদানৰ বাবে বাক্সাৰ বন বিষয়ালৈ ৰঙিয়া সমষ্টি বিধায়ক ভবেশ কলিতাই প্ৰেৰণ কৰা এখন চিঠি এইবাৰ ৰাজহুৱা কৰা হ'ল। ইয়াৰ পাছতে বিজেপিৰ ৰাজ্যিক সভাপতিগৰাকী বালিৰ ছিণ্ডিকেটৰে জড়িত বুলি দাবী তুলিছে বিভিন্ন দল-সংগঠনে। মুঠতে এটাৰ পিছত আন এটা অথন্তৰে লগ এৰা নাই ৰঙিয়া সমষ্টিৰ বিধায়ক তথা ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাৰ। যি সময়ত গেৰুৱা দলটোৱে আগত লোকসভা আৰু পঞ্চায়ত নিৰ্বাচনক লৈ তৎপৰ হৈ পৰিছে, দলৰ সাংগঠনিক ভেটি শক্তিশালী কৰিবলৈ নেতৃত্ব উঠি পৰি লাগিছে সেই সময়তে দলটোৰ ৰাজ্যিক সভাপতি গৰাকীৰ বিৰুদ্ধে এটাৰ পিছত আন এটা অভিযোগ আনি সভাপতি গৰাকীক দলীয় কাম-কাজৰপৰা নিলগাই ৰাখিবলৈ এটা চক্ৰ সক্ৰিয় হৈ পৰাটোৱে বিশেষ তাৎপৰ্য বহন কৰিছে। ৰাজ্যিক সভাপতিৰ বিৰুদ্ধে দলৰে একাংশ সক্ৰিয় হৈ পৰাৰো অভিযোগ উঠিছে। ইয়াৰ মূল কাৰণ আগত লোকসভা নিৰ্বাচন কেন্দ্ৰিক বুলি চৰ্চা চলিছে। এক সূত্ৰই সদৰী কৰা অনুসৰি বিজেপিৰ বৰ্তমানৰ আটাইকেইগৰাকী সাংসদে আগত লোকসভা নিৰ্বাচনত পুনৰ দলীয় টিকট লাভৰ সম্ভাৱনা কম। তেনেক্ষেত্ৰত ভবেশ কলিতাক আঁতৰাই নিজেই সভাপতিৰ পদ দখল কৰি টিকট নিশ্চিত কৰিবলৈ দলৰে এগৰাকী সাংসদ উঠি-পৰি লগা বুলিও চৰ্চা চলিছে। এনে চৰ্চাৰ মাজতেই গেৰুৱা দলটোত ব্যাপক সাংগঠনিক সালসলনিৰে কেন্দ্ৰীয় নেতৃত্বই ৰাষ্ট্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক পদৰ পৰা সাংসদ দিলীপ শইকীয়াক অপসাৰণ কৰি কামাখ্যা প্ৰসাদ তাছাক উক্ত দায়িত্ব অৰ্পণ কৰিছে। একেদৰে অসমৰ দায়িত্বৰ পৰা সাংগঠনিক সাধাৰণ সম্পাদক ফণীন্দ্ৰ শৰ্মাক আঁতৰাই হাৰিয়ানাৰ দায়িত্বত থকা ভি.আৰ. ৰাজুক দিয়া হৈছে দলৰ অসম আৰু ত্ৰিপুৰাৰ সাংগঠনিক সম্পাদকৰ দায়িত্ব। সৰ্বানন্দ সোণোৱাল, ৰামেশ্বৰ তেলী কেন্দ্ৰীয় মন্ত্ৰী হৈ থকা অৱস্থাতে পুনৰ উজনিৰে কামাখ্যা প্ৰসাদ তাছাক গেৰুৱা দলটোৱে দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদকৰ দায়িত্ব অৰ্পণ কৰি উজনিত দলৰ ভেঁটি শক্তিশালী কৰিবলৈ ব্লুপ্ৰিণ্ট ৰচাৰ বিপৰীতে নামনিৰ প্ৰতিনিধি দিলীপ শইকীয়াক পদবীৰ পৰা অপসাৰণ কৰাটোও লক্ষ্যণীয় হিচাপে বিবেচিত হৈছে। উল্লেখ্য যে সাংসদ দিলীপ শইকীয়াই পুনৰ দলৰ টিকট লাভ নকৰে বুলি চৰ্চা চলি আহিছিল। এনে চৰ্চাৰ মাজতেই ৰাষ্ট্ৰীয় নেতৃত্বই তেওঁৰ পদবী কৰ্তন কৰাটোৱে কিহৰ ইংগিত বহন কৰিছে সেয়া ৰাজনৈতিক সচেতকসকলে নুবুজা নহয়। গেৰুৱা দলটোত অৱশ্যে ৰাজ্যিক সভাপতিগৰাকীক ক্ষমতাচ্যুত কৰিবলৈ একাংশই যিমানেই চেষ্টা নকৰিলেও মুখ্যমন্ত্ৰীয়ে কৰা ঘোষণা অনুসৰি অহা লোকসভা নিৰ্বাচনলৈ ভবেশ কলিতাই ৰাজ্যিক বিজেপিৰ সভাপতি পদত থকাটো নিশ্চিত।

# ভ্ৰাম্যমাণ থিয়েটাৰৰ মঞ্চত কাৰিকৰী কৌশলেৰে চমক সৃষ্টি গিৰিধন তালুকদাৰৰ



**নলবাৰী ঃ** অসমৰ জনপ্ৰিয় শিল্প উদ্যোগ ভ্ৰাম্যমাণ থিয়েটাৰৰ মঞ্চত কাৰিকৰী কৌশলেৰে চমক সৃষ্টি কৰি সুনাম অৰ্জন কৰা এগৰাকী শিল্পী হৈছে নলবাৰী জিলাৰ নিজ বাঁহজানী গাঁও নিবাসী গিৰিধন তালুকদাৰ। শিল্পীগৰাকীয়ে নিজৰ প্ৰচাৰক তুচ্ছ জ্ঞান কৰি আগবাঢ়ি যায় নিজৰ কৰ্মত। ভ্ৰাম্যমাণ থিয়েটাৰক মঞ্চ সাজোনেৰে বিশেষ মাত্ৰা দিয়া গিৰিধন তালুকদাৰৰ নাম ভ্ৰাম্যমাণৰ ক্ষেত্ৰখনত চৰ্চিত হৈছে। অতি ভদ্ৰ, নিৰ্জু স্বভাৱৰ তালুকদাৰে ২০০৭-২০০৮ বৰ্ষত থিয়েটাৰ ভাগ্যদেৱীৰ 'মিলন মালা' নাটকৰ জৰিয়তে সাংস্কৃতিক মঞ্চখনত প্ৰৱেশ কৰে। 'মিলন মালা' নাটকৰ অত্যাধুনিক কাৰিকৰী কৌশলেৰে প্ৰতিগৰাকী দৰ্শকক বেছ আমোদ দিবলৈ সক্ষম হৈছিল। বৃত্তিত এগৰাকী ওৱেলডাৰ হিচাপে পৰিচিত এইগৰাকী শিল্পীয়ে যোৱা ১৫ বছৰে অসমৰ বিভিন্ন থিয়েটাৰৰ মঞ্চ, অত্যাধুনিক মঞ্চৰ কাৰিকৰী কৌশল, গেলাৰী, প্ৰেক্ষাগৃহত ব্যৱহাৰ হোৱা সকলোবোৰ সামগ্ৰী অতি দায়িত্বসহকাৰে যোগান ধৰি আহিছে। নলবাৰী জিলাৰ বাঁহজানী গাঁৱৰ গৰ্গৰ চ'কৰ বাসিন্দা তালুকদাৰৰ নিজ বাসগৃহৰ লগতে তেখেতৰ ওৱেলডিং দোকান। য'ত সৃষ্টি হয় প্ৰতিখন থিয়েটাৰৰ কাৰিকৰী কৌশলৰ সঁজুলি। বৰ্তমানলৈ তেখেতে প্ৰায় ২১খন ভ্ৰাম্যমাণ থিয়েটাৰৰ কাৰণে কাম কৰিছে। ইয়াৰে কিছু ভ্ৰাম্যমাণ গোষ্ঠী সময়ৰ সোঁতত বিলীন হৈ যোৱাৰ বিপৰীতে বহুকেইখন থিয়েটাৰ নিৰৱচ্ছিন্নভাৱে আজিও চলি আছে। গিৰিধন তালুকদাৰৰ হাতৰ পৰশ পোৱা থিয়েটাৰসমূহ হ'ল— ভাগ্যদেৱী, ৰাজশ্ৰী, বৰদৈচিলা, আৱাহন, সূৰ্য, ৰাজমুকুট, ৰাজতিলক, ইতিহাস, হেঙুল, উদয়ন, ৰুদ্ৰাক্ষ, অভিনন্দন, শংকৰদেৱ, অসমজ্যোতি, মঞ্চজ্যোতি, চিত্ৰলেখা, দেৱৰাজ, শকুন্তলা, মকুন্দ, বীণাপাণি, নন্দিনী, মাধৱদেৱ আদি। বহু নাট্যদলক কাৰিকৰী কৌশলৰ সম্ভৰেৰে দৰ্শকৰ মাজলৈ উলিয়াই নিয়াৰ অৰিহণা কম নহয় এইগৰাকী মঞ্চৰ আঁৰৰ শিল্পীৰ।

১ পৃষ্ঠাৰ পৰা

# ধুবুৰী-নগাঁও-বৰপেটা অগপলৈ !

অনুষ্ঠিত কৰি ধুবুৰী, বৰপেটা আৰু নগাঁও লোকসভা সমষ্টিত নিৰ্বাচন খেলিবলৈ অগপ দলে প্ৰস্তুতি চলাইছে। একেদৰে মিত্ৰজোঁটৰ অংশীদাৰ ইউপিপিএল দলেও কোকৰাঝাৰ লোকসভা সমষ্টিত নিৰ্বাচন খেলিবলৈ প্ৰস্তুতি চলাইছে। অৱশ্যে বিটিএডিৰ ৰাজনীতিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বিজেপিৰ এসময়ৰ মিত্ৰদল বিপিএফে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে লোকসভা নিৰ্বাচনত গেৰুৱা দলে বিপিএফৰ সহায় বিচাৰিব বুলি মুকলিকৈ ঘোষণা কৰাৰ পাছত কোকৰাঝাৰ লোকসভা সমষ্টি ইউপিপিএলক এৰি দিয়াৰ ক্ষেত্ৰত যে জটিলতাৰ সৃষ্টি হ'ব সেয়া খাটাং। মিত্ৰজোঁটৰ পৰা বিপিএফেও দাবী কৰিব সমষ্টিটো। এনে ক্ষেত্ৰত শেষ মুহূৰ্তত কোকৰাঝাৰ সমষ্টি কাৰ হাতলৈ যায় সেয়া সময়েহে কব। ইপিনে বৰপেটা লোকসভা সমষ্টি অসম গণ পৰিষদ দলে বিচৰাৰ বিপৰীতে বিজেপিয়ে সমষ্টিটোত দলীয় প্ৰাৰ্থী থিয় কৰোৱাৰ অংক কৰিছে। চৰ্চিত খবৰ অনুসৰি বিজেপিয়ে লোকসভা নিৰ্বাচনত বৰপেটা সমষ্টিত মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীক প্ৰাৰ্থীত্ব দিবলৈ কুচকাৱাজ চলাইছে। ইয়াৰ জৰিয়তে ৰাজ্যৰ ৰাজনীতিৰ পৰা চন্দ্ৰ মোহন পাটোৱাৰীক বিদায় দিয়াৰো চিন্তা-চৰ্চা চলা বুলি খবৰ ওলাইছে। অৱশ্যে মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়ে লোকসভা নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰা বুলি জানিব পৰা গৈছে। ধুবুৰীত বিজেপিৰ সাংগঠনিক শক্তি তুলনামূলকভাৱে কম হোৱা বাবে বদৰুদ্দিন আজমলৰ বিৰুদ্ধে প্ৰতিদ্বন্দিতা কৰিবলৈ সমষ্টিটো অগপক এৰি দিব পাৰে বিজেপিয়ে। ইতিমধ্যে অগপই সমষ্টিটোৰ দলীয় সাংগঠনিক সভা অনুষ্ঠিত কৰি নিজৰ ভেটি শক্তিশালী কৰিবলৈ চেষ্টা চলাইছে। আনহাতে নগাঁও লোকসভা সমষ্টিয়ো অগপক এৰি দিয়াৰ সম্ভাৱনা আছে বিজেপিৰ। অগপৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তৰ ভাতৃ মণি মাধৱ মহন্তক সংস্থাপিত কৰাৰ স্বাৰ্থতেই বিজেপিয়ে দলটোৰ বাবে অতি গুৰুত্বপূৰ্ণ নগাঁও লোকসভা সমষ্টি অগপক এৰি দিয়াৰ সম্ভাৱনা আছে। অৱশ্যে সমষ্টি এৰা-ধৰাৰ ক্ষেত্ৰত এতিয়াও চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই যদিও মিত্ৰজোঁটৰ অংশীদাৰ দলসমূহে এই ক্ষেত্ৰত ভিতৰি ভিতৰি তৎপৰতা অব্যাহত ৰাখিছে।



# সাগৰিকা শৰ্মাৰ কৃতিত্ব

গুৱাহাটী ঃ যোৱা ২৫ জুলাইত মাছখোৱা আই টি এ চেণ্টাৰত অনুষ্ঠিত 7th Nation Pride Achievers Award-2023 লাভ কৰিবলৈ সক্ষম হৈছে গুৱাহাটীৰ বেলতলা ছাৰ্ভে, সমন্বয় পথৰ ছাত্ৰী সাগৰিকা শৰ্মাই। টাটা সামাজিক বিজ্ঞান সন্থাৰ পৰা সন্মান সহকাৰে স্নাতকোত্তৰ উপাধি লাভ কৰা সাগৰিকাই বাল্যকালৰে পৰা ছবি আঁকি ভাল পাইছিল আৰু বিভিন্ন প্ৰতিযোগিতাত যোগদান কৰি পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। বৰ্তমান সাগৰিকা শৰ্মাই বিদ্যালয় স্থাপন কৰি ছাত্ৰ-ছাত্ৰীসকলক ছবি অঁকাৰ প্ৰশিক্ষণ প্ৰদান কৰি আছে। গুৱাহাটী আৰ্টিষ্টছ গীল্ডত সাগৰিকা শৰ্মাই ইমাজেনেৰী কেনভাছৰ লগত মাজে মাজে প্ৰদৰ্শনী অনুষ্ঠিত কৰি ছবিপ্ৰেমীসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য, মাছখোৱা আই টি এ চেণ্টাৰত উপস্থিত হৈ বলীউডৰ অভিনেত্ৰী পুনম ধীলনে উক্ত বঁটা প্ৰদান কৰিছিল। ভাৰতীয় ৰে'ল বিভাগৰ অৱসৰী উচ্চপদস্থ বিষয়া দীনেশ চন্দ্ৰ শৰ্মা, অৱসৰী শিক্ষয়িত্ৰী ৰীতা দেৱীৰ একমাত্ৰ কন্যা সাগৰিকা এগৰাকী মেধাৱী ছাত্ৰী। সাগৰিকাৰ কীৰ্তি আৰু কৃতিত্বত স্থানীয় ৰাইজে আনন্দ প্ৰকাশ কৰাৰ লগতে উত্তৰোত্তৰ উন্নতি কামনা কৰিছে।

## গুৱাহাটীত প্ৰেছ ক্লাৱত প্ৰতিবাদী সভা

# মণিপুৰ কাণ্ডৰ প্ৰতিবাদ 'মাছ'ৰ

গুৱাহাটী ঃ বিগত প্ৰায় তিনি মাহ ধৰি অসমৰ কাষৰীয়া ৰাজ্য মণিপুৰত কুকি আৰু মেইটেইৰ মাজত চলা গোষ্ঠী সংঘৰ্ষ ৰোধ কৰাত মণিপুৰ চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ চৰম ব্যৰ্থতাৰ প্ৰতিবাদ জনাবলৈ যোৱা ২৮ জুলাইত মানৱ অধিকাৰ সংগ্ৰাম সমিতি 'মাছ'ৰ উদ্যোগত গুৱাহাটী প্ৰেছ ক্লাবত এখন প্ৰতিবাদী সভা অনুষ্ঠিত হয়। 'মাছ'ৰ মুখ্য উপদেষ্টা বুবুমণি গোস্বামী আৰু অধ্যক্ষ আদিত্য লহকৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিবাদী সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সচিবপ্ৰধান লক্ষীপ্ৰসাদ ডেকাই। সভাত অসম-মণিপুৰ ছাত্ৰ সন্থাৰ ভগত সিং, কুকি ৰেলফেয়াৰ ছ'চাইটিৰ মুখ্য উপদেষ্টা টংখলেন হেনফি, সৰ্বভাৰতীয় মানৱ অধিকাৰ সন্মিলনৰ গীতাশ্ৰী কোঁৱৰ, ৰাইজৰ দলৰ চিন্ময় বৰা, বিশিষ্ট মানৱ অধিকাৰ কৰ্মী লাচিত বৰদলৈ, আলফাৰ সাধাৰণ সম্পাদক অনুপ চেতিয়া, উপ-সভাপতি প্ৰদীপ গগৈ, বিশিষ্ট লেখিকা সুপৰ্ণা লাহিড়ী, জাতীয়তাবাদ পুনৰ নিৰ্মাণ সমিতিৰ ৰাজ কুমাৰ বৈশ্য, মুং গাম চুং খামৰ অনুপ আৰন্ধৰা, 'আপ' প্ৰতিনিধি নাজমা বেগম, তৃণমূল কংগ্ৰেছৰ প্ৰতিনিধি পলাশী দাস, বিশিষ্ট সমাজকৰ্মী অনুপ বৰুৱাকে ধৰি অসমৰ বিভিন্ন জিলাৰ মাছৰ কৰ্মী লগতে গণ্য-মান্য ব্যক্তি আৰু সাংবাদিককে ধৰি বহুকেইগৰাকী ব্যক্তিয়ে মণিপুৰৰ অগ্নিগৰ্ভ পৰিস্থিতি বিষয়ত পৰ্যালোচনা কৰি বক্তব্য আগবঢ়ায়। সভাই মণিপুৰৰ পৰিস্থিতিৰ বিষয়ত কেৱল চৰকাৰৰ ভূমিকাৰ বাবেই বিশেষ অৱনতি ঘটা আৰু ডেৰ শতাধিক লোকৰ মৃত্যু হোৱা আৰু হাজাৰ হাজাৰ লোকৰ ঘৰ-বাৰী অগ্নিদগ্ধ হোৱা পৰিস্থিতি প্ৰায় তিনি মাহ ধৰি নিয়ন্ত্ৰণ কৰাত চৰম ব্যৰ্থ হোৱাৰ বাবে চৰকাৰক গৰিহণা দি প্ৰস্তাৱ গ্ৰহণ কৰে। সভাই ৰাজ্যখনত ব্যাপক হাৰত হোৱা মানৱ অধিকাৰ উলংঘনৰ ঘটনাক গভীৰ উদ্বেগ প্ৰকাশ কৰি শিশু-মহিলা-বৃদ্ধৰ ওপৰত সংঘটিত নৃশংস ঘটনা তৎকালে ৰোধ কৰাৰ বাবে দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰে। মাছৰ উদ্যোগত গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত হোৱা প্ৰতিবাদী সভাই মণিপুৰৰ গোষ্ঠী সংঘাতৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাত মণিপুৰৰ ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ চৰম ব্যৰ্থতা আৰু অৱহেলাক কঠোৰ ভাষাৰে তীব্ৰ গৰিহণা দিয়ে আৰু সংঘৰ্ষময় পৰিস্থিতি তৎকালে ৰোধ কৰাৰ বাবে জৰুৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়। সভাই মণিপুৰৰ সংঘৰ্ষময় পৰিস্থিতিৰ ব্যাপক হাৰত মানুহৰ অধিকাৰ চৰম উলংঘনত গভীৰ উদ্বেগ প্ৰকাশ কৰে আৰু শিশু-মহিলা প্ৰমুখ্যে মণিপুৰৰ সকলো নাগৰিকক পৰ্যাপ্ত সুৰক্ষাৰ সুব্যৱস্থা কৰাৰ লগতে মণিপুৰৰ কাষৰীয়া ৰাজ্যসমূহত থকা কুকি, মেইটেইসকলৰ পৰ্যাপ্ত পৰিমাণে সুৰক্ষা ব্যৱস্থা কৰিবলৈ সংশ্লিষ্ট ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰক দাবী জনায়। তদুপৰি শিশু আৰু মহিলাৰ বিৰুদ্ধে হোৱা অতি ঘৃণনীয় অপৰাধকে আদি কৰি মানৱ অধিকাৰ উলংঘনৰ ঘটনাৰ ন্যায়িক তদন্ত কৰি দোষীক উপযুক্ত শাস্তি প্ৰদান কৰা লগতে ক্ষতিগ্ৰস্তসকলক পৰ্যাপ্ত ক্ষতিপূৰণ দিবলৈ দাবী জনায়।



## সদৌ অসম ভিত্তিত কিক বক্সিঙত সাফল্য

# ৰঙিয়াত ৬ গৰাকী খেলুৱৈক সম্বৰ্ধনা ছাত্ৰ সন্থাৰ

**অসম ভূমি সেৱা, ৰঙিয়া ঃ** যোৱা ১৩ জুলাইৰ পৰা তিনিদিনীয়াকৈ ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা সদৌ অসম ভিত্তিত ৮ম বাৰ্ষিক কিক বক্সিং প্ৰতিযোগিতাত ৰঙিয়াৰ বৈদ্যগড় ক্লাবে বিশেষ সাফল্য অৰ্জন কৰিছিল। পদক লাভেৰে বৈদ্যগড় অঞ্চললৈ গৌৰৱ কঢ়িয়াই অনা খেলুৱৈসকলৰ লগতে প্ৰশিক্ষক বিল্লাল আলীক অলপতে বৈদ্যগড় আছুৰ উদ্যোগত সম্বৰ্ধনা জ্ঞাপন কৰা হয়। প্ৰাক্তন ছাত্ৰ নেতা বিতোপন শালৈয়ে আঁত ধৰা অনুষ্ঠানটোত কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি গোলোক ৰাজবংশী, ৰঙিয়া মহকুমা আছুৰ উপ-সভাপতি ৰূপজ্যোতি কলিতা, বৈদ্যগড় আঞ্চলিকৰ উপদেষ্টা মৃণাল কলিতা, ভাৰপ্ৰাপ্ত সভাপতি মৃদুল কলিতা, সম্পাদক নৰজিৎ কলিতা প্ৰমুখ্যে কেইবাগৰাকী ছাত্ৰ নেতা উপস্থিত থাকি কৃতিত্ব অৰ্জনকাৰী খেলুৱৈসকলক সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখযোগ্য যে প্ৰশিক্ষক বিল্লাল আলীৰ নেতৃত্বত কামৰূপ জিলা দলৰ হৈ প্ৰতিনিধিত্ব কৰা বৈদ্যগড় ক্লাবৰ সুমায়া ইয়াছমিন, দীক্ষিতা কলিতাই স্বৰ্ণ, উদিত কলিতা, দিলদাৰ হুছেইনে ৰূপৰ আৰু নিচা কলিতা আৰু আজিজুল হকে প্ৰতিযোগিতাখনত ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

# বাদুংদ্যুপ্পা কলাকেন্দ্ৰত দ্বাদশ শিশু নাট সমাৰোহ সম্পন্ন

ৰামপুৰ ঃ বাদুংদ্যুপ্পা কলাকেন্দ্ৰই যোৱা ২৮ জুলাইত অসমৰ গোৱালপাৰা জিলাৰ ৰামপুৰত শিশুসকলৰ বাবে দিনজোৰা নাট সমাৰোহৰ আয়োজন কৰে। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ সহযোগত ৰামপুৰৰ বাদুংদ্যুপ্পা কলাকেন্দ্ৰত আয়োজিত এই দ্বাদশ শিশু নাট সমাৰোহত সৰ্বমুঠ চাৰিখন নাটক প্ৰদৰ্শন কৰা হয়। এই উৎসৱৰ উদ্দেশ্য আছিল বিভিন্ন মনোৰম নাট প্ৰদৰ্শনৰ জৰিয়তে স্থানীয় প্ৰচাৰ কৰা আৰু যুৱ মনৰ মাজত লুকাই থকা সৃজনশীলতাক অনুপ্ৰাণিত কৰা। আবেলি ৩ বজাত ৰঞ্জিত কোঁৱৰে শিশু নাট সমাৰোহৰ উদ্বোধন কৰে। এই অনুষ্ঠানতেই লুকীমণি বৰুৱা ভূএগাৰ দ্বাৰা ৰচিত শুক্ৰাচাৰ্য ৰাভাৰ জীৱনী গ্ৰন্থ উন্মোচন কৰা হয়। তাৰ পাছত, চামেলী ৰাভাৰ দ্বাৰা ৰচিত পৰিচালিত 'হোমৱৰ্ক' শীৰ্ষক আকৰ্ষণীয় নাটখনেৰে দিনটোৰ প্ৰথম প্ৰদৰ্শনী আৰম্ভ কৰা হয়। তাৰ পাছত চিনা ৰাভা আৰু বিনন্দ ৰাভাৰ দ্বাৰা যুটীয়াভাৱে পৰিচালিত 'টেক টেক টেকতাৰ' নাটকখন প্ৰদৰ্শন কৰা হয়। আবেলি প্ৰায় ৪ বজাত, বৃহৎসংখ্যক দৰ্শকৰ সন্মুখত ধৰ্মেশ্বৰ ৰাভাৰ দ্বাৰা ৰচিত, বিজয় ৰাভা আৰু নিৰ্মালি ৰাভাৰ দ্বাৰা ৰচিত, বিজয় ৰাভা আৰু নিৰ্মালি ৰাভাৰ দ্বাৰা সমাযোজিত তথা পৰিচালিত 'ধপ্পান্নী ছায়া' শীৰ্ষক নাটকখন মঞ্চস্থ কৰা হয়। অস্তাচলত সূৰ্যৰ প্ৰৱেশ ঘটাৰ লগে লগে সন্ধিয়াৰ অন্তিম প্ৰদৰ্শন, উদ্ধৱ ৰাভাৰ দ্বাৰা ৰচিত আৰু পৰিচালিত 'জুমাং মাচী' প্ৰদৰ্শন কৰা হয়। শিশুসকলক জড়িত কৰি শিশু নাট সমাৰোহে প্ৰদৰ্শন কৰা মনোমোহা কৰ্মৰাজিয়ে দৰ্শকসকলক যথেষ্ট আপ্লুত কৰে। এই সমাৰোহত নাট প্ৰদৰ্শনীৰ বাবে আগ্ৰহেৰে বৈ থকা নাটপ্ৰেমী, অভিভাৱক আৰু সন্মানীয় অতিথিসকলৰ মাজত উদ্দীপনাময় সমাৰেশ দেখা গৈছিল। নিকটৱৰ্তী গাঁওসমূহৰ লোকসকলৰ উপৰি গুৱাহাটী, গোৱালপাৰা চহৰ আৰু বঙাইগাঁৱৰ পৰা অহা যথেষ্টসংখ্যক লোকে এই সমাৰোহত অংশগ্ৰহণ কৰে। অসমীয়া নাট্যকলাৰ এগৰাকী প্ৰসিদ্ধ ব্যক্তি স্বৰ্গীয় শুক্ৰাচাৰ্য ৰাভাৰ দ্বাৰা প্ৰতিষ্ঠা কৰা বাদুংদ্যুপ্পা কলাকেন্দ্ৰ কৃত্ৰিম পোহৰ বা ধ্বনি প্ৰণালী ব্যৱহাৰ নকৰাকৈ সম্পূৰ্ণ প্ৰাকৃতিক পৰিৱেশত নাট মঞ্চস্থ কৰা এক অগ্ৰণী অনুষ্ঠান হিচাপে সুপৰিচিত। বাদুংদ্যুপ্পা কলাকেন্দ্ৰৰ পৰিচালন সঞ্চালক মদন ৰাভাই কয়— 'বাদুংদ্যুপ্পা কলাকেন্দ্ৰ পৰিয়ালে শিশু নাট সমাৰোহৰ দ্বাদশ সংস্কৰণ আয়োজন কৰি সুখী হৈছে।



দিনজোৰা সমাৰোহটোৱে আমাক সম্পূৰ্ণ প্ৰাকৃতিক পৰিৱেশত শিশু-অভিমুখী নাট্যশৈলীৰ সাক্ষী হোৱাৰ ক্ষেত্ৰত এক অন্যান্য অভিজ্ঞাতা প্ৰদান কৰে।' দ্বাদশ শিশু নাট সমাৰোহক এখ বৃহৎ সফলতা প্ৰদান কৰাৰ বাবে ৰাভাই সমূহ অংশগ্ৰহণকাৰী, নাট্যকাৰ, পৰিচালক আৰু দৰ্শকৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ শিশুসকলৰ মাজত কলাত্মক অভিব্যক্তি বৃদ্ধিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু ভৱিষ্যতে এনে অনুষ্ঠান আয়োজন কৰি যোৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। অনুষ্ঠানৰ অন্তত দৰ্শকসকলে মুখত সন্তুষ্টিৰ মধুৰ হাঁহি লৈ অনুষ্ঠানস্থলীক বিদায় জনায় আৰু শিশু নাট সমাৰোহৰ পৰৱৰ্তী সংস্কৰণৰ বাবে আগ্ৰহেৰে অপেক্ষাৰত বুলি মন্তব্য আগবঢ়ায়।

**Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com**

**Editor: Baikuntha Nath Goswami**